# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখঃ ২২/০৩/২০২২ মঙ্গলবাৰ

আজি ইংৰাজী **২২-০৩-২০২২** তাৰিখে অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব নিৰ্ধাৰিত সময়মতে ৰাতিপুৱা **৯.৩০** বজাত সদনৰ কাম কাজ আৰম্ভ হয়।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং **৮১**, মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনত মাননীয় বিত্তমন্ত্ৰী মহোদয়াই উত্তৰত যিখিনি চাকৰিৰ কথা উল্লেখ কৰিছে **১** লাখ চাকৰিৰ বিষয়ত, দেখা গৈছে যিখিনি নিযুক্তি প্ৰক্ৰিয়া চলি আছে আৰু যিখিনি নিযুক্তি দিছে, এইখিনি গৈ **১** লাখ নহয়। গতিকে মই মন্ত্ৰী মহোদয়াৰ পৰা উত্তৰ বিচাৰিছো অসমৰ সমগ্ৰ নিৰনুৱা যুৱক-যুৱতীৰ হকে **১** লাখ নিযুক্তি আমি গণি গণি লববৈলে প্ৰস্তুত আছো আৰু ইয়াৰ পৰা নিযুক্তিৰ সংখ্যা বঢ়াববৈলে কিবা পৰিকল্পনা বা প্ৰস্তুতি কৰিছে নেকি মন্ত্ৰী মহোদয়াই আৰু এই **১** লাখ চাকৰিৰ নিযুক্তিৰ প্ৰক্ৰিয়া কেতিয়ালৈ সম্পূৰ্ণ হ'ব, সেইখিনি কথা বিতংভাৱে জনাব লাগে।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই বাজেট বক্তব্যত **১** লাখ চাকৰি নিযুক্তি প্ৰক্ৰিয়াৰ বিষয়ে গোটেইখিনি বিতং ভাৱে কৈছো। সেইখিনি কথাই আজি আকৌ মই কববৈলে ওলাইছো, আমাৰ প্ৰতিশ্ৰুতি হ'ল যে **১** লাখ চাকৰি যিমান পাৰো অতিসোনকালে দিম। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সদনত কৈছে আৰু  ময়ো পুনৰবাৰ কৈছো যে বিভাগে বিভাগে ইতিমধ্যে গোটেই প্ৰক্ৰিয়া যুদ্ধ গতিত চলি আছে আৰু আমি অতিসোনকালে যিটো আমাৰ commitment আছিল, সেই commitment fulfil কৰিবৰ কাৰণে চেষ্টা কৰিম।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী মহোদয়াৰ পৰা বিচাৰিছিলো এটা সময়সীমা যে ছয় মাহ, এক বছৰ, ডেৰ বছৰ, দুই বছৰ, কিবা এটা কলে আমি ভাল পালোহেঁতেন, অসমৰ জনগণেও জানিলেহেঁতেন। যাহওঁক, শেহতীয়াকৈ চাকৰিৰ ক্ষেত্ৰত খুব বিজ্ঞাপন কাকতে কাকতে দেখিববৈলে পাইছো, আমি যুৱক-যুৱতীসকলক জনাইছিলো। কিন্তু যুৱক-যুৱতীসকলে আবেদন কৰি ঘূৰাই পঠিয়াছে যে এই বিলাক cancel হ'ল। মাননীয় অধ্যক্ষ মহোদয়, বিগত সময়তো দেখা পাইছোঁ যে APDCL, P&RD, Education ইত্যাদিৰ ক্ষেত্ৰত যিসমূহ আবেদন পত্ৰ বিচৰা হ'ল, advertisement কৰা হ'ল, সেইসমূহ cancel হৈছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে আমাক জনাব নেকি, কি নীতি -নিৰ্দেশনাৰ ক্ষেত্ৰত এনেকুৱা পৰিবৰ্তন আহিল, যাৰ কাৰণে সঘন ঘনাই advertise বোৰ cancel হ'ববৈলে ধৰিছে।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি আচলতে গোটেই প্ৰক্ৰিয়াটোত অতি সতৰ্কতাৰে আগবাঢ়িছো। আমি ইতিমধ্যে দুটা কমিচন বনাইছোঁ। Direct Recruitment Commission for analogeous posts class 3 & class 4 যে কোনো কাৰণত যাতে কোনো ধৰণৰ anomalise এই প্ৰক্ৰিয়াটোত নাহে তাৰ কাৰণে আমি অতি সাৱধানৰে আগবাঢ়িছো। ইতিমধ্যে আৰক্ষী বিভাগ, গৃহ বিভাগ,শিক্ষা বিভাগ আৰু স্বাস্থ্য বিভাগৰ তেওঁলোকৰ নিজা ববীয়াকৈ commission বিলাক আছে। তাৰ পৰা তেওঁলোকে নিযুক্তি

প্ৰক্ৰিয়া বিলাক আৰম্ভ কৰিছে। তাৰোপৰি আমি দুটা Direct Recruitment Commission খুলিছো class 3 & class 4 ৰ ক্ষেত্ৰত। গতিকে আমি আশা কৰিছো এই ক্ষেত্ৰত আমি যথেষ্টখিনি সজাগ। এইবাৰ যাতে সম্পূৰ্ণভাৱে ১ লাখ চাকৰিৰ নিযুক্তি সোনকালে দিব পৰা যায়, তাৰ কাৰণে সকলোখিনি প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ইয়াৰ পিছত supplementary মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন ছিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন ছিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰত প্ৰথম বাজেটত কৈছিল ১ লাখ, ৪৩ টা পদত চাকৰি দিব। যোৱা ১৬ তাৰিখৰ বাজেট দাখিলৰ সময়ত বিত্ত মন্ত্ৰী মহোদয়াই কৈছে ৪৯,১১৩ টা পদত চাকৰি দিব। অৰ্থাৎ প্ৰথম বাজেটত যিটো ১ লাখ ৪৩ টা পদত চাকৰি দিয়াৰ কথা কৈছিল, এইবাৰ আকৌ কৈছে ৫০,৯৩০ টা পদত চাকৰি দিব। যদি ১ লাখ ৪৩ ৰ পৰা ৫০,৯৩০ বিয়োগ কৰো, তেনেহ'লে দেখা যায় ৪৯,১১৩ টা ইতিমধ্যে দিয়া বুলি আমি বুজিব পাৰিছোঁ। গতিকে আপোনাৰ জৰিয়তে মাননীয়া বিত্ত মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে ৪৯,১১৩ টা দিয়া হ'ল নেকি, যদি দিয়া হ'ল ক'ত ক'ত দিয়া হ'ল আৰু যদি দিয়া হোৱা নাই, তেনেহ'লে প্ৰথম বাজেটত ১ লাখ ৪৩ কৈছিল, এইবাৰ আকৌ ৫০,৯৩০ টা পদৰ কথা কিয় কৈছে। এই কথাখিনি স্পষ্টভাৱে জানিব বিচাৰিম।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই মোৰ যিটো বাজেট বক্তব্য দিয়া হৈছিল, তেখেতে হয়তো ভালকৈ পঢ়ি চোৱা নাই, তাত স্পষ্টভাৱে দিয়া আছে যে ১ লাখ চাকৰি নিযুক্তিৰ কিমানখিনি আগবাঢ়িছো বাকীখিনি আমি কি কাম কৰিম ইয়াত লিখা আছে। আমি যিখন তালিকা দিলো ৫০,৯৩০ টা, তাৰ পিছত দেখিলো আয়োগে দ্বিতীয় বৰ্গ, class 3 ত প্ৰায় ১৩,৫৭২ টা আৰু class 4 ত ১৩,৭৮৭ টা পদ পূৰণ কৰাৰ কাৰণে তেখেতসকলে ব্যৱস্থা কৰিব। অসম লোকসেৱা আয়োগেও Grade-I - 3587 টা পদ আৰু Grade-II - 1568 টা পদ পুৰণৰ প্ৰক্ৰিয়া প্ৰায় চুৰান্ত হৈছে। তাৰ পিছত দেখিলো এই দৰে ১ লাখ চাকৰিৰ প্ৰায় ইতিমধ্যে ১১৫৭ টা পদ পূৰণ কৰিছো আৰু ওপৰত তালিকাৰ দফা ৬৬, ৬৭ প্ৰতিফলিত হোৱাৰ পৰা ৮৪,২৪৪ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া চলি আছে। বাকী থকা ১৪,৫৯৯ টা ১ লাখৰ পৰা ১৭৫৭ টা পদ বিয়োগ কৰিছো আৰু বিয়োগ কৰিছো ৮৪,২৪৪ টা পদ, থাকিলে ১৪,৫৯৯ টা পদ, সেই পদকেইটাও অতিসোনকালে পুৰণ কৰা হ'ব। ইয়াৰোপৰিও Society সমূহৰ জৰিয়তেও কিছুমান নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিছো। গতিকে আমি যিটো commitment দিছিলো, সেই commitment টো আমি strict হৈ আছো, মই পুনৰ বাৰ কৈছে আমি commitment দিয়া মতে পদ কেইটা পূৰণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১ লাখ চকৰিৰ নিযুক্তিৰ ক্ষেত্ৰত মাননীয় বিত্তমন্ত্ৰী মহোদয়াই যিটো উত্তৰ দিছে, ১০৪, ১০৩ পুলিচ বিভাগত আৰু ৯৩০ শিক্ষা বিভাগত, গোটেইখিনি মিলালে ১২০০ নহয়। এটা বিত্তীয় বছৰ উকলি গ'ল। প্ৰতিশ্ৰুতি আছিল প্ৰথম বছৰত ১ লাখ চাকৰি দিম। খোলাখুলি, চিধাছিধিঁকৈ কৈ দিলে হয় যে ইমান financial ক্ষমতা নাই। আমি পিছৰ বছৰত দি দিম। ১০ মে, ২০২১ তাৰিখে oath taking হৈছিল, পাচঁ বছৰীয়া কাৰ্য্যকালৰ এক বছৰ পাৰ হৈ গ'ল। এতিয়া চাৰি বছৰতে কাম কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব মাননীয় বিত্তমন্ত্ৰী মহোদয়াই উত্তৰ দিব। আপুনি বিতৰ্ক কৰি থাকিলে নহ'ব।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি কেতিয়াবা শুনিছিলো নে **১** লাখ চাকৰি দিয়া। এই চৰকাৰে যে সংকল্প লৈছে **১** লাখ চাকৰি দিব, তেওঁলোকে ধন্যবাদ দিব লাগে যে ইমান ডাঙৰ এটা প্ৰতিশ্ৰুতি আমি সপোনতো দেখা নাছিলো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই এই সদনক কৈছো আমি এই ক্ষেত্ৰত যথেষ্টখিনি সজাগ আৰু কামটো পুৰন কৰিবৰ কাৰণে সম্পূৰ্ণ প্ৰচেষ্টা আৰম্ভ কৰিছো।

(সদনত হুলুস্থুল)

**মাননীয় অধ্যক্ষ** ঃ এইটো প্ৰশ্নকালৰ সময়, বিতৰ্ক নহয়। এতিয়া মাননীয় সদস্য শ্ৰীনজৰুল হক।

**(**মাননীয় বিধায়ক শ্ৰীঅখিল গগৈ ডাঙৰীয়াই, আপোনালোকে ২৩ লাখ চাকৰি দিম বুলি কৈছিলএতিয়া ২৩ লাখ চাকৰি ক'ত**?** আপোনালোকৰ প্ৰধান মন্ত্ৰীয়ে মিছা কথা কয় । এই কথা উত্থাপন কৰাত সদনত হুলস্থুল হয়)

**মাননীয় অধ্যক্ষ ঃ**- হৈছে**,** অখিল গগৈ, হৈছে। বহক, ইয়াত কাজিয়া কৰিবলগীয়া নহয়, এইটো প্ৰশ্নকালীন ঘন্টা । এতিয়া প্ৰশ্নকালীন ঘন্টা চলি আছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টচাৰ্য্য (পূব গুৱাহাটী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ ইয়াত যি বক্তব্য ৰখা হৈছে মই ভাবো, ইয়াত আমাৰ বিধান সভাখন, তাৰ মৰ্য্যদা লাঘব কৰা হৈছে। কিয়নো আপোনালোকৰ প্ৰধান মন্ত্ৰী নহয়, প্ৰধান মন্ত্ৰী গোটেই দেশৰ। আৰু দ্বিতীয় কথাটো হ'ল, আমাৰ এটা পৰম্পৰা আছে যে এগৰাকী ব্যক্তি যদি তেখেত ইয়াত উপস্থিত নাথাকে, তেখেতৰ সম্পৰ্কে আত্মপক্ষ ৰাখিবৰ বাবে সক্ষম নহয়। এই সদনত তেখেতৰ সম্পৰ্কে কোনো অভিযোগ অনা নহয়। অন্তত শালীনতা আৰু শিষ্টাচাৰখিনি ৰাখিব লাগে। দেশৰ প্ৰধান মন্ত্ৰী সকলোৰে প্ৰধান মন্ত্ৰী।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ ঃ**- হ'ব, এই word টো expunge কৰা হ'ব।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ ঃ**- হ'ব বহক, আপুনি শুনাটো গণ্ডোগোল হ'ব পাৰে অখিল গগৈ। বিধান সভাত এনেকৈ কথা নকয়। প্ৰশ্নকৰ্তাই প্ৰশ্ন কৰিলে, উত্তৰ দিওঁতাই উত্তৰ দিলে, ইয়াৰ পিছত যদি আপোনাৰ কিবা আছে, আপুনি অতিৰিক্ত প্ৰশ্ন কৰিব পাৰে। সেয়েহে এতিয়া প্ৰশ্নৰ সময়ত কাজিয়া নহয়।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ ঃ**- পিছৰ প্ৰশ্ন নজৰুল হক। মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত আছে।

**শ্ৰী নজৰুল হক, (ৰূপহীহাট)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে ৪২.৯০ টকা প্ৰতি কুইন্টল চাউলৰ বাবদ সমবায় সমিতি সমূহক দি আছিল। কিন্তু ২০১৯ চনৰ চেপ্তেম্বৰ মাহৰ পৰা এই কমিশ্যনখিনি বন্ধ কৰি দিয়া হ'ল। আজিলৈকে তাৰ বকেয়া ধনখিনিৰ কোনো ব্যৱস্থা কৰা নহ'ল। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আপোনাৰ বিভাগে কেতিয়ালৈ এই ধনখিনি মুকলি কৰি দিব?

**মাননীয় অধ্যক্ষ ঃ**- মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস,(যোগান বিভাগৰ মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ২০১৫ চনত আমাৰ অসমত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ কাম আৰম্ভ হৈছিল, আৰু তাৰ প্ৰা্কমুহুৰ্তত , যিহেতু

সেই সময়ত চৰকাৰখনে ২০১৪ চনত চিন্তা কৰিছিল, আমাৰ যি সমূহ সুলভ মূল্যৰ দোকান আছে। সেই দোকান সমূহত কমিশ্যন সমূহ দিয়াৰ উপৰিও যি সকলে handling কৰে বিশেষকৈ আমাৰ সমবায় সমিতি, গতিকে সেই সমবায় সমিতি সমূহকো কিবা এটা দিব লাগিব তেতিয়াহে আমাৰ এই প্ৰক্ৰিয়াটো চলি থাকিব বুলি ২০১৪ চনতে চৰকাৰখনে এটা কেবিনেটত সিদ্ধান্ত লৈছিল। ২০১৪ চনৰ যিটো কেবিনেটৰ সিদ্ধান্ত আছিল, সেই সিদ্ধান্তটো এনেকুৱা আছিল, কেন্দ্ৰীয় চৰকাৰৰ যিটো ৯০ শতাংশ আৰু ৰাজ্য চৰকাৰৰ যিটো ১০ শতাংশ সেই ১০০ শতাংশৰ ভিতৰত ৭০ শতাংশ কমিশ্যন আমাৰ সুলভ মুল্যৰ দোকানীসকলক দিব। আৰু ৩০ শতাংশ দিব আমাৰ সমবায় সমিতি সমূহক। সেইটোৰ আধাৰত সেই সিদ্ধান্ত লোৱাৰ পিছত তেনেকুৱাকৈ তেওঁলোকক ৩০ শতাংশ ধন হিচাপে তেওঁলোকক সৰ্বমুঠ ৪২ টকাকৈ তেওঁলোকক দি থকা হৈছে। কিন্তু এইটো যেতিয়া কন্টিনিউ কৰিলে, আৰু এই আইনখনৰ যিটো system, এই আইনখনৰ system মতে যে পোনপটীয়াকৈ সুলভ মুল্যৰ দোকানীসকলকহে দিব লাগে। সুলভ মুল্যৰ দোকানীসকলক যিহেতু দিব লাগে, ১৪৩ টকা । তাৰ পাছত বহুতে যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ওজৰ আপত্তি দেখুৱালে তেতিয়া তেওঁলোকে ভাবি ল'লে আমি সেই টকাটো ৰাজ্য চৰকাৰে ৰাখি থৈ দিছো, ১০০ টকাটো দিছো আৰু ৪২টকা নে ৪৩ টকাটো দিয়া নাই বুলি ভাবিলে। ফলস্বৰূপে তেওঁলোকে ১১৭ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিয়া বন্ধ কৰি দিলে আৰু বন্ধ কৰি দিয়াৰ পাছত আমাৰ যিসমূহ সমবায় সমিতি আছিল সেই সমবায় সমিতিসমূহক এই আঁচনিৰ অধীনত সেই টকাটো দিব পৰা হোৱা নাছিল। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই দায়িত্ব লোৱাৰ পাছত তেখেতে যোৱা ৩০-০৬-২০২১ তাৰিখৰ এখন কেবিনেটত যিহেতু তেওঁলোকে handling কৰি আছে, সমবায় সমিতিসমূহে। গতিকে আমাৰ ষ্টেট চেয়াৰৰ পৰা ৰাজ্যচৰকাৰৰ তৰফৰ পৰা তেওঁলোকক আমি ২৬.৩৫ টকাকৈ দিয়াৰ আমি ব্যৱস্থা কৰিছো। আৰু পূৰ্বৰ যিমানখিনি আছিল সেইখিনি লৈ চৰকাৰে এতিয়া গভীৰভাবে চিন্তা কৰি আছে, আগন্তুক দিনত নিশ্চিত ৰূপত এই সমস্যাৰ সমাধান ওলাব বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, এতিয়া দ্বিতীয় চাপ্লিমেণ্টৰী।

**শ্ৰী নজৰুল হক, (ৰূপহীহাট)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই ইয়াত যিখিনি কথা কৈছে, ইয়াৰ পাৰ্ট হ'ল দুটা। এটা সুলভ মুল্যৰ দোকানী আৰু এটা সমবায় সমিতি। সুলভ মুল্যৰ দোকানী সকলে ১০০.১০ টকা পাই আছিল, আৰু সমবায় সমিতি সমুহক ২৬.৩৫ টকা দিয়াৰ কথা ইয়াত কোৱা হৈছে আৰু দি থকা হৈছে বুলি কোৱা হৈছে। কথাখিনি শুদ্ধ নহয়। এতিয়া সমবায় সমিতিৰ ৩৫.২৬ টকা ২০২১ চনৰ ২০ এপ্ৰিলৰ পহিলা তাৰিখৰ পৰা, যিটো ঘোষণা কৰিছিল চৰকাৰে, এই টকাখিনি পৰিশোধ কৰা নাই। যিখিনি বকেয়া ধন মন্ত্ৰী মহোদয়ে ক'লে ৪২.৯০ টকা যিখিনি ধন কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি দিব বুলি কৈছে। এই বকেয়া ধনখিনি চৰকাৰৰ লগত যোগাযোগ কৰি অনতি পলমে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি নতুনকৈ যিটো সিদ্ধান্ত লৈছো, ২৬ টকা ৩৫ পইচা কৈ এইটো ইতিমধ্যে দি আছে, যোৱাকালি ডি চি সকলৰ লগত কথা পাতিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীতেৰছ গোৱালা।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ এটা

অতি গুৰুত্বপূৰ্ণ ব্যৱস্থা, কিন্তু দুখৰ কথা যে, চাহ বাগিছাৰ বহু শ্ৰমিক শ শ শ্ৰমিক এতিয়াও এই কাৰ্ডখন পোৱা নাই। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ জনাও যে, চাহ বাগিছাৰ এই শ্ৰমিক সকলক বিশেষভাৱে বিবেচনা কৰি ৰেচন কাৰ্ড দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহৰ ক্ষেত্ৰত তেনে কোনো সমস্যা সমাধান হোৱা নাই। তথাপিও এই ক্ষেত্ৰত যদি কিবা আছে আপোনালোকৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা যোজনাৰ যিটো দৰিদ্ৰ সীমাৰেখাৰ ৮৪ শতাংশ মানুহৰ চাউল দিয়াৰ ব্যৱস্থা আছে, কিন্তু মোৰ ৰূপহীহাট সমষ্টিৰ বহুতো দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহ বাদ পৰি আছে। উপায়ুক্ত মহোদয়ৰ ওচৰত আবেদন কৰাৰ পিচতো পোৱা নাই। গতিকে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাইছো যিসকল দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোক তেওঁলোকে চাউল পোৱা নাই। আবেদন কৰিছে, সেই সকলক চাউল দিয়াৰ ব্যৱস্থাটো কৰিবনে?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো যিটো আমাৰ continuous process যিসকলৰ নাম কৰ্তন হয় বা যিসকলে নাম surrender কৰিছে, সেই সকলৰ অৰ্থনীতি কি আমাৰ গাওঁৰ জৰিয়তে আৰু বি. ডি অ' ৰ জৰিয়তে এখন সমিতি আছে আৰু সেই সমিতিৰ জৰিয়তে ইতিমধ্যে continuous process ত দি থকা হৈছে। এতিয়া আমাৰ হাতত প্ৰায় তেনেকুৱাকৈ ডেৰ লাখ ব্যক্তিক দিব পৰা প্ৰভিজন আছে। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক যি আহ্বান জনাইছিলো, সেই আহ্বানক সঁহাৰি জনাই প্ৰায় ৫০ হাজাৰতকৈ অধিক ব্যক্তিয়ে তেওঁলোকে ৰেচন কাৰ্ড পৰিহাৰ কৰিছে গতিকে আমি আগন্তুক দিনত নিশ্চিতভাৱে যি continuous system. সেই system ৰ আধাৰত দুখীয়া মানুহ সমূহক দিয়াৰ ব্যৱস্থা কৰিম। যিখিনি আওতাত পৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ৮৩। শ্ৰী জাকিৰ হুছেইন সিকদাৰ। মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰসমূহ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বৰ্তমানলৈ বৰপেটা জিলাত ১৩৭ টা পানী যোগান আঁচনিৰ অনুযোজনাৰ অধীনত আৰু ২২০ টা নতুন পানী যোগান আঁচনিৰ কামৰ আৰণ্টন দিছে আৰু কিছু কাম সম্পূৰ্ণ হৈছে আৰু কিছু কাম চলি আছে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ মোৰ প্ৰশ্ন যে, এই কামৰ যিখিনি দায়িত্ব দিছিল, কোনোবা ঠিকাদাৰ, ফাৰ্ম নাইবা কোম্পেনীক দিছিল। এইখিনি কাক দিছে ক'বলৈ নাযাওঁ। বেছিভাগ আমাৰ মন্ত্ৰী ডাঙৰীয়াৰ বুকুৰ কুটুমেই হয়, এইবিলাকৰ ওপৰত আমাৰ আপত্তি নাই। গতিকে কথা হ'ল যে, কোনে কাম পাইছে আমাৰ তাত ক'বলগীয়া নাই। কাম কেনেকৈ কৰি আছে, সেই কামৰ গুণগত মান কিমান ভাল এইবিষয়ে মাননীয় মন্ত্ৰী ডাঙৰীয়া অৱগত নেকি? আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান থাকিব, অনুৰোধ থাকিব যে বৰপেটা জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জলজীৱনৰ যিখিনি কাম চলি আছে, ১০ শতাংশ কামৰ ওপৰত মন্ত্ৰী ডাঙৰীয়াই তদন্ত

কৰিব নেকি? কাৰণ ইতিমধ্যে বৰপেটা জিলাত ৰাইজৰ ফালৰ পৰা আৰু জনপ্ৰতিনিধিৰ ফালৰ পৰা নিম্নমানৰ কাম হোৱা বুলি অভিযোগ উত্থাপন হৈছে কিন্তু সেই ক্ষেত্ৰত বিভাগে যি ধৰণৰ ভূমিকা ল'ব লাগে, কাম চলি থকা অৱস্থাত বিভাগৰ বিষয়া সকলে কি ধৰণে তদাৰক কৰিব লাগে, গতিকে সেই কথাবিলাক আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা স্পষ্টভাৱে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী আপুনি উত্তৰটো দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যিখিনি কথা আনিছে, মই এতিয়াও অৱগত নহয় যে কামৰ গুণগত মানদণ্ড যে কৰবাত বেয়া হৈছে তথাপিও তেখেতে কৈছে ১০ শতাংশ তদন্ত কৰিব লাগে। নিশ্চিত ৰূপত কাৰণ কিয় আমি এইটো তদন্ত কৰাত কোনো আপত্তি নাই আৰু ইতিমধ্যে আমি বিষয়টো লৈ ইমান সচেতন হৈ আছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেক মাহত এবাৰকৈ সমূহ উপায়ুক্ত সকলৰ লগত executive engineer review কৰে। মই নিজে সদায় whatsApp ত follow কৰো। কোনে কিমান connection দিলে আৰু ইতিমধ্যে আমাৰ সৰুক্ষেত্ৰী সমষ্টিকে আদি কৰি বৰপেটা জিলাত আমাৰ যিমানখিনি achievement এতিয়ালৈকে আমাৰ ৬৫ হাজাৰ ৯ শ ৮২ এইটো আমি achieve কৰিছো। ইতিমধ্যে আমি সংযোগ স্থাপন কৰিছো। তাৰ ভিতৰত সৰুক্ষেত্ৰী সমষ্টিত ইতিমধ্যে আমাৰ ১৮ হাজাৰ ৩ শ ৬১ টা পৰিয়াললৈ connection ৰ কাৰণে আমি পানী পাইপ সংযোগ কৰিছো আৰু তাৰ ভিতৰত গুণগত মানদণ্ডৰ ক্ষেত্ৰত আমাৰ সমস্যাটো কিয় নাহে, যে এইটো আমাৰ কেন্দ্ৰীয় চৰকাৰে কিছুমান নীতি-নিয়ম বান্ধি দিছে যে আমি আগৰ যেনেকৈ Public Health হওঁক বা PWD য়ে নিজাববীয়া কৈ কৰিব পাৰে। তেনেকুৱা system নহয়। আমি ইয়াত প্ৰত্যেকটো বিষয় আনকি আমাৰ যি quality inspection কৰাৰ কাৰণে 3rd party য়ে certified কৰিলেহে আমি তেওঁলোকক payment দিব পাৰো। 3rd Party সমূহ আছে Cipet, PDIL, RIDS এই সমূহে inspection কৰাৰ পাছত আমি তেওঁলোকক payment দিব পাৰো। সেইটো কেৱল পাইপৰ ক্ষেত্ৰতে নহয়। কামৰ ক্ষেত্ৰতো তিনিটা agency আছে, National level ৰ agency কেইটা consultant engineering private limited, Intertek private limited, Bureau veritas Indian private limited এওঁলোকে নিজাববীয়াকৈ inspection কৰে। ইয়াৰ উপৰিও জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কোৱাৰ দৰে ১০ শতাংশ যদি তেনেকুৱা কিবা আছে, যদি specific কৰোবাত আছে, তেতিয়াহ'লে মই তদন্ত কৰি দিব পাৰিম। কিন্তু আজিৰ এই তাৰিখলৈ আৰু যোৱাকালিৰ তাৰিখলৈ আমি অসমত ২১ লাখ ৬৭ হাজাৰ ৬ শ ১৩ গৰাকী পৰিয়ালক আমি পানী সংযোগ দিছো। আনকি ডিগবৈ সমষ্টিত ইতিমধ্যে চাৰিটা স্কীমৰ নতুনকৈ দিয়া পানীৰ কাম আৰম্ভ হৈ গ'ল। গতিকে মই বিধায়ক সকলক আহ্বান জনাইছো, যে আাপোনালোকে ইয়াত সকলো প্ৰয়াস ৰাখিব লাগিব। আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে চব কা চাথ, চব কা বিকাশ, চব কা বিশ্বাস, চব কা প্ৰয়াস। কাৰণ এই যিটো প্ৰয়াস তাৰ কাৰণে এই বিধায়ক সকলক আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। দ্বিতীয় supplementary.

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** তদন্তৰ কথা কৈছে, ভাল পাইছো। সৰুক্ষেত্ৰী সমষ্টিৰ কথা উল্লেখ কৰিছে। এতিয়ালৈকে ইয়াত দুটা পানী যোগান আঁচনিৰ কামৰ আৱণ্টন দিয়া নাই, আশা কৰো সোনকালে দিব। অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি মই জনাব বিচাৰিছো যে, public health department ৰ ওপৰত অসমৰ ৰাইজৰ বেছি ভৰসা

নাই। ইয়াৰ আগৰ ৰেকৰ্ডবোৰ চালে। যিহেতু মাননীয় মন্ত্ৰী ডাঙৰীয়াই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথা কৈছে, কিন্তু আমি জানো কেন্দ্ৰীয় চৰকাৰ, প্ৰধান মন্ত্ৰী, মুখ্যমন্ত্ৰী অসম চৰকাৰৰ জলজীৱনক লৈ যথেষ্ট সচেতন। সেই কাৰণে মই প্ৰশ্ন উত্থাপন কৰিছো যে যি সময়ত দেশৰ প্ৰধান মন্ত্ৰী আমাৰ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰে জলজীৱনক লৈ সচেতন, ঘৰে ঘৰে পানী পাব লাগে কাৰো কোনো ব্যক্তি বা কোনো অনুস্থানৰ দোষৰ কাৰণে মানুহে পানীৰ পৰা বঞ্চিত নহয় নাইবা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ লক্ষ্যৰ পৰা যাতে কোনেও বিচলিত কৰিব নোৱাৰে তাৰ কাৰণে কথাখিনি উত্থাপন কৰিছো। আপোনাৰ জৰিয়তে মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল যে, public health department য়ে এটা আঁচনি সম্পূৰ্ণ কৰাৰ পাছত সেই দায়িত্ব আৰু তেওঁলোকে নলয়। পৰৱৰ্তী সময়খিনিত তাৰ পৰা নিয়মীয়াকৈ পানী পাবলৈ হ'লে নিশ্চিতভাৱে ৰাইজৰ এটা user committee এখন থাকে, তেওঁলোকে দায়িত্ব ল'ব লাগে। কিন্তু সেই দায়িত্ব লোৱা আগে-পিছেও নিয়ম আছিল। কিন্তু সেই নিয়ম থকাৰ পিছতো দেখা যায় বেছিভাগ পানী যোগান আঁচনি বন্ধ হৈ আছিল। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিশেষ ভূমিকা লৈ, অসম চৰকাৰে বিশেষ ভূমিকা লৈ, public health department য়ে বিশেষ ভূমিকা লৈ পানী যোগান আঁচনি ঠিকাদাৰে কাম সম্পূৰ্ণ কৰাৰ পাছত পৰৱৰ্ত্তী সময় খিনিত যাতে নিয়মীয়া পানী পায় তাৰ বাবে মন্ত্ৰী ডাঙৰীয়াই নিশ্চিত কৰক সেয়া আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াক ধন্যবাদ জনাইছো। এটা সুন্দৰ প্ৰসংগ উত্থাপন কৰিছে। কাৰণ পূৰ্বতে যিখিনি public health ৰ স্কীম আছিল,সেইখিনি abandon হৈ গ'ল। Abandon হোৱাৰ মুলগত কাৰণটো হৈছে যে, ৪৫ লাখ টকাৰ এটা স্কীম মানুহৰ এক কঠা বা ২ কঠা মাটিত আমি বনোৱাৰ পাছত users committee য়ে যিধৰণে সহযোগ কৰিব লাগিছিল, সেই সহযোগখিনি আমি পোৱা নাই আৰু নোপোৱাটো স্বাভাৱিক। যিহেতু আমাৰ কমলপুৰৰ দৰে ঠাই আছে দিশপুৰত পাইপটো যদি আমি পুতি দিওঁ, automatically পানী ওলাই থাকে। য'ত পানীৰ সমস্যা আছিল, তাত সেইবোৰ স্কীম চলি আছিল। নাহৰকটীয়াত মানুহে users committee তাহানিৰ পৰা চলাই আছে। এতিয়া আমি সিদ্ধান্ত লৈছো যিহেতু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ আশীৰ্বাদত আমি স্কীমটো পাইছো চাৰিটা বিষয়ত আমি গুৰুত্ব আৰোপ ক ৰিছো, এটা হৈছে quality, quantity, pressure, regularity আমি যিহেতু ৫৫ লিটাৰ বিশুদ্ধ খোৱা পানী treated water দিম। এই পানীখিনি যাতে আমাক এইবাৰ ইমান কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিয়াৰ পাছত পৰৱৰ্তী সময়ত এই টকাটো আমাক কেতিয়াও নিদিয়ে. গতিকে এই আঁচনিসমূহ চলোৱাৰ দায়িত্ব আমাৰ। ৰাইজৰ দায়িত্ব, আমাৰ বিধায়ক সকলৰ আৰু যাৰ কাৰণে আমি insentive এটা দিছো ৫ বছৰৰ কাৰণে. মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মই নিজে জনস্বাস্থ্য কাৰিকৰী আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক একেলগে বহুৱাই এখন কনক্লেভ পাতিছিলো আৰু সেই কনক্লে ভ এতিয়া আমি জিলা ভিত্তিত আয়োজন কৰিম। কাৰণ এই আঁচনিসমূহত ২৪,০০০ স্কীম চলোৱাৰ বাবে তাত যিজন ভলেণ্টিয়াৰ আছে, তেওঁক আমি ৬,৫০০ কৈ টকা দিয়াৰ ব্যৱস্থা কৰিছো। ৫০০ টকাকৈ কেমিকেল, মেইনটেনেঞ্চৰ কাৰণে ১৫০০ টকা দিয়াৰ ব্যৱস্থা কৰিছো আৰু ইলেক্ট্ৰিচিটি বিলৰ ক্ষেত্ৰত আমি ৫ বছৰত ১৪০০০ কৈ টকা প্ৰতিটো স্কীমৰ বিপৰীতে প্ৰতি মাহত দিয়াৰ ব্যৱস্থা কৰিছো। পৰৱৰ্তী সময়ত যাতে এখন Strong User's Committee হয় তাৰলৈ আমি বিধায়ক সকলেও লক্ষ্য ৰাখিব লাগিব। তেতিয়া

আমি সফলতা লাভ কৰিম। অন্যথা তেখেতে যিটো কৈছে আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগত নাই বুলি কোৱা নাই, নাছিল বুলি কৈছে। আমাৰ User's Committee ও হয়তো তেনেকুৱা ধৰণৰ হ'ব আৰু তেতিয়া খুব দুখলগা কাহিনী হ'ব। সেয়েহে বিধায়কসকলক আহ্বান জনাইছো তেখেতসকলে প্ৰত্যেকটো স্কীমৰ কাৰণে পঞ্চায়তৰ লগত কথা পাতি এখন ভাল User's Committee গঠন কৰে আৰু সেইটো হ'লে সফলতা লাভ কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সংখ্যাৰে জিলাসমূহত কিমান কানেকশ্যন দিছে, তেওঁ কৈছে। কিন্তু মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই কানেকশ্যন দিয়াৰ পিছত পানী পাইছে নে নাই? মই জনাত মোৰ সমষ্টিত পানী পোৱা নাই। এই ক্ষেত্ৰত মই ফটোও দেখুৱাব পাৰিম। চকা বাউসী বুলি এখন গাঁও আছে। ইয়াৰ বিষয়ে মন্ত্ৰী মহোদয়ে ভালকৈ জানে। তাত কানেকশ্যন দিছে। কেৱল চকা বাউসীয়েই নহয়, গোটেই সমষ্টিটোতেই পানীৰ কানেকশ্যন দিছে। কিন্তু টেপৰ কুৱালিটি বেয়া আৰু তাত ৰাইজে পানী পোৱা নাই। এই ব্যৰ্থতাটোৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে তদন্ত কৰিব নেকি যে পানী কিয় পোৱা নাই?

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে জানো যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰমোদী ডাঙৰীয়াই আমাক সকলোকে আগন্তুক ২০২৪ চনৰ ৩১ মাৰ্চৰ ভিতৰত এইটো টাৰ্গেট দিছে। যিহেতু এই স্কীমসমূহ খুব ডাঙৰ স্কীম, কাৰণ তেওঁলোকে মাটি খান্দিব লাগিব, পাইপ পুতিব লাগিব, ৰিজাৰ্ভাৰ বহাব লাগিব আৰু ৰিজাৰ্ভাৰ বহুৱা ইণ্ডাষ্ট্ৰীও ইয়াত নাই, বাহিৰৰ পৰা আহে। আমি কৈছো যে কানেকশ্যন কৰা হৈছে। আমাৰ টাৰ্গেট যিহেতু ২০২৪ চনৰ ৩১ মাৰ্চ। সেয়েহে এই ক্ষেত্ৰত তদন্ত কৰিবলগীয়া একো নাই। কিন্তু দ্বিতীয় কথাটো হৈছে যে টেপৰ কুৱালিটি যদি বেয়া মই নিজে তেখেতৰ লগত এই বিষয়ে ইনচ্‌পেকশ্যন কৰিম যে ক'ত বেয়া কোৱালিটিৰ টেপ দিছে? যদি সঁচাকৈয়ে বেয়া কোৱালিটিৰ টেপ দিছে আৰু থাৰ্ড পাৰ্টীয়ে সেইটো ভাল বুলি ৰিপোৰ্ট দিছে তেতিয়া তেওঁলোকৰো চাকৰি যাব। এই বিষয়টো মই নিজে চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই কওক।

**শ্ৰী আবুল কালাম ৰছিদ আলম, (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলজীৱন মিশ্যন (জে জে এম) আঁচনিৰ অধীনত সকলো গাঁওৰ পৰিয়ালসমূহ সামৰি ল'ব। কিন্তু টাউন সমূহৰ কাৰণে কিবা আঁচনি আছে নেকি? ইয়াত নতুনকৈ ২২০ টা স্কীম মঞ্জুৰী পাইছে। ২২০ টা স্কীমৰ ২২০ টা ডি পি আৰ আছে। কিন্তু এই ডি পি আৰৰ লগত প্ৰেক্টিকেল ফিল্ডত মিল নাই। কৰবাত যদি এক কোটি টকাৰ এটা স্কীম আছে, প্ৰেক্টিকেল ফিল্ডত হয়তো ৫০ লাখ টকা আছে আৰু কৰ'বাত হয়তো এক কোটি টকাৰ বেছিও হ'ব পাৰে। কাৰণ ডি পি আৰ সমূহ ইমান খৰধৰকৈ বনোৱা হৈছে যে তেওঁলোকে ফিল্ডত যাব পৰা নাই। ইয়াৰ কোনো ব্যৱস্থা মন্ত্ৰী মহোদয়ে ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁ প্ৰথমে নগৰসমূহৰ বিষয়ে প্ৰশ্ন কৰিছে। এই কথাটো হয়। কাৰণ প্ৰত্যেক

সমষ্টিতে নগৰ আছে আৰু টাউন সমূহৰ মানুহে আমাকো কয় ঘৰে ঘৰে আপোনালোকে খোৱা পানী লিখিছে আৰু আমাক কেতিয়া দিব ? এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে এই আঁচনিখন গ্ৰাম্যাঞ্চলৰ কাৰণে ৰাখিছে আৰু গ্ৰাম্যাঞ্চলৰ ৬৩ লাখ পৰিয়ালক এই কানেকশ্যন দিয়াৰ বাবে সিদ্ধান্ত লৈছে। আমাৰ আগতে কেন্দ্ৰীয়চৰকাৰে নেশ্যনেল ৰুৰেল হেলথ্ মিশ্যন কৰাৰ পিছত তেওঁলোকে নেশ্যনেল হেলথ্ মিশ্যন কৰিছে। অৰ্থাৎ টাউনসমূহকো সামৰি লৈছে। মই ভাবো যে হয়তো কেন্দ্ৰীয় চৰকাৰে তেনেকুৱা এটা আঁচনি ল'ব পাৰে। হয়তো জে জে এম ৰুৰেলৰ নিচিনা জে জে এম আৰ্বান হ'ব পাৰে। আমাৰ টাউনসমূহত খোৱাপানীৰ বহু সমস্যা আছে। সমগ্ৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবে কেন্দ্ৰীয় চৰকাৰে হয়তো ল'ব পাৰিব। আমাৰ ফালৰ পৰাও কেন্দ্ৰীয় চৰকাৰক আবেদন জনাম যে নগৰ অঞ্চলতো এই আঁচনিখন হ'লে ভাল হ'ব। ডি পি আৰ আমাৰ টেক্‌নিকেল বিষয়।ডি পি আৰৰ ভাল বেয়া কোনো কথা নাই। আমি ডি পি আৰ মতে কাম কৰিব লাগিব। কিবা কাৰণত যদি ডি পি আৰ বেয়া হয়, তাত পানী নোলায় আৰু অসুবিধা হ'ব। সম্পূৰ্ণ দায়িত্ব থাৰ্ড পাৰ্টীৰ হ'ব। ডি পি আৰ কেনেকৈ বনায় সেইটো থাৰ্ড পাৰ্টীৰ কথা । আমাৰ কথা হৈছে যে মানুহৰ ঘৰত কানেকশ্যন পাব লাগে, নিয়মীয়া হ'ব লাগে, ফ্ৰীকুৱেণ্ট প্ৰেচাৰ থাকিব লাগে। আমি এইখিনিৰ ওপৰতে বেছি গুৰুত্ব আৰোপ কৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। জলজীৱন মিশ্যনৰ বিষয়টো খুবেই গুৰুত্বপূৰ্ণ আৰু সন্মানীয় সদস্যই যিটো কথা কৈছে, সেইটো হয়। খৰধৰৰ বাবে স্পটত নাযায়। মোৰ সমষ্টিৰ এখন স্কুলত দমকলত পানী নোলায় আৰু কোৱা হ'ল যে স্কুলে দমকল দিছে সেয়েহে আমি তাত জলজীৱন মিশ্যনৰ অধীনত কাম কৰা নাই। স্কুলে ক'লে তেওঁলোকে এই বিষয়ে নাজানে। যদিও দমকল আছে, কিন্তু তাৰ পৰা পানী নোলায়। এতিয়া নতুন দমকলৰ বাবে এষ্টিমেটত পইচা নাই আৰু বিভাগে বনাব নোৱাৰে। এনেকুৱা ধৰণৰ বহু ঘটনা আছে। সেইসমূহ আমি কেনেকৈ সমাধান কৰিব পাৰো সেই বিষয়ে বিবেচনা কৰিব লাগে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা সুন্দৰ ব্যৱস্থা কৰিছে যে যিমানবোৰ অসমত অংগনবাড়ী চেণ্টাৰ আৰু এল পি স্কুল আছে, আমি ডাইৰেক্ট মটৰেৰে, সৌৰশক্তি বা ইলেক্ট্ৰিচিটিৰে পানীযোগানৰ ব্যৱস্থা কৰা হ'ব। এতিয়া দমকলৰ কনচেপ্টটো উঠাই দিয়া হৈছে। আপুনি যদি স্কুলখনৰ নামটো কয় মই ২৪ ঘণ্টাৰ ভিতৰতে ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** চুকলাই হাইস্কুল। আপুনি বিভাগৰ লগত কথা পাতি বিষয়টো চাব। পৰৱৰ্তী প্ৰশ্ন কৰিম উদ্দিন বৰভূঞা ডাঙৰীয়াই ক'ব।

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কৰিম উদ্দিন বৰভূঞা (সোণাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি চাৰি বছৰ হ'ল ৩০-১২-২০১৮ তাৰিখে সমাজ কল্যাণ বিভাগে বিকলাংগ সকলৰ বাবে ইণ্টাৰভিউ পাতিছিল। ১০,০৭৭ জন বিকলাংগ যুৱক-যুৱতীয়ে চতুৰ্থ বৰ্গৰ পদৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। কিন্তু আজিলৈকে ফলাফল ঘোষণা কৰা হোৱা নাই। অসম চৰকাৰে আসাম ইউনিভাৰ্চিটি পৰীক্ষাটো পাতিবলৈ দিছিল। কিন্তু দুখৰ কথা যে বিকলাংগ মানুহখিনিৰ বাবেও চৰকাৰৰ কোনো দায়িত্ব জ্ঞান নাই। ইয়াত আচৰিত উত্তৰ দিয়া হৈছে যে আসাম ইউনিভাৰ্চিটিয়ে এতিয়াও ফলাফলটো ঘোষণা কৰা নাই। ইয়াত চৰকাৰৰ কোনো দায়িত্ব নাই নেকি ? মই কোনো নৰ্মচৰ কথা কোৱা নাই। মই আহ্বান

কৰিছো যে এই বিকলাংগ মানুহখিনিক লৈ চৰকাৰ চিৰিয়াচ হ'ব লাগে আৰু সদনত এটা সিদ্ধান্ত ল'ব লাগে যে এক মাহৰ ভিতৰত ফলাফল ঘোষণা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, উত্তৰ দিয়ক।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, সমাজকল্যাণ, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ আমিও চিন্তিত আৰু ময়ো বহুবাৰ আলোচনা কৰিছো। বিশেষকৈ গুৱাহাটী ইউনিভাৰ্চিটিৰ লগত যোগোযোগ কৰিবৰ বাবে মই বিষয়াসকলক নিৰ্দ্দেশ দিছো আৰু গুৱাহাটী ইউনিভৰ্চিটিৰ ৰিপোৰ্টটো পোৱাৰ লগে লগে মই গোটেই কথাখিনি জানিবলৈ চেষ্টা কৰিম। তাৰপিছত যেনেধৰণে ব্যৱস্থা ল'ব লাগে সেই ধৰণে ব্যৱস্থা ল'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আব্দুৰ ৰছিদ আহমেদ ডাঙৰীয়াই কওক।.

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়ানীক সুধিব খুজিছো যে কিছুদিন আগত সমাজ কল্যাণ বিভাগত বিকলাঙ্গ মানুহখিনিৰ üßÁýÃõÂþ ßÁ±Ë îî ÃËû ±ßÁ ÂËÂ wheel chair ৰ ব্যৱস্থা কৰা হৈছে। কিন্তু এই wheel chair ৰ সংখ্যা একেবাৰে কম। আমি প্ৰতিখন সমষ্টিত মাত্ৰ ১০ খনকৈ পালো। বহু বিকলাঙ্গ মানুহে ইয়াৰ বাবে আবেদন কৰিছিল। গতিকে মই এই wheel chair বঢ়াই দিয়াৰ বাবে মাননীয় মন্ত্ৰীক আবেদন জনালো। দ্বিতীয়তে, আজি অৰুণোদয়ৰ দৰে এটা বিশেষ হিতাধিকাৰী আঁচনি বিকলাঙ্গ লোক সকলৰ কাৰণেও ল'ব পাৰি নেকি, কাৰণ সেই লোকসকলক যদি মাহিলী ১০০০-২০০০ টকা দিব পৰা যায় মোৰ বোধেৰে সেইটো ডাঙৰ কল্যাণৰ কাম হ'ব। তেতিয়া নিশ্চয় শাৰিৰিকভাৱে অক্ষম লোক সকলে আপোনালোকক দোৱা আৰু আশীৰ্বাদ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী মতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধায়ক ডাঙৰীয়াক তেখেতে যিখিনি প্ৰশ্ন শুধিছে তাৰবাবে ধন্যবাদ জ্ঞাপন কৰিছো। এই দিব্যাংগ সকল আমাৰ সমাজৰ এটা অঙ্গ আৰু মোদী ডাঙৰীয়াই সেই কাৰণে তেখেত সকলক physically disable বুলি কোৱাৰ পৰা বিৰত থাকি দিব্যাংগ বুলি কৈছিলে। সেই কথাখিনি আমি সকলোৱে মনত ৰাখিব লাগিব আৰু যিটো wheel chair ৰ কথা কৈছে আগতে বিভিন্ন ধৰণৰ কেম্প পাতি জিলাসমূহত দিয়ে। তেনেকুৱা এটা প্ৰচেষ্টা আমাৰ হাতত আছে। যোৱাবাৰ যেতিয়া আমি world disabled day পাতিছিলো তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা ঘোষণা কৰিছিলে যে যিমান physically disable মানুহ আছে তেওঁলোকৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এইবাৰ বাজেটত আমি তেওঁলোকৰ বাবে ২১ কোটি টকা ধাৰ্য্য কৰিছো যাতে এই physically disable মানুহখিনিক যি wheel chair বা অন্যান্য সা-সুবিধা লাগে তাৰবাবে স্বচ্ছভাৱে ব্যৱস্থা গ্ৰহণ কৰিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, মই পুনৰবাৰ কৈছো যে এই দিব্যাংগ সকলৰ যি ৫১১ টা পদ আছে, এইটো আমাৰ কাৰণেও চিন্তাৰ বিষয় যে কিহৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয় এই পদ কেইটাৰ result দিয়া নাই। তেওঁলোকৰ হয়তো কিবা ভিতৰুৱা সমস্যা আছে। মাজতে তেওঁলোকৰ কিবা এটা inquiry চলি আছিল। মই তেওঁলোকৰ লগত যোগাযোগ কৰি আছো। গতিকে মই সদনত পুনৰ ক'ব বিচাৰিছো যে we are very serious আৰু মই শীঘ্ৰে বিষয়া সকলৰ লগত আলোচনা কৰি যাতে এই পদ সমূহৰ result সোনকালে দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দিব্যাংগ সকলক চৰকাৰে দুটা ভাগত

ভাগ কৰিছে -Skilled আৰু Un-skilled আৰু যিসকল Skilled আছে তেওঁলোকক ২০ হাজাৰ টকা বা কিবা সংস্থাপন দিয়াৰ কথা আছিল আৰু তাৰকাৰণে কিছুমান তালিকাও বিচাৰিছিল। কিন্তু দেখা গল যে এতিয়াও physically disable skilled মানুহ বাদ পৰি আছে আৰু Un-skilled সকলকো সাঙুৰি কল্যাণমূলক কিবা কাম কৰিব পৰা যাব নেকি। এই বিষয়ে চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী মতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধায়ক ডাঙৰীয়াক ধন্যবাদ জনাইছো তেখেতে এইখিনি কথা চিন্তা কৰাৰ কাৰণে। আমি যেতিয়া বিভিন্ন সংগঠনৰ লগত আলোচনা কৰিছিলো তেতিয়া তেওঁলোকে কৈছিলে যে তেওঁলোকে পাবলগীয়া এই যি ২০,০০০ টকাৰ rehabilitation package পূৰণা কিছুমানে পাবলৈ বাকী আছিল। এইবাৰ সেইকাৰণে মই বাজেটত আগতে যিখিনি বাজেটত পুঁজি ধাৰ্য্য আছিলে তাতকৈ দুগুণ ধন ৰাখিছো আৰু আশা কৰিছো কিছু সংখ্যক লোকক আমি এই পুঁজিৰ আঁচনিৰ অন্তৰ্গত কৰি কিছু সকাহ দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৮৫, কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী মতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো যদিও সন্তুষ্ট হোৱা নাই। মোৰ বাউদেউৰ ওচৰত এইটোৱে প্ৰশ্ন আছিলে যে ধেমাজি, বঙ্গাইগাওঁ আদি কৰি ঠাইত প্ৰতিমাহে বা সপ্তাহে কেবিনেট বৈঠক হয়। এই যে মন্ত্ৰী সভাৰ যিবিলাক খৰছ হয়,আমি আগতেও কৈছিলো যে যিবিলাক political tourism চলি আছে তাত যিবিলাক খৰচ হয়, সেইটো আমি কমাই বিদ্যুৎ ফ্ৰি দিয়ে তেতিয়া ভাল হয়। দিল্লীয়ে যেনেকৈ ২০০ unit বিদ্যুৎ ফ্ৰি দিয়ে, পাঞ্জাৱে যেনেকৈ ৩০০ unit বিদ্যুৎ ফ্ৰি দিয়ে এইখিনিয়ে প্ৰায় ৭০ শতাংশ মানুহ কভাৰ কৰিছে। কিন্তু আমি মাত্ৰ ৪ শতাংশ মানুহ কভাৰ কৰিছো। সেয়েহে আমাৰ এই যে পইচা সমূহ খৰছ হৈ আছে ------interruption--------I'm just giving an instance.বেলেগ বেলেগ ৰাজ্যসমূহে যদি পাৰে তেতিয়াহ'লে আমাৰ এই যি সমূহ পইচা extra খৰচ হৈ আছে সেই সমূহ কৰ্তন কৰি মানুহক সকাহ দিবলৈ যদি ২০০ unit বিদ্যুৎ ফ্ৰি দিওঁ তেতিয়াহ'লে আমাৰ প্ৰায় ৭০ শতাংশ মানুহ কভাৰ হ'ব। সেইকাৰণে এই ক্ষেত্ৰত ব্যৱস্থা ল'ব নেকি? মোৰ আন এটা প্ৰশ্ন আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ second supplementary আছে। মাননীয় মন্ত্ৰী মহোদয়ে এটাৰ উত্তৰ দিলে হ'ব। ------interruption--------

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২৩,৬১১ কোটি টকাৰ ঋণ লৈ পেলাই যদি মই মৰিবলগা হয় ------interruption--------

**শ্ৰী মতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত যেতিয়া প্ৰশ্ন কৰে আমিও তেতিয়া পঢ়াশুনা কৰি আহো। এই সদনত মই দেখিছো যে আমাৰ মানদণ্ড কমি গৈছে। তেতিয়াহ'লে প্ৰশ্নবোৰ শুধিব নালাগে। আমি লিখিতভাৱে উত্তৰ lay কৰি দিম। আজি সদস্যগৰাকীয়ে যিটো কথা শুধিছে, আপোনাৰ concern টো হৈছে যে কিমান ব্যয় হৈছে। ইয়াত দুটা কথা আছে। আজি যে আমি ধেমাজিত মন্ত্ৰী সভা গলো, আগতে যোৱা নাছিলে। আমাৰ মাজত যিটো gap আছিলে সেইটো নাইকীয়া হোৱা নাই জানো অধ্যক্ষ মহোদয়? আজি যে

আমি এই কেবিনেট বৈঠক সমূহ পাতিছো it is connectivity.আমি ধেমাজি দেখিলো, তাৰ ফলত ধেমাজিয়ে কি লাভ কৰিলে? আমি ধেমাজিৰ infrastructure দেখিলো, তাৰ ফলত তাৰ infrastructure gap টো নোহোৱা হৈছে। আমি কাৰ্বি আংলং লৈও গলো। তাৰ ফলত কাৰ্বি আঙলংৰ প্ৰতি আমাৰ যিটো ধাৰণা আছিলে সেইটো সলনি হ'ল, আমি উত্তৰ কাছাৰ পাহাৰ লৈ গলো তাতো আমাৰ যিটো ধাৰণা আছিলে সেইটো সলনি হ'ল। আজি মানুহে আস্থা প্ৰকাশ কৰিছে যে আমি যি বৰাক ব্ৰহ্মপুত্ৰৰ কথা মুখেৰে কৈ থাকো, সঁচা অৰ্থত এতিয়া সংযোগ স্থাপন হৈছে আৰু তেখেতে যিটো প্ৰশ্ন কৰিছে যে কিমান ব্যয় হৈছে, আজি মোৰ হাতত তথ্য এতিয়ালৈ অহা নাই কিন্তু খুব বেছি ১০-২০ লাখ টকা ব্যয় হ'ব। আপুনি যিটো কৈছে যে ২০০ unit বিদ্যুৎ ফ্ৰি দিয়াৰ কথা সেয়া আমি দিব নোৱাৰো। তেখেতে আচলতে যিটো খৰচ হৈছে সেইটো নহয়, ইয়াৰ দ্বাৰা এটা অঞ্চল কিমান লাভান্বিত হৈছে সেয়া চাব লাগিছিল। সেইখিনি কথা চাবলৈ মই আপোনালোকক অনুৰোধ জনাইছো। আপুনি যি প্ৰশ্ন শুধিছিলে তাৰ উত্তৰত আপুনি সন্তুষ্ট হ'ব নোৱাৰিলো বুলি কৈছে। এতিয়া আপুনি জনমুৰি আয়ৰ কথা যি কৈছে, বেলেগৰ লগত আপুনি যি তুলনা কৰিছে, পাঞ্জাৱৰ per capita debt কিমান? পাঞ্জাৱৰper capita debt হৈছে ৭৮,৬২৬, ৰাজস্থানৰ ৪৩,৭৪৩, পশ্চিমবঙ্গৰ ৪৩,১২৮। গতিকে আমাৰো per capita debt আজি বৃদ্ধি হৈছে কালি কমি যাব। এইটো constant নহয়। সেইকাৰণে কৈছো যে আপুনি negative কথাবিলাক নানিব। যোৱাকালি মই বাজেটৰ উত্তৰত কৈছোৰেই যে আপোনালোকে খিৰিকীখন খুলি দিয়ক। অন্ততঃ আমি কৰা ভাল কামখিনি আপোনালোকে চাবলৈ যত্ন কৰক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ------interruption--------

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নবিলাক to the point কৰিব লাগে। Seriously প্ৰশ্নটো কৰক। মই আপোনাক আগতেই কৈছো যে আপোনাৰ second supplementary আছে।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মানদণ্ডৰ কোনো কথা নাই। য'ত য'ত মিটিং হ'ব অকল তাতহে development হ'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মিটিঙৰ লগত আপোনাৰ প্ৰশ্নটোৰ সম্পৰ্ক নাই। আপুনি বাহিৰৰ কথা কৈ আছে। শ্ৰী আমিনুল ইছলাম। ------interruption--------আপুনি কথাটো চিধাকৈ নক'লে আপোনাক কিয় মই ক'বলৈ সুবিধা দিম? আপুনি related প্ৰশ্ন কৰক। বাহিৰা কথা ক'ব নালগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, **এই যে ফাণ্ডখিনি দিব পৰা নাই** ------interruption-------আমাৰ প্ৰশ্ন কৰাৰ অধিকাৰ নাই নেকি? এইটো related হয়। ---হুলস্থুল----------

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী ,সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মইও কেবিনেটৰ সদস্য। কেবিনেটৰ মিটি ং আমি য'ত য'ত কৰিছো - আমাৰ চাৰ্কিট হাউচটোৰ ৰিপিয়েৰিঙৰ বাহিৰে একো খৰচ হোৱা নাই। চাৰ্কিট হাউচতো আপোনালোকেও থাকে। কৰিমগঞ্জৰ চাৰ্কিট হাউচটো যদি ৰিপিয়েৰিঙ কৰো আপুনি বেয়া পাব নেকি? ধেমাজী চাৰ্কি ট হাউচত আপোনালোকে গৈ নাথাকিব নেকি? হাফলঙৰ কেবিনেটত আমি কৈছিলো যে, খানাটোত এবিধ মাছ, এবিধ মাংস আৰু এবিধ মিঠাই থাকিব। আমি অসমীয়া মানুহ অতিথিপৰায়ণ, সেই বাবে ক'বাত গ'লে খানা ভালকৈ দি আপ্যায়ণ কৰে। কিন্তু এইখিনিও কাৰোবাৰ চকুত লাগিল, গতিকে আমিতো এনেও খানা তেনেকৈ নাখাওঁ, গতিকে কেবিনেট মিটিঙত এবিধ মাছ, এবিধ মাংস আৰু

এবিধ মিঠাই থাকিব।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ চাৰ্কিট হাউচৰ বাহিৰে এক টকাও খৰচ নহয় বুলি যে কৈছে , খানাত কি টকা খৰচ নহয় নেকি?

হুলস্থুল- বাদ- বিবাদ

**মাননীয় অধ্যক্ষ ঃ** হ'ব । বহক আপোনালোক । এল ও পিয়ে কৈছে শুনক ।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন সেই সন্দৰ্ভত দুটামান উত্তৰ প্ৰয়োজনীয় আছিল কাৰণ আগতে ঘোষণা কৰা হৈছিল আমাক প্ৰতিবছৰে বেছিকৈ দিব । এইবাৰ কম হৈছে আৰু গোটেই কেইগৰাকী বিধায়কো পোৱা নাই চাগৈ, দ্বিতীয়তে - কেবিনেট হ'লেহে চাৰ্কিট হাউচ ৰিপিয়েৰিং হ'ব লাগে এনেকুৱা নহয় অধ্যক্ষ মহোদয়। মই বহু কেইবাৰ পত্ৰ লিখিছো বিভাগলৈ- আমাৰ নাজিৰা চাৰ্কিট হাউচটো বনাওঁতেই বেয়াকৈ বনালে । মই ইয়াৰ এনকোৱাৰীও বিচাৰিছিলো কিন্তু হোৱা নাই। এতিয়া কোনো এটা ৰুমতে অতিথি থাকিব নোৱাৰে। বোকাখাতৰ ডাক বঙলাটোও বেয়া, এনেধৰণৰ কথা আছে অধ্যক্ষ মহোদয়। গোটেইখিনি ভাল হ'ব লাগে।

শাসকীয় দল আৰু বিৰোধী দলৰ মাজত কথাৰ কটা কটি

হুলস্থুল- বাদ- বিবাদ

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** আপোনালোকে বেছি কথা নক'ব । অধ্যক্ষ মহোদয়, শিলচৰৰ পৰা কৰিমগঞ্জলৈকে যাবলৈ আগতে ৬ ঘন্টা লাগিছিল, কিন্তু এতিয়া ১ ঘন্টা লাগে। ৰাস্তাটো আমাৰ দিনত হৈছে। আপোনালোকে কি কৰিছিল?

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, শিৱসাগৰত কেবিনেট নহ'লে চাৰ্কিট হাউচটো ৰিপিয়েৰিঙ নহ'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** হৈছে - বহক । মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, চাৰ্কিট হাউচৰ কথা ক'বলৈ গৈ ৰাস্তাৰ কথা কৈছে। ক'বলৈ একোয়ে নাই । আমাৰ প্ৰশ্ন সোধাৰ অধিকাৰ আছে। আমি প্ৰশ্ন কৰিম। এইটো ডেমোক্ৰেচী।

**মাননীয় অধ্যক্ষ ঃ** বহক বহক । যেনেকৈ আপুনি সুধিছে তাৰ উত্তৰো দি আছে।

কথাৰ কটা কটি - বাদ-বিবাদ

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ অমূল্য সময় নষ্ট কৰি আছে।

**শ্ৰীঅখিল গগৈ (শিবসাগৰ) ঃ** এনেকৈ হেঁচা মাৰি ধৰিলে নহ'ব দেই । আপোনালোকে বিৰোধী দলক এনেকৈ কিয় হেঁচা মাৰি ধৰেহে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব- হ'ব । সন্মানীয় সদস্য । বহক আপোনালোক । শুনক

( বিৰোধী দলে সাময়িকভাৱে সদনৰ পৰা ওলাই যায়)

শাসকীয় দলে 'ভাৰত মাত কী জয়.' বুলি জয়ধ্বনী দিয়ে ।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্যসকল, এইখন হাউচত আমি সকলোৱে দায়বদ্ধতা লৈ আহিছো। মোতকৈও আপোনালোক বহু কেইগৰাকী ছিনিওৰ , মোতকৈ জ্ঞানী। মোৰো বেয়া লাগে কিন্তু তথাপিও প্ৰাথমিক স্কুলৰ শিক্ষকৰ দৰে ক'বলগীয়া হয় এইখন চেয়াৰত বহাৰ কাৰণে। চাওঁক পাৰ্টিৰ লিডাৰে যেতিয়া কথা কয় তেতিয়া বাকীসকলে শুনিব লাগে। নিজৰ লিডাৰৰ কথা যদি

নুশুনে তেনেহ'লে চণ্ডালিব কোনে? দুয়ো পক্ষৰে, যদি পালিয়ামেন্টৰী এফিয়াৰচে কয় বা এল ও পিয়ে কয় বা পার্টিৰ চেক্ৰেটাৰী বা চীফ হুইপে কয়, তেতিয়া আন আন সন্মানীয় সদস্যসকলে শুনিব লাগে। যদি কোনোৱে এই নিয়ম মানিব নিবিচাৰে তেনেহ'লে চেয়াৰে হাউচ চলাব নোৱাৰে। বিভিন্ন ইছ্যুত ৰিয়েকশ্যন হয় কিন্তু তেনেধৰণৰ কথা নহয় যে সেইটো লৈয়ে সদনত পৰিবেশটো নষ্ট কৰিব। সেইটো হোৱাটো দূৰ্ভাগ্যজনক, গতিকে পৰৱৰ্ত্তী সময়ত সেইটো যাতে নহয় আমি সকলোৱে চাব লাগে। সময়খিনি বহু মুল্যবান , বহু গুৰুত্বপূৰ্ণ প্ৰশ্ন ইয়াত আছিল কিন্তু তৰ্ক-বিতৰ্ক আৰু হুলস্থূলত আমাৰ সময়খিনি গুছি গ'ল।

( বিৰোধী দলৰ সদনত প্ৰবেশ)

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** সদন কি অকল আপোনালোকৰ নেকি। আমাৰ ইয়াত অধিকাৰ নাই নেকি?

**মাননীয় অধ্যক্ষ ঃ** হ'ব - কাজিয়া- পেচাল কৰিব নালাগে। আপোনালোক সকলোৱে চাইলেন্ট থাকক । কাজিয়া কৰাৰ বাবে সদন নহয় ।

( শাসকীয় দল আৰু বিৰোধীৰ মাজত বাদ-বিবাদ )

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** অধ্যক্ষ মহোদয়, মোৰ চাপ্লিমেন্টৰীটো ক'বলৈ দিয়ক ।

**অধ্যক্ষ মহোদয় ঃ** আপুনি কওঁক ।

. **শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** অধ্যক্ষ মহোদয়, সুহৃদ স্কীমত ২০২১-২২ বৰ্ষত কোনো বাজেট ধৰা নাই। কিন্তু প্ৰশ্নটো হ'ল ২০২০-২১ বিত্তীয় বৰ্ষত প্ৰথম কিস্তিৰ ২৫ লাখ টকা গৈছিল কিন্তু দ্বিতীয় কিস্তিৰ টকা এতিয়ালৈকে যোৱা নাই। আৰু আনটাইড ফাণ্ডৰ যিটো মিনিমাম দিয়া হৈছিল আগতে সেইটো দিবনে নাই?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়ানীয়ে উত্তৰ দিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, গোটেই কথাখিনি মই নোট কৰি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কোৱেশ্বন আৱাৰ অভাৰ। এতিয়া আছে ' মেম্বাৰচ আৱাৰ', আমাৰ সন্মানীয় নতুন বিধায়কসকলৰ সময় এতিয়া- প্ৰথমে আছে ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়া।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, কোৱেশ্বন আৱাৰৰ সময় শেষ হোৱা নাই, সময় ১ মিনিট আছে।

**মাননীয় অধ্যক্ষ ঃ** নাই সময় শেষ হৈছে । এতিয়া ধৰ্মেশ্বৰ কোঁৱৰ ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই খিলঞ্জীয়া আৰু জনজাতী বিশ্বাস তথা সাংস্কৃতিক বিভাগৰ ওপৰত দু-আষাৰ ক'বলৈ আগবাঢ়িছো। ১২২৮ চনৰ পৰা ১৮২৬ চনলৈ প্ৰায় ৬০০ বছৰ ধৰি ৰাজত্ব কৰি সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা আহোমসকলৰ ইতিহাসত চৰাইদেউৰ স্থান সুকীয়া। আজি পবিত্ৰ সদনত ক'বলৈ পাই সুখী অনুভৱ কৰিছো।

অধ্যক্ষ মহোদয়, কিয়নো আজি এই সময়ত অৰ্থাৎ প্ৰতি ফাগুন মাহৰ কৃষ্ণচতুৰ্থীৰ দিনা আহোমৰ প্ৰথাৰে চৰাইডেউ মৈদাম স্থলিত স্বৰ্গদেউ সকলক স্মৰণ কৰি ৪২ খন শৰাই আৰু ৪২ গছি চাকি প্ৰজ্বলনেৰে অৰ্পণ কৰা হয়। এই মুহূৰ্তত চৰাইদেউত তৰ্পন কাৰ্য্য চলি আছে আৰু এই মুহূৰ্ততে মই আহোম সাম্ৰাজ্যৰ কৃতিচিহ্ন সংৰক্ষণ আৰু সৌন্দৰ্য্য বৰ্দ্ধনৰ বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। এই অনাহতে আহোম স্বৰ্গদেউ সকলৰ চৰণত সেৱা নিবেদিছো। তেখেত সকলৰ আশীৰ্বাদ কামনা কৰি চাওলুং চ্যুকাফাৰ সাত ৰজাক এক কৰি

৬০০ বছৰ  ৰাজত্ব কৰি সমন্নয়ণৰ বাৰ্তা দি যোৱাৰ আদৰ্শক সকলোকে গ্ৰহণ কৰিবলৈ আহ্বান জনালোঁ।

অধ্যক্ষ মহোদয়, আমাৰ অসম ৰাজ্যৰ নৱগঠিত চৰাইদেউ জিলা। আহোম সকলৰ ৰাজত্বৰ স্বাক্ষৰ বহনকাৰী আহোমৰ প্ৰথম স্থায়ী ৰাজধানী 'চে ৰাই ডয়'। অসমৰ বিশিষ্ট বুৰঞ্জীবিদ ড০ লীলা গগৈ ডাঙৰীয়াই তেখেতৰ 'টাই সংস্কৃতিৰ ৰূপৰেখা' নামৰ গ্ৰন্থখনত 'চে ৰাই ডয়' শব্দৰ পৰা চৰাইদেউ  হৈছে বুলি কব খোজে। স্বৰ্গদেউ চাওলুং চ্যুকফাই প্ৰতিষ্ঠা কৰা ৰাজধানী খন স্বৰ্গদেউ ত্যাওখামতিৰ দিনলৈকে চৰাইদেউতে আছিল। স্বৰ্গদেউ চাওলুং চ্যুকফাৰ দিনৰ পৰা স্বৰ্গদেউ ত্যাওখামতি দিনলৈকে ৰাজধানী হৈ থকা চৰাইদেউ অসম ৰাজ্যৰ ৰাজনীতি, অৰ্থনীতি সাহিত্য সংস্কৃতি সকলোৰে সাক্ষী  আছিল।

অধ্যক্ষ মহোদয়, প্ৰথম ৰাজধানী হিচাপে চৰাইদেউ আহোম সকলে অতি পবিত্ৰ ঠাই হিচাপে জ্ঞান কৰিছিল। তেওঁলোকে বিভিন্ন ধৰণৰ ধৰ্মীয় কাম কাজ আৰু ৰাজকীয় নীতি নিয়ম বিলাক চৰাইদেউতে সমাপন কৰিছিল। প্ৰাক আহোম যুগত ঠাইখন বৰাহী সকলৰ পবিত্ৰ তীৰ্থস্থান আছিল  চৰাইদেউ। চ্যুকফা অসমলৈ অহাৰ সময়ত বৰাহী ৰজাই তেওঁলোকৰ দেওথকা ঠাইতে নগৰ কৰিবলৈ  ভাল বুলি আহ্বান জনোৱা বৰ্তমানৰ চৰাইদেউ স্বৰ্গদেউ ডা-ডাঙৰীয়া আৰু ৰাজপৰিয়ালৰ লোক সকলৰ মৈদাম দিয়া স্থান হিচাপে জনাজাত। সিংহাসনত বহা স্বৰ্গদেউ জনৰ মৃত্যু য'তেই নহওঁক কিয় তেওঁলোকৰ শৰদেহ আনি চৰাইদেউতে মৈদাম দিয়া হৈছিল।

অধ্যক্ষ মহোদয়, আহোম সকলৰ বাবে অতি পবিত্ৰ ঠাই চৰাইদেৱে বহু সময়ত প্ৰত্যাহ্বানৰ মুখা-মুখি হোৱাও পৰিলক্ষিত হৈছিল। আহোম স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়া সকলৰ মৈদামবোৰ ধন সম্পত্তিৰ আশাত যুগে যুগে বহু দুষ্ট লোকে লুটপাত চলোৱা দেখা গৈছিল। চিহাবুদ্দিন তালিচৰ বিৰৰণী মতে মোগল সেনাপতি মিৰজুমলাই চৰাইদেউ বহু মৈদাম খান্দি বহু মূল্যবান ধন সম্পত্তি হস্তগত কৰিছিল। মানৰ আক্ৰমণৰ সময়তো বহুতো মৈদামত লুটপাত চলোৱা হৈছিল। ব্ৰিটিছ শাসন কালতো বহু কেইটা মৈদাম খান্দি ধন সোণ হস্তগত কৰাৰ তথ্য পোৱা যায়।  এইবোৰে চৰাইদেউৰ ঐতিহ্যক যথেষ্ট পৰিমানে ম্লান পেলাইছিল।

অধ্যক্ষ মহোদয়, বিশ্বৰ অন্যতম এটি আশ্চৰ্য্যকৰ মিছৰৰ পিৰামিডতকৈ কোনোগুণে কম নোহোৱা চৰাইদেউৰ শ শ মৈদাম সমূহৰ স্থানীয় প্ৰাচীন কৃৰ্তিচিহ্ন সমিতি আহোম স্বৰ্গদেউ সকলৰ তৰ্পন সমিতি (যিয়ে আজি তৰ্পন অনুষ্ঠান আয়োজন কৰিছে) আৰু উন্নয়ন সমিতিৰ তৎপৰাত আৰু সদিচ্ছাৰ বাবে ৰক্ষণাবেক্ষণৰ  বহু চেষ্টাৰ ফলত ঐতিহাসিক মৈদাম সমূহ জৰাজীৰ্ণ ৰূপৰ পৰা ৰক্ষা কৰাৰ লগতে বে-দখল মুক্ত কৰা গুৰুত্বপূৰ্ণ পদক্ষেপৰ বাবেহে কিছু অংশ ৰক্ষা কৰি ৰাখিব পাৰিলে।

অধ্যক্ষ মহোদয়, পৰৱৰ্তী সময়ত অসম ৰাজ্যিক পত্নতত্ব বিভাগে মৈদাম স্থলিৰ কেইটামান মৈদাম সংৰক্ষণৰ আওতাত লয়। এই এলেকাৰ প্ৰায় ৫৭৪ বিঘা এটা অংশ ৰাজ্যিক পত্নতত্ব বিভাগ আৰু আন এটা অংশ কেন্দ্ৰীয় পুৰতত্ব বিভাগৰ সংৰক্ষণত আছে।

অধ্যক্ষ মহোদয়, চৰাইদেউ মৈদাম সমূহৰ উপৰি পাহাৰৰ আটাইতকৈ ওখ টিলাটোত আহোম স্বৰ্গদেউ সকলৰ পূজা সেৱাৰ থলী দেওশালখন অৱস্থিত। উক্ত দেওশালৰ কাষত থকা ওখ টিলাটোত গদাধৰ সিংহই লাংকুৰি দল নামেৰে এটি দল নিৰ্মাণ কৰিছিল। চৰাইদেউতে ঐতিহাসিক ধোদৰ আলিৰ দক্ষিণ পাৰে প্ৰায় ৭ পুৰা মাটি সামৰি শ ধোৱা পুখুৰী আৰু ধোদৰ আলিৰ উত্তৰ পাৰে পেটুধোৱা পুখুৰী অৱস্থিত। ৰজাঘৰীয়া লোকৰ শৰদেহ মৈদামস্থ কৰাৰ পূৰ্বে শ

ধোৱা পুখুৰীত পুৰোহিতে মৃতকক গা ধুৱাইছিল। এই সমূহৰ উপৰি আৰু বহুকেইটা ঐতিহাসিক কীৰ্তিচিহ্ন পুখুৰী, মঠ মন্দিৰ, ৰমনী আলি, ৰহদৈ আলিৰ লগতে ৬০০ বছৰীয়া আহোম ৰাজ বংশৰ বহু সাক্ষী স্বৰূপ ৰংঘৰ, কাৰেংঘৰ, শিৱদৌল, জয়দৌল আদিকে সামৰি বহু সৰু বৰ মৈদাম শিৱসাগৰ আৰু চৰাইদেউ জিলাত অৱস্থিত।

অধ্যক্ষ মহোদয়, চৰাইদেউ মৈদাম সমূহ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ সাম্ভব্য তালিকাত অন্তৰ্ভূক্ত কৰা ক্ষেত্ৰত ২০১৪ চনত সেই সময়ৰ অবিভক্ত শিৱসাগৰ জিলাৰ উপায়ুক্ত মহোদয়ে স্থানীয় ৰাইজৰ পূৰ্ণ সহযোগিতাত বিশেষ উদ্যোগ গ্ৰহণ কৰে। UNESCO ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰত সাম্ভব্য তালিকাত চৰাইদেউৰ নাম অন্তৰ্ভূক্ত হোৱাৰ পৰৱৰ্তী সময়ত চৰাইদেউ তুলি ধৰাৰ এটি যোগাত্মক পদক্ষেপ আগত ৰাখি  চৰাইদেউ মহোৎসৱ আয়োজন কৰা হৈছিল। এনে অনুষ্ঠানত মাননীয় শ্ৰীযুত সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰ তথা সেই চৰকাৰৰ বিত্তমন্ত্ৰী তথা বৰ্ত্তমান অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বিশেষ ভাৱে চৰাইদেউক বিশ্বঐতিহ্য ক্ষেত্ৰত চূড়ান্ত তালিকাত নাম অন্তৰ্ভূক্ত কৰিব পৰা বিশেষ ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। উক্ত প্ৰতিশ্ৰুতি মৰ্মে পুৰাতত্ব বিভাগৰ তত্বাৱধানত বিশ্ব ঐতিহ্য ক্ষেত্ৰত চূড়ান্ত তালিকাত নাম অন্তৰ্ভূক্ত  কৰিব পৰা সকলোবোৰ চৰ্ত পূৰণ হোৱাকৈ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্দ্ধনৰ বাবে ২৫ কোটি টকা আগবঢ়ায়। এই ক্ষণতে দুয়োজনলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অধ্যক্ষ মহোদয়, ১৯৯৯ চনত ৭৭০ বছৰীয়া চ্যুকাফা দিৱসৰ সামৰণি অনুষ্ঠান আয়োজন চৰাউদেউ চৰকাৰী ভাৱে আয়োজন কৰিছিল। য'ত উপস্থিত আছিল সেই সময়ৰ উপ ৰাষ্ট্ৰপতি ডাঙৰীয়াৰ লগতে  অসমৰ মুখ্যমন্ত্ৰী মহোদয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া।

এই খিনিতে বিশেষ ভাৱে উল্লেখ কৰিব বিচাৰোঁ যে ইং ১৪ মাৰ্চ, ২০২২ তাৰিখে এই পবিত্ৰ সদনৰ মাননীয় অধ্যক্ষ  শ্ৰীযুত বিশ্বজীৎ দৈমাৰী ডাঙৰীয়াই চৰাইদেউ মৈদাম সংৰক্ষণ আৰু সৌন্দৰ্য্য বৰ্ধনৰ চলিত কামৰ পৰিদৰ্শন কৰে। প্ৰায় ২ ঘন্টা জোৰ সময় অধ্যক্ষ মহোদয়ে খোজেৰে প্ৰতিটো ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰাৰ লগতে নিৰ্মাণ কাৰ্য্যৰ লগত জড়িত  বিষয়া কৰ্মচাৰী, স্থানীয় সমাজকৰ্মী সকলৰ লগতে সাংবাদিক সকলৰ লগত আত্মীক ভাৱে কৰা আলোচনাই সকলোকে উৎসাহিত কৰিলে। এই আপাহতে অধ্যক্ষ মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

অধ্যক্ষ মহোদয়ে ক্ষেত্ৰত ভিত্তিক অধ্যয়ন কৰি  আপুনি নিশ্চিত  ভাৱে উপলব্ধি কৰিছে যে ঐতিহ্য ক্ষেত্ৰৰ তালিকাত নাম অন্তৰ্ভূক্ত কৰিবৰ বাবে আৰু বহু কৰণীয়া আছে। হয়তো আৰু যথেষ্ট পৰিমাণে পুঁজিৰ লগতে অন্যান্য কাৰিকৰী দিশত কৰিব লগা আছে।

উপাধ্যক্ষ মহোদয়, আহোমৰ  ৰাজত্ব কালৰ বিবিধ স্থাপত্য সমূহ নিখুত নিৰ্মাণ পদ্ধতিৰ বাবেই নানান প্ৰাকৃতিক দুৰ্যোগ ইত্যাদিৰ সত্বেও অক্ষত অৱস্থাৰে আজিও সগৌৰৱে মুৰ তুলি থিয় দি আছে।  উক্ত স্থাপত্য সমূহৰ দৰে চৰাইদেউ মৈদামও আহোম ৰাজত্বৰ  ৰজা মহাৰজা আৰু বিষয়া সকলৰ অন্তিম শয়ন স্থলিক সমাজৰ আগত পৰিচয় কৰাই দিয়াৰ লগতে দেশী বিদেশী পৰ্য্যাটকৰ পৰ্য্যটন স্থলিলৈ ৰূপান্তৰ কৰিছে। আহোম ৰাজত্বৰ সোণালী স্বাক্ষৰ বহনকাৰী বহু কৃতিচিহ্ন আমি দেখিছোঁ বা পৰিচিত অৱস্থাত আছে। কিন্তু উপাধ্যক্ষ মহোদয়, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভিন্ন প্ৰান্তত বহু ঐতিহাসিক সমল সিচৰিত হৈ আছে। উক্ত সমল সমূহ উপযুক্ত সংৰক্ষণৰ প্ৰয়োজন আছে।

উপাধ্যক্ষ মহোদয়, আজি সদনত অৱগত কৰিব বিচাৰো যে ২০২৪ চনৰ ভিতৰত চৰাইদেউ বিশ্ব ঐতিহ্য ক্ষেত্ৰত চূড়ান্ত তালিকাত স্থান নিশ্চিত কৰিব পৰাকৈ আৰু আহোম সাম্ৰাজ্যৰ কৃতিচিহ্ন

সংৰক্ষণ আৰু সৌন্দৰ্য্য বৰ্ধনৰ বাবে আৰু বিশেষ কাৰ্যব্যৱস্থা গ্ৰহণ নকৰিলে পুনৰ আমি ১০ বছৰৰ পিছোৱাই যাম।

সেয়েহে উপাধ্যক্ষ মহোদয়, চৰাইদেউক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ চূড়ান্ত তালিকত স্থান নিশ্চিত কৰা ব্যৱস্থা কৰিবৰ বাবে বিনয়ৰে প্ৰস্তাৱ ৰাখিলো। লগতে, ৰাজধানী চৰাইদেউ পৰ্ব্বতত য'ত দেওঁশাল আছিল, তাতেই পিতৃপুৰুষ চ্যুকাফা সু উচ্চ প্ৰতিমূৰ্ত্তি এটা স্থাপন কৰা আৰু সেইজনা পিতৃ পুৰুষ চ্যুকা ফাৰ নামত চৰাইদেউত চুকাফা বিশ্ব বিদ্যালয় এখন স্থাপন কৰাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ক প্ৰস্তাৱ আগবঢ়াই বিনম্ৰ অনুৰোধ জনালোঁ।

লগতে উপাধ্যক্ষ মহোদয়, আজি এই সময়তে আৰু এটা বিষয়ত মই কবলৈ আগবাঢ়িছো, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ।

উপাধ্যক্ষ মহোদয়, সু-স্বাস্থ্য এখন সমাজৰ মানৱ সম্পদ বিকাশৰ এক মূলমন্ত্ৰ হিচাপে সাৰোগত কৰি স্বাস্থ্য সেৱাৰে ৰাজ্যৰ অৰ্থনৈতিক উন্নয়ন লক্ষ্য স্থিৰ কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে বিভিন্ন কাৰ্য্যৱলী গ্ৰহণ কৰিছে। এখন স্বাস্থ্যকৰ আৰু উৎপাদনমূখী মানৱ সম্পদৰ লক্ষ্যৰে এই বিভাগে বিভিন্ন স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা নীতি আৰু আঁচনিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। অসমৰ নগৰীয়া আৰু গ্ৰাম্যাঞ্চলটো স্বাস্থ্য সেৱা জনিত বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে।

উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ জৰিয়তে দৰিদ্ৰ সীমাৰেখা তলৰ পৰিয়ালৰ ১২ বছৰৰ তলৰ জটিল ৰোগত আক্ৰান্ত শিশুৰ চিকিৎসাৰে দুৰ্ভগীয়া পৰিয়ালৰ হাঁহি আনি দিছে, সেয়া আমাৰ সকলোৰে জ্ঞাত। লগে লগে অটল অমৃত অভিযান, যিয়ে জনকল্যাণৰ হকে, বিপদৰ সাৰথি ৰূপে দৰিদ্ৰ পৰিয়ালক সকাহ দিয়া ভাৰত চৰকাৰৰ যি আঁচনি তাৰ বিষয়ে আমি পাহৰি গ'লে নহ'ব।

উপাধ্যক্ষ মহোদয়, যোৱা এটা দশকত সমগ্ৰ বিশ্বতে চিকিৎসা বিজ্ঞানৰ প্ৰসাৰ সাধন হোৱাটো মানৱ জাতিৰ বাবে গৌৰৱৰ বিষয়। চিকিৎসা বিজ্ঞানৰ অগ্ৰগতি আৰু বিকাশৰ সন্দৰ্ভত অসমৰ ক্ষেত্ৰত পৰ্য্যালোচনা কৰিলে দেখা যায় যে বৰ্তমান অসমত কেইবাখনো নতুনকৈ চিকিৎসা মহাবিদ্যালয়, আদৰ্শ চিকিৎসালয় নিৰ্মাণ কৰাৰ পৰিকল্পনা বিগত চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰে আৰু বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰে গ্ৰহণ কৰাৰ বাবে অসমে চিকিৎসাৰ ক্ষেত্ৰত এক বিশেষ স্থান গ্ৰহণৰ দিশে আগবাঢ়িছে। সোণোৱাল ডাঙৰীয়াৰ চৰকাৰৰ বিত্তমন্ত্ৰী তথা বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ সুদুৰ প্ৰসাৰী চিন্তাৰ ফলশ্ৰুতিত অসমত এইমচ্ স্থাপনে চিকিৎসাৰ ক্ষেত্ৰত এক নতুন মাত্ৰা প্ৰদানৰ দিশে আগবাঢ়িছে। অসমত চিকিৎসা মহাবিদ্যালয় স্থাপনে মাথো চিকিৎসাৰ ক্ষেত্ৰতে নহয় বিদ্যায়তনিক দিশত অসমে এক সুকীয়া স্থান লাভ কৰিব।

মহামাৰী ক'ভিদসৃষ্ট পৰিৱেশ মোকাবিলা কৰাৰ ক্ষেত্ৰত বিগত আৰু বৰ্তমান চৰকাৰে সন্মুখৰ পৰা যি ধৰণে কাৰ্য্যসম্পাদন কৰিলে তাক লৈ আমি গৌৰান্বিত। আজি আমি ক'ভিড মুক্ত অসমত বাস কৰিবলৈ আৰম্ভ কৰিছো। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰী মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে চিকিৎসক, নাৰ্চ, আশাকৰ্মী সকলৰ ত্যাগক শতকৌটি প্ৰণাম জনাইছো। বিনামুলীয়া ক'ভিড ভেকচিন প্ৰদান প্ৰক্ৰিয়া, ক'ভিড-১৯ ত আক্ৰান্ত হৈ মৃত্যু হোৱা পৰিয়ালক আৰ্থিক সাহাৰ্য্য প্ৰদান কৰা আদিৰ দৰে জনহিতকৰ কাৰ্য্য আমাৰ এই চৰকাৰে কৰি গৈছে। এই আপাহতে মুখ্যমন্ত্ৰী সাহাৰ্য্য নিধিত বহু লোকে আৰ্থিক সাহাৰ্য্য আগবঢ়াই ক'ভিডসৃষ্ট

পৰিৰেশ মোকাবিলা কৰাৰ ক্ষেত্ৰত সহযোগীতা আগবঢ়োৱাৰ প্ৰতি জন সদাশয় ব্যক্তিক সেৱা নিবেদিলো ।

অধ্যক্ষ মহোদয়, ৬ বছৰীয়া বিজেপি নেতৃত্বাধীন চৰকাৰে স্বাস্থ্য খণ্ডৰ ক্ষেত্ৰত গ্ৰহণ কৰা উন্নয়নৰ ধাৰা আমাৰ চৰাইদেউ জিলাবাসীয়ে লাভ কৰিবলৈ সক্ষম হৈছে । ৰজাপুখুৰী অসামৰিক চিকিৎসালয়ক চৰাইদেউ জিলা চিকিৎসালয়লৈ উন্নীতকৰণে চিকিৎসা ক্ষেত্ৰত এক বিশেষ মাত্ৰা প্ৰদান কৰিলে । ২০১৮ চনৰ জুলাই মাহত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই চৰাইদেউ জিলা চিকিৎসালয়ৰ অত্যাধুনিক গৃহৰ আধাৰশিলা সম্পন্ন কৰিছিল । বৰ্তমান উক্ত নৱনিৰ্মিত গৃহত জিলা চিকিৎসালয়ৰ খনৰ চিকিৎসাৰ কাৰ্য্য আৰম্ভ হৈছে । আই. চি. ইউ. যুক্ত জিলা চিকিৎসালয়ৰ আগতে বিনামূলীয়া ডাইলেচিচ কেন্দ্ৰৰ কামো আৰম্ভ হৈছে ।

অধ্যক্ষ মহোদয় চৰাইদেউ জিলাত স্বাস্থ্য খণ্ডৰ নৱতম সংযোজন চৰাইদেউ চিকিৎসা মহাবিদ্যালয়। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসম, অৰুণাচল আৰু নাগালেণ্ড সীমান্তৱৰ্তী চৰাইদেউ জিলাৰ সোণাৰী সমষ্টিৰ মাজভাগত স্থাপনৰ যি পদক্ষেপ ল'লে তাৰ বাবে পুনৰ বাৰ শৰ্মা ডাঙৰীয়াক সলাগৰ শৰাই আগবঢ়ালো। ভাৰ্চুৱেল যোগে ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডি ডাঙৰীয়াই আধাৰশিলা সম্পন্ন কৰা চৰাইদেউ চিকিৎসা মহাবিদ্যালয়ৰ ভূমিপুজন যোৱা ইং ২৬-০৬-২০২১ তাৰিখে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কৰে। বৰ্তমান পূৰ্ণ গতিত চলি থকা নিৰ্মাণ কাৰ্য্য মুখ্যমন্ত্ৰী মহোদয়ে পৰ্য্যবেক্ষণ কৰি আহিছে। অধ্যক্ষ মহোদয়, স্বাস্থ্যখণ্ডত আমোল পৰিৱৰ্তন হোৱাৰ পথত অসম। ২০২২-২৩ বৰ্ষৰ বিত্তীয় বাজেটত উল্লেখ কৰা অনুসৰি নিযুক্তিৰ যোগেদি বিভিন্ন খালী হৈ থকা পদ সমূহ পুৰণৰ বাবে যি ব্যৱস্থা কৰিছে তাৰ যোগেদি চৰাইদেউ তথা সোণাৰি সমষ্টিত থকা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, উপ-স্বাস্থ্য কেন্দ্ৰ সমূহত ডাক্তৰ, স্বাস্থ্যকৰ্মী নিয়োগ কৰাৰ ব্যৱস্থা কৰিবৰ বাবে আহ্বান জনালো। ১৯৬০ চন মানতেই সোণাৰি নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটিৰ ওপৰত প্ৰায় নগৰ অঞ্চলৰ ১,২০,০০০ জনসংখ্যাৰ লোকে স্বাস্থ্য সেৱাৰ বাবে নিৰ্ভৰ কৰে । বৰহাট স্বাস্থ্য কেন্দ্ৰটোলৈ ডাক্তৰ প্ৰেৰণ কৰে যদিও চিকিৎসা সেৱা আগবঢ়োৱা নাই। সেয়েহে অতি গুৰুত্বসহকাৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে পদক্ষেপ গ্ৰহণ কৰি সুব্যৱস্থা কৰিবলৈ আহ্বান জনালো। সোণাৰি নগৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ ক্ষেত্ৰত পি. এইচ. চি. লৈ পৰিৱৰ্তনৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰিলো ।

অধ্যক্ষ মহোদয় চৰকাৰী নিৰ্দেশনা অনুসৰি থাকিবলগীয়া বিষয়া-কৰ্মচাৰী, চিকিৎসক, নাৰ্চ সকলৰ খালী পদ সমূহ পুৰণৰ লগতে জিলা চিকিৎসালয়ত স্থায়ী অধীক্ষক নিযুক্তি দিবৰ বাবে আহ্বান জনালো । এজন সদাসয় চিকিৎসকক দায়িত্ব অৰ্পণ কৰিছিল যদিও তেখেতে দায়িত্ব গ্ৰহণ নকৰিলে । উক্ত দায়িত্ব গ্ৰহণ নকৰা সকলৰ প্ৰতি বিভাগে ব্যৱস্থা গ্ৰহণ কৰাটো মই কামনা কৰিলো লগতে এটি ব্লাড বেংকৰ ব্যৱস্থা কৰিবলৈও মই আহ্বান জনালো। অধ্যক্ষ মহোদয়, স্বাস্থ্য খণ্ডত চৰাইদেউ চিকিৎসা মহাবিদ্যালয় সংযোজনে চৰাইদেউ জিলাত নতুন দিগন্ত সূচনা কৰিব । পৰ্য্যায়ক্ৰমে খালী ঠাই সমূহ পুৰণৰ বাবে পুনৰ বাৰ আহ্বান জনালো ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মন ।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়ে মোক এই পৱিত্ৰ সদনত মোৰ সমষ্টিৰ লোক নিৰ্মাণ বিভাগ, জলসম্পদ বিভাগ আৰু শিক্ষা বিভাগৰ সমস্যাৰ ওপৰত আলোকপাত কৰিবলৈ Members Hours ত সুযোগ প্ৰদান কৰাৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিলো । উপাধ্যক্ষ মহোদয়, আমাৰ সকলোৰে প্ৰিয় আৰু পৰিচিত এফাঁকি কবিতাৰে

আজি মই এই পৱিত্ৰ সদনৰ কাৰ্য্যসূচীত নিজৰ বক্তব্য দাঙি ধৰাৰ বাবে আগবাঢ়িছো -

কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰি ফুলাম পাহি ?
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি ?

উপাধ্যক্ষ মহোদয়, বিহগী কবি ৰঘুনাথ চৌধাৰীৰ " গোলাপ " কবিতাৰ এই ছন্দই নিশ্চয় আমাৰ সকলোৰে মনত পঢ়াশালিৰ জীৱনতে গভীৰ ভাৱে ৰেখাপাত কৰিছিল। আজি পৱিত্ৰ বিধান সভাত" গোলাপ " কবিতাৰ এই ছন্দটো মই পাঠ কৰাৰ কাৰণ হ'ল বিহগী কবি ৰঘুনাথ চৌধাৰীৰ সোণসেৰীয়া স্মৃতি বৰক্ষেত্ৰী সমষ্টিৰ আকাশ-বতাহ ধূলিকণাৰে সমৃদ্ধ হৈ আছে। অসমীয় সাহিত্যৰ ৰোমান্তিক যুগৰ এই বিশিষ্ট কবি গৰাকীৰ জন্ম হৈছিল এতিয়াৰ বৰক্ষেত্ৰী সমষ্টিৰ লাওঁপাৰ গাঁৱত।

নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম দিশত থকা অঞ্চলটোৱে হৈছে বৰক্ষেত্ৰী সমষ্টি। মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত সৃষ্টি হোৱা কেইবাটাও চৰ অঞ্চলৰ অন্তৰ্ভূক্ত হৈ আছে । বৰক্ষেত্ৰী সমষ্টিত ৫ খন মৌজা আছে। পূৱ-বৰক্ষেত্ৰী, পশ্চিম বৰক্ষেত্ৰী, মধ্যম বৰক্ষেত্ৰী, উত্তৰ বৰক্ষেত্ৰী আৰু উপৰ বৰভাগ মৌজা। ১৯৭৭ চনৰ আগলৈকে পূৱ বৰক্ষেত্ৰী আৰু মধ্যম বৰক্ষেত্ৰী মৌজা হাজো বিধান সভা সমষ্টিৰ উত্তৰ বৰক্ষেত্ৰী মৌজা, পশ্চিম নলবাৰী সমষ্টিৰ (বৰ্তমান ধৰ্মপুৰ), পশ্চিম বৰক্ষেত্ৰী মৌজা চেঙা সমষ্টিৰ আৰু উপৰ বৰভাগ মৌজাখন পূৱ নলবাৰী সমষ্টিৰ অন্তৰ্ভূক্ত আছিল । কিন্তু ১৯৭৭ চনত সমষ্টি পুনৰ গঠন হোৱাত উক্ত ৫ খন মৌজা লগ লাগি নতুনকৈ ৬০ নং বৰক্ষেত্ৰী সমষ্টি গঠন হয় । ১৯৭৮ আৰু ১৯৮৩ চনত অসম বিধান সভাৰ প্ৰাক্তন প্ৰয়াত অধ্যক্ষ শ্বেখ চান্দ মহম্মদ, ১৯৮৫ আৰু ১৯৯৬ চনত অসম বিধান সভাৰ প্ৰাক্তন প্ৰয়াত অধ্যক্ষ শ্ৰীযুত পুলকেশ বৰুৱা, ১৯৯১, ২০০১, ২০০৬, ২০১১ চনত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন আৰু ২০১৬ চনত শ্ৰীযুত নাৰায়ণ ডেকা অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল । আৰ্থ-সামাজিক, ৰাজনৈতিক, বৌদ্ধিক, সাহিত্য-সংস্কৃতি, ভাষা-সাহিত্য, স্বাধীনত আন্দোলন, বিভিন্ন গণ আন্দোলন, ৰাজনীতি, শিক্ষা আদিৰ ক্ষেত্ৰত বৰক্ষেত্ৰীয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে । বৰক্ষেত্ৰী সমষ্টিৰ এনে ভূমিকাৰ অন্তৰালত আছিল কিছুমান পৰিশ্ৰমী, ত্যাগী, উদাৰতা, মহানুভৱতা থকা লোকৰ সমাজ চেতনা । বিশেষকৈ ১৯৭৮ চনৰ পৰা এতিয়ালৈকে বৰক্ষেত্ৰী বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত আটাই কেইজন সন্মানীয় বিধায়কে অনুন্নত বৰক্ষেত্ৰী সমষ্টি উন্নত কৰি গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল । ২০২১ চনৰ বিধান সভা নিৰ্বাচনত বৰক্ষেত্ৰী বাসী ৰাইজে মোক অসম বিধান সভালৈ নিৰ্বাচিত কৰি বৰক্ষেত্ৰী বাসী ৰাইজৰ হকে কাম কৰিবলৈ মোক সুযোগ দিছে । তাৰ বাবে মই বৰক্ষেত্ৰীবাসী ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো । ৰাইজৰ বহুতো অভাৱ অভিযোগ আছে তথাপিও অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী অনুসৰি তিনিটা বিষয়- শিক্ষা, লোকনিৰ্মাণ বিভাগৰ অধীনস্থ ৰাস্তা, দলং আৰু জলপসম্পদ বিভাগৰ অধীনত থকা মথাউৰি আৰু বান নিয়ন্ত্ৰন সম্পৰ্কে মাননীয় উপাধ্যক্ষ মহোদয়ক অৱগত কৰিব বিচাৰিছো ।

বিহগী কবি ৰঘুনাথ চৌধাৰীৰ জন্মভূমি বৰক্ষেত্ৰী অঞ্চলটো অতীতৰ পৰাই শিক্ষাৰ ক্ষেত্ৰত আগবঢ়া। কিন্তু উপযুক্ত সুবিধা নোপোৱাৰ বাবে যিমান খিনি আগবাঢ়িব লাগিছিল সেই মতে আগবাঢ়িব পৰা নাই । সেয়েহে তলত দিয়া সমস্যা সমূহ সমাধান কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো ।

১) মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে ৮ চেপ্তেম্বৰ ২০২১ তাৰিখে মোৰ সমষ্টিৰ জৰুৰীকালীন ভাৱে

প্ৰয়োজন ভিত্তিক হাইস্কুলক উচ্চতৰ মাধ্যমিক পৰ্য্যায়লৈ উন্নীত কৰাৰ প্ৰস্তাৱ বিচাৰিছিল । সেই মতে মই ১০ খন হাইস্কুলক উচ্চতৰ মাধ্যমিক পৰ্য্যায়লৈ নিবলৈ অনুৰোধ জনাইছিলো । কিন্তু দুখন স্কুলকহে উচ্চতৰ মাধ্যমিকলৈ নিয়াৰ বাবে অনুমতি দিলে । সেয়েহে বাকী স্কুল সমূহকো অতিশীঘ্ৰে উচ্চতৰ মাধ্যমিকলৈ উন্নতি কৰিবলৈ অনুৰোধ জনালো ।

১) বৰভাগ কৰিয়া গাঁৱত থকা DIET ৰ কাষত থকা চৰকাৰী ভূমিত অতি শীঘ্ৰে এখন চৰকাৰী আদৰ্শ বিজ্ঞান মহাবিদ্যালয় স্থাপন কৰিব লাগে ।

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এজন নতুন বিধায়ক হিচাপে আজি এই পবিত্ৰ সদনত মোৰ সমষ্টিৰ সুবিধা-অসুবিধাৰ কথা উত্থাপন কৰিবলৈ সুবিধা দিয়াৰ বাবে মই প্ৰথমতে ধন্যবাদ জ্ঞাপন কৰিছো। মই যিটো সমষ্টিক প্ৰতিনিধিত্ব কৰি আছো এই সমষ্টিটো এটা সন্মানীয় সমষ্টি বুলি ক'ব লাগিব কাৰণ এই সমষ্টিৰ পৰা দুই-তিনিজন কেবিনেট মন্ত্ৰীয়ে প্ৰতিনিধিত্ব কৰিছিল। মোৰ সমষ্টিৰ পৰা মুখ্যমন্ত্ৰীয়ো আছিল। সেইকাৰণে মই সন্মানীয় সমষ্টি বুলি ক'ব খুজিছো। কিন্তু যদি মোৰ সমষ্টিৰ স্বাস্থ্য, শিক্ষা বা ৰাস্তাৰ কথা কোৱা যায় তেতিয়া মোৰ অনুভৱ হয় যেন মই কোনোবা অসমৰ ভিতৰুৱা সমষ্টি বা মানকাছাৰ সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো। কাৰণ মোৰ সমষ্টিত হস্পিতাল বুলি ক'লে অৱস্থা অতি পুতৌ লগা বুলি ক'ব লাগিব। মোৰ সমষ্টিটো দলগাঁও নামেৰে পৰিচিত। দলগাঁও এখন সৰু টাউন। সেই টাউনত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰে। ভাৰত স্বাধীন হোৱাৰ পিছতেই দলগাঁওৰ মাজমজিয়াত এখন সৰু ষ্টেট ডিচপেনচেৰী আছিল। চৰকাৰে প্ৰায় ২৫ বিঘা মাটি আবণ্টন দিছে। ব্ৰিটিছ আমোলৰ দিনৰে এটা ঘৰ আছে। সেই ঘৰতে স্বাস্থ্য সেৱা দিয়া হৈ আছে। সেই ঘৰটোৰ চাৰিওফালে গৰু-ছাগলী চৰাই থকা দেখিবলৈ পোৱা যায়। এখন বেৰো নাই। তাত এজন মাত্ৰ ডাক্তৰ। প্ৰতিদিনে প্ৰায় ৩০০ গৰাকী ৰোগী সেই ডিচপেনচাৰীলৈ আহে। ৰোগী সকল শাৰী পাতি ৰৈ থাকে। ১০০ জন ৰোগী চোৱাৰ পিছত আৰু ৰোগী চাব নোৱাৰে। ৰোগী সকল ঘৰলৈ ঘূৰি যাব লাগে। এইয়া হৈছে মোৰ দলগাঁও সমষ্টিৰ, দলগাওঁ টাউন ডিচপেনচেৰীৰ প্ৰতিচ্ছবি। আজি বিভাগীয় মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত নাই কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে। দলগাঁওৰ সেই ষ্টেট ডিচপেনচাৰীখন কমিউনিটি হেল্‌থ চেণ্টাৰলৈ ৰূপান্তৰ কৰি ৫০ খন বিচনাযুক্ত এখন হস্পিতাল তৈয়াৰ কৰিবলৈ মই তেখেতক অনুৰোধ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত প্ৰায় ৪৫ খন চাব চেণ্টাৰ আছে। হেলথ্ এণ্ড ৱেলনেচ চেণ্টাৰ প্ৰায় ২৪ খন আছে আৰু মিনি পি.এইচ. চি ৪-৫ খন আছে। কিন্তু চাব চেণ্টাৰ বুলি কোৱাৰ লগে লগে এনে অনুমান হয় যে তাত আমাৰ ডাক্তৰ, নাৰ্চ থাকে নে বেলেগ কিবা জীৱ-জন্তু থাকে। এই ৪৫ খন চাব চেণ্টাৰৰ ভিতৰত মাত্ৰ ২০ খন কাৰ্য্যক্ষম হৈ আছে। মাত্ৰ এগৰাকীকৈ জি এন এম বা এ এন এম দিয়া আছে। সেই জি এন এম, এ এন এম সকলেও ৬০-৭০ কিলোমিটাৰ দূৰৰ পৰা সেই ঠাইলৈ যাব লাগে। কেতিয়াবা যায়, কেতিয়াবা নাযায়ও। গলেও সোনাকলে ঘুৰি আহিব লাগে কাৰণ সন্ধিয়া হ'লে ইমান দূৰ যোৱা অসুবিধা। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম এই চাব-চেণ্টাৰ বিলাকত যদি জি এন এম, এ এন এম আৰু ফাৰ্মাচিষ্ট যদি দিয়া হয় তেতিয়া হ'লে গাঁৱৰ মানুহ সকলৰ অলপ উপকাৰ হ'ব বুলি মই ভাবো। দলগাঁও সমষ্টিৰ অন্তৰ্গত এখন সৰু ঠাই বেচিমাৰীত মোৰ ঘৰ। ভাৰত স্বাধীন হোৱাৰ পিছৰ পৰা কোনো ধৰণৰ হস্পিতাল, চাব-চেণ্টাৰ বুলি তাত একোৱে নাছিল। বৰ্তমানৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া স্বাস্থ্যমন্ত্ৰী হৈ থকাৰ সময়ত নিউ পি

এইচ চি বুলি এখন চাব-চেণ্টাৰ দিছে। মই বিধায়ক হোৱাৰ পিছত সেই চাব-চেণ্টাৰটো উদ্বোধন কৰাৰ সুযোগ পাইছিলো। কিন্তু তাত দুজন ডাক্তৰৰ পোষ্ট আছে যদিও এজন ডাক্তৰক হে এপইণ্টমেণ্ট দিয়া হৈছে। দুগৰাকী নাৰ্চ দিয়া হৈছে। ৰোগী সদায় দুশৰ ওপৰত থাকে। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে তাত বেচিমাৰী, লালপুৰ জিলা পৰিষদ মিলি প্ৰায় ৫০ হাজাৰৰ ওপৰত জনসংখ্যা আছে গতিকে সেই জনসংখ্যাৰ দুখীয়া, ৰোগীয়া লোক সকলক সেৱা কৰিবৰ কাৰণে কমেও দুগৰাকী ডাক্তৰ যাতে বেচিমাৰী নিউ পি এইচ চি ত দিয়ে। মোৰ সমষ্টিৰ আৰু এখন ঠাই শিলগুড়ি যিখন ওৰাং ফৰেষ্টৰ লগতে লাগি আছে, তাত এখন নিউ পি এইচ চি আছে যদিও এই পি এইচ চি খন আছে তাতো কিন্তু একেই অৱস্থা। তাত ডাক্তৰ মাত্ৰ এজন, নাৰ্চ দুগৰাকী আৰু বেলেগ কোনো ষ্টাফ নাই। সেই পি এইচ চি খনলৈ যথেষ্ট ৰোগী আহে। কিন্তু ডাক্তৰে ৰোগী সকলক ভালদৰে চোৱা-চিতা কৰিব নোৱাৰে। ফলত ৰোগী সকলে যথেষ্ট কষ্ট ভূগিব লগীয়া হয়। মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়াৰ মুখ্যমন্ত্ৰী, আগৰ চৰকাৰৰ দিনৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই মোৰ সমষ্টিৰ কোৱাৰিপুখুৰীত এখন মডেল হস্পিতাল দিছিল। মই এজন নতুন বিধায়ক হিচাপে মই সম্পূৰ্ণ ভাৱে নাজানো কিন্তু মোৰ অনুমান হয় এই হস্পিতালখনত ৮ টা ডাক্তৰৰ পোষ্ট আছে কিন্তু বৰ্তমান ইয়াত মাত্ৰ ৫ জন ডাক্তৰহে আছে, বাকী তিনিজন নাই। এই হস্পিতালখনৰ আন্তঃগাঁথনি বৰ সুন্দৰ আৰু উন্নত পৰ্য্যায়ৰ। আঁচলতে এই মডেল হস্পিতালখন খাৰুপেটীয়া বা দলগাওঁৰ নিচিনা ঠাইত হ'ব লাগিছিল। কিন্তু সেই হস্পিতালখন গাঁৱৰ ভিতৰুৱা ঠাইত দিয়া হ'ল। যি হওঁক সেইটো কাৰোবাৰ ভুলৰ বাবে হৈছে বুলি মই ধৰি লৈছো। তথাপিও ইয়াৰ বাবে মই আগৰ বিধায়ক গৰাকীক ধন্যবাদ দিব লাগিব। সেই হস্পিতালখনত পাঁচজন ডাক্তৰ আছে যদিও তাত ৰোগীৰ সংখ্যা কম। খাৰুপেটীয়াত যিখন পি এইচ চি আছে সেই অঞ্চলৰ ৰোগী সকল আহি তাত ভিৰ কৰে। খাৰুপেটীয়া চি এইচ চি খনত ন' টা ডাক্তৰৰ পোষ্ট আছে যদিও বৰ্তমান তাত ছয় জন ডাক্তৰ আছে, বাকী তিনিজন নাই। তাত নাৰ্চৰ সাতটা পদ আছে কিন্তু পাঁচ গৰাকী নাৰ্চহে আছে। এই হস্পিতালখনত চকীদাৰৰ সাতটা পোষ্ট আছে যদিও বৰ্তমান তাত এজন চকীদাৰ হে আছে। সেই হস্পিতালখনত ডাক্তৰ, নাৰ্চ সকল থকাৰ বাবে কোনো আবাসগৃহৰ ব্যৱস্থা নাই। প্ৰায় ৫০০ পৰা ১০০০ লৈকে সেই হস্পিতালখনত ৰোগী আহে। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে সেই খাৰুপেটীয়া চি এইচ চি খন যাতে এশ বিচনাযুক্ত হস্পিতাললৈ ৰূপান্তৰ কৰি দিয়ে। মাননীয় উপাধ্যক্ষ মহোদয়, মই পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ওপৰত দুযাৰমান বক্তব্য ৰাখিব বিচাৰিছো। ভাৰত চৰকাৰ আৰু অসম চৰকাৰে গ্ৰামোন্নয়নৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে আৰু ইয়াৰ বাবে যথেষ্ট ধনো মোকলাই দিছে। এই ধন সমূহ সঠিক ৰূপত ব্যৱহাৰ নোহোৱাৰ বাবে যথেষ্ট পৰিমাণে টকা অপচয় হোৱা পৰিলক্ষিত হৈছে। চতুৰ্থ বিত্তীয় আয়োগ আৰু পঞ্চদশ বিত্তীয় আয়োগে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনিৰ অধীনত যথেষ্ট টকা মোৰ সমষ্টিত দিয়া হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এজন নতুন বিধায়ক হিচাপে মোৰ বিধায়ক পুঁজিত মাত্ৰ এক কোটি টকাহে পোৱা যায়। এই এক কোটি টকাৰ মাজত মই বিশ খন পঞ্চায়ত আছে, খাৰুপেটীয়াত এখন টাউন কমিটি আছে আৰু তিনিখন ভি চি ডি চি আছে, প্ৰায় ২৪-২৫ খন হৈ যায়। এই এক কোটি টকাৰ পৰা প্ৰতিখন পঞ্চায়তক চাৰি লাখ টকাকৈ দিব পৰা যায় আৰু ইয়াৰ প্ৰত্যেকটো পঞ্চায়তত দহ টাকৈ ৱাৰ্ড আছে। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, সেই চাৰি লাখ টকাৰে দহটা ৱাৰ্ডত কি কাম কৰিম মই ভাবিয়েই পোৱা নাই কেনেকৈ ৰাইজক সন্তুষ্ট কৰি ৰাখিম এই বিষয়টো লৈ বিধায়ক হোৱাৰ

পিছত চিন্তিত হৈ পৰিছো। আজিৰ এই পবিত্ৰ সদনত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে বিধায়ক সকলক যদি আপুনি জীৱিত ৰাখিব খুজিছে তেনেহ'লে বিধায়ক পুঁজিটো অলপ বৃদ্ধি কৰিব লাগিব। লগতে মই এটা পৰামৰ্শ দিব খুজিছো যে এন ৰেগা যিখন আঁচনি আছে সেই আঁচনি বিলাকৰ নামত বহু লাখ লাখ কোটি কোটি টকা মোৰ সমষ্টিত পাই আছে। এই এন ৰেগাত যদি বিধায়ক সকলক অলপ যদি গুৰুত্ব দিয়া হয় মই ভাবো অলপ হ'লেও কাম আমি কৰিব পাৰিম। পঞ্চদশ, চতুৰ্দশ বিত্তীয় আঁচনিৰ টকা আমি নাপাওঁ। ৰাস্তা-ঘাটৰ কাম আমি কৰিব নোৱাৰো। মোৰ সমষ্টিত এনেকুৱা কিছুমান ৰাস্তা আছে, যি ৰাস্তা এম জি এন ৰেগাৰ আঁচনিৰে কৰিব নোৱাৰে। এতিয়া কিছুমান গাইড লাইন আমাৰ পঞ্চায়ত বিভাগৰ পৰা গৈছে যে ৰাস্তা বনাব পাৰিব, এগ্ৰি বান্ধৰ কাম কৰিব পাৰিব, ফাৰ্ম ৱাটাৰ টেংক কৰিব পাৰিব বা অন্যান্য কিছু কিছু কাম কৰিব পাৰিব। কিন্তু ৰাস্তাৰ অৱস্থা আমি কেনেকৈ ভাল কৰিম। ৰাস্তাৰ অৱস্থা ভাল কৰাৰ কাৰণে কোনো উপায় দেখা নাই। গতিকে মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে **১২৬** টা সমষ্টিৰ বিধায়কক MNREGA পৰা কিছু হলেও টকা আপোনালোকে মঞ্জুৰী দিয়ে, আমি বিধায়কসকলে কমেও সৰু সৰু ৰাস্তাবিলাক house to house বনাই দিব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত আৰু এটা ডাঙৰ সমস্যা হৈ আছে। মোৰ সমষ্টিত **১৮** খন পঞ্চায়ত আছে। আজিৰ পৰা কিছুদিন আগত বিভাগে পঞ্চায়তৰ সচিব বিলাক বদলি কৰিছিল। সেই কামটোত ভাল পাইছো, এখন এখন পঞ্চায়ত সচিববিলাক কমেও **১০** বছৰ, **১৫** বছৰ ধৰি কাম কৰি আছিল। সেই সকলক বদলি কৰিছে। এখন জিলাৰ পৰা আন এখন জিলালৈ বদলি কৰিছে, ভাল পাইছো। কিন্তু ভাল পোৱাৰ লগতে অলপ বেয়াও পাইছো। এই বেয়াখিনি হ'ল যে মোৰ সমষ্টিত **১৮** খন পঞ্চায়তৰ ভিতৰত মাত্ৰ **১০** জন সচিব আছে। ইমান ডাঙৰ একোখন পঞ্চায়ত য'ত নেকি **১০** হাজাৰ, **১২** হাজাৰ জনসংখ্যা আছে, **১৫** হাজাৰলৈকে জনসংখ্যা আছে। এজন সচিবে কেনেকৈ চোৱা চিতা কৰিব। তাতে আৰু **১৮** খন পঞ্চায়তৰ ভিতৰত **১০** খন পঞ্চায়তৰ সচিব আছে। বাকী বিলাক পঞ্চায়ত সচিব নাই, In-charge হৈ আছে। কিছুমান Tax Collector ক দি In-charge কৰি দিয়া আছে আৰু কিছুমান গ্ৰাম্যসেৱকক নিয়োগ কৰা হৈছে, সেইখিনিয়ে sufficent নহয়। গতিকে আজি এই পবিত্ৰ সদন মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ যাতে সেই সচিব সকলৰ পদসমূহ গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত অতিশীঘ্ৰে সম্পূৰ্ণ কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ ডাঙৰ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে প্ৰধানমন্ত্ৰী গ্ৰাম্য আৱাস যোজনা। সকলো মানুহে পকীঘৰত থাকিবলৈ মন যেনেকৈ আছে, দুখীয়া মানুহখিনিৰো এটি পকী ঘৰত থাকিব মন আছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ যিটো আঁচনি আছে, যথেষ্ট ভাল আঁচনি বুলি কব লাগিব। আগতে ইয়াৰ টকা আছিলে মাত্ৰ **২৫** হাজাৰ, তাৰ পিছত হ'ল **৫০** হাজাৰ আৰু এতিয়া প্ৰায় **১.৫০** লাখ টকা হৈছে। যথেষ্ট ভাল পাইছো, কিন্তু পঞ্চায়ত বিলাক যি গ্ৰাম পঞ্চায়ত ৰোজগাৰ যোজনাৰ (GPC) মানুহ আছে, মোৰ সমষ্টিত মাত্ৰ **১৮** খন পঞ্চায়ত মাত্ৰ GPC আছে **১২** জন। মাজতে এখন জাননী দিয়া হৈছিলে যে তিনি দিনৰ ভিতৰত below poverty line ত বসবাস দুখীয়া পৰিয়ালক চিনাক্ত কৰি Geo-tag কৰি দিয়া হ'ব। এই তিনিদিনৰ ভিতৰত এজন GPC য়ে **৩০** খনকৈ Geo -tag কৰিছে। তিনিদিনত মাত্ৰ **৯০** টা পৰিয়ালৰ Geo-tag হৈছে। বাকী কৰিব পৰা নাই। বহু দুখীয়া পৰিয়াল ৰৈ গৈছে। গতিকে মই

মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে আকৌ Geo-tag কৰক, বহু দুখীয়া পৰিয়ালৰ Geo-tag হোৱা নাই। তেখেতসকলে প্ৰধানমন্ত্ৰী গ্ৰাম্য আৱাস যোজনাৰ পৰা বঞ্চিত হৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ দৰং জিলাৰ কথাটো কব বিচাৰিছো, Lower Primary আছে 675, Upper Primary আছে 76, Primary & Upper Primary আছে 22, EVS upgrade centre আছে 222, Higher Secondary & High School আছে 145, College আছে 10 খন। মাননীয় উপাধ্যক্ষ মহোদয়, বেলেগ সমষ্টিত বহুতো কলেজ আছে, মই বেয়া পোৱা নাই, ভাল পাইছো হ'বও লাগে, শিক্ষা নহ'লে সমাজ আগুৱাই যাব নোৱাৰে। কিন্তু তাতে বেয়া লাগে ভাৰত স্বাধীন হোৱাৰ ৭৫ বছৰ পাৰ হৈ গ'ল কিন্তু অতি দূৰ্ভাগ্যজনক যে মোৰ সমষ্টিত এখন কলেজো নাই।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ কি কি লাগে, লিখিত দি দিব।

**শ্ৰীমজিবুৰ ৰহমান (দলগাওঁ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কথাখিনি কৈ দিও। খাৰুপেটীয়াত কলেজ যদিও আছে, সেইটো মোৰ সমষ্টিত পৰা মঙ্গলদৈ সমষ্টিত পৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত মাননীয় মুখ্যমন্ত্ৰীৰ পৰা আস্বস্থ্য হ'ব খুজিছো যে মোৰ সমষ্টিত কেতিয়া কলেজ স্থাপন হ'ব। দীনদয়াল কলেজ যদিও আছে, সেই কলেজত Arts & Commerce stream টো নাই, অকল Science stream টো আছে। আমাৰ মুছলমানখিনিয়ে আৰু দুখীয়া মানুহখিনিয়ে মাত্ৰ Arts & Commerce stream ত পঢ়িব খোজে, Science পঢ়িব নোখোজে। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এইটোৱে অনুৰোধ কৰিম যে মোৰ সমষ্টিত এখন কলেজ স্থাপন কৰিব লাগে। দীনদয়াল বুলি যিখন কলেজ আছে, সেই কলেজখনত সন্মানীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই গৈছিলে কৈ থৈ আহিছিলে যে অহা বিত্তীয় বৰ্ষৰ পৰা আপোনাৰ কলেজত Arts & Commerce stream তো আৰম্ভ কৰিব। এই কথাটো যাতে বাস্তৱত পৰিণত হয়, এই আশা ৰাখিছো।

TET Teacher যে দিছে, সেইটো সঁচাকৈ প্ৰশাংসনীয়। আগতে চাকৰি বুলি ক'লে মন্ত্ৰী বিধায়কে লিখি দিলে চাকৰি হৈছিলে। এতিয়া কি যুগ আহি পালে, ব্ৰেইন নহলে চাকৰি নাপায়। এইটো কাৰণত চৰকাৰক ধন্যবাদ জনাব লাগিব। কিন্তু মোৰ সমষ্টিত **২০১২** চনতে TET qualified বহুত শিক্ষক আছে, সেইবিলাকৰ এতিয়ালৈকে নিযুক্তি হোৱা নাই। বহুত স্কুল আছে, য'ত শিক্ষক নাই। গতিকে সেই TET qualified শিক্ষক বিলাকক যাতে নিযুক্তি কৰি দিয়ে, তাৰে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Member's hour ত সন্মানীয় সদস্য ধৰমেশ্বৰ কোঁৱৰ, দিগন্ত বৰ্মন আৰু মজিবুৰ ৰহমান ডাঙৰীয়াই তেওঁলোকৰ সমষ্টিৰ লগত জৰিত কেইবাটাও সমস্যাৰ কথা উল্লেখ কৰিছে। বিশেষকৈ আমাৰ চৰাইদেউ মৈদাম, লোক নিৰ্মাণ বিভাগ, শিক্ষা বিভাগ, স্বাস্থ্য বিভাগ, পঞ্চায়ন আৰু গ্ৰামোনয়ন বিভাগৰ কেইবাটাও সমস্যা ইয়াত উল্লেখ কৰা হৈছে। মোৰ সতীৰ্থ শিক্ষামন্ত্ৰী পেগু ডাঙৰীয়াই শিক্ষা বিভাগৰ প্ৰশ্নখিনিৰ উত্তৰ দিব আৰু আন কথা যিখিনি আছে আন বিভাগৰ অধীনত তাৰ ওপৰত বিভাগীয় মন্ত্ৰীসকলে নিজৰ নিজৰ প্ৰতি উত্তৰ দিব। মই চাই থকা বিভাগ কেইটাৰ ভিতৰত Indigenous Faith & Culture Department অধীনত অহা প্ৰশ্ন বিলাকৰ বিষয়ে উল্লেখ কৰিব খুজিছোঁ।

আমাৰ সন্মানীয় সদস্য ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই চৰাইদেউ পত্নতান্ত্ৰিক স্থানৰ বিষয়ে ইতিমধ্যে তেখেতে নিজেই তেখেতৰ বক্তব্যত যথেষ্টখিনি কৈছে। চৰাইদেউত আহোম সকলৰ ৰাজধানী প্ৰায় ১৪৫ বছৰ কাল আছিল। খ্ৰীষ্টাব্দ ১২৫৩ চনত স্বৰ্গদেউ চাওলোংচুকাফাই আহোম ৰাজ্যৰ ৰাজধানী চৰাইদেউত প্ৰতিষ্ঠা কৰিছিল। আহোম ৰাজ্যৰ শাসন কেন্দ্ৰ হিচাপে চৰাইদেউ অঞ্চল আহোম ৰজা ট্ৰাইয়' খামতি ৰাজত্ব কাললৈ, অৰ্থাৎ ১৩৮০ ৰ পৰা ১৩৮৯ অৰ্থাৎ তেখেতৰ সময়লৈকে চলিছিল আৰু এই যি আমাৰ পত্নত্বান্তিক স্থান, এই পত্নত্বান্তিক স্থানত ধাৰণা কৰা হৈছিল যে তাত ৰাজধানী চৌহদ আছে, সমাধি ক্ষেত্ৰ আছে আৰু পবিত্ৰ তীৰ্থস্থান সমূহো আছে। আহোম সকলৰ পূৰ্বে মৰাণ আৰু বৰাহী সকলৰো এই স্থানখন অতি পবিত্ৰ আছিল আৰু আধ্যাত্মিকতাৰ কেন্দ্ৰ আছিল। যথেষ্টখিনি গৱেষনাৰ পিছতো আমি এতিয়ালৈকে চৰাইদেউত যিটো ক'ব গলে ৰাজধানী চৌহদৰ ভগ্নাৱশেষ পোৱা নাই অৰ্থাৎ স্বৰ্গদেউ চাওলোং চুকাফাই তাত ৰাজধানী পাতিছিল। গতিকে সাধাৰণতে তাত ধাৰণা কৰা হয়, তাত ৰাজধানী চৌহদ আছে। সমাধি ক্ষেত্ৰ আছে, আৰু নামঘৰ থাকিব বা তীৰ্থস্থান থাকিব। কিন্তু এতিয়ালৈকে আমি ৰাজধানী চৌহদৰ ভগ্নাৱশেষ বা আন কোনো অস্তিত্ব এতিয়ালৈকে পোৱা নাই যদিও সমাধিক্ষেত্ৰৰ স্থল আৰু ধৰ্মীয় যিটো তীৰ্থভূমি, ইয়াকে লৈ বৰ্তমান চৰাইদেউ এক জনবিশ্ৰুত বা জনপ্ৰিয় হৈ উঠিছে। এই স্থানতে আহোম স্বৰ্গদেউৰ পৰিয়াল বৰ্গ আৰু উচ্চ ৰাজ বিষয়া সকলক আহোম সকলৰ ধৰ্মীয় ৰীতিনীতি আৰু পৰম্পৰাৰে সমাধি দিয়া হৈছিল। এইটো স্থানত যিবিলাক সমাধি আছে, কোনটো কাৰ সমাধি ক'ব নোৱাৰি যদিও এই স্থানত থকা বিশেষ বিশেষ সমাধি আহোম ৰজা আৰু তেওঁলোকৰ ৰাণীৰ সমাধি ক্ষেত্ৰ বুলি অনুমান কৰিব পাৰি। কিছু সমাধিক্ষেত্ৰ ইতিমধ্যে চিনাক্তও কৰা হৈছে। এই সমাধি ক্ষেত্ৰটো অমুক জন স্বৰ্গদেউ আছিল, সেই ধৰণে কিছু গৱেষনামুলক কামো এতিয়া আৰম্ভ হৈছে। ২০১৪ চনত এই ক্ষেত্ৰ খনক ইউনেস্কোৰ যিটো সাম্ভাব্য বিশ্বৰ ঐতিহ্যৰ তালিকা, তাত অৰ্ন্তভুক্ত কৰা হয়। তাৰ পিছৰ পৰাই ৰাজ্য চৰকাৰে চৰাইদেউক বিশ্বৰ ঐতিহ্যৰ ক্ষেত্ৰলৈ উন্নত কৰাৰ বাবে বা ৰূপান্তৰ কৰাৰ বাবে য'ত পৰোনাস্তি চেষ্টা চলাই আহিছে। যোৱা সময়ছোৱাত চৰাইদেউ মৈদামৰ সংৰক্ষণ বা চৰাইদেউ পত্নত্বাত্তিক ক্ষেত্ৰৰ গোটেই অঞ্চলটোক উন্নয়নৰ বাবে আমি ২৫ কোটি টকা অনুমোদন কৰিছিলো আৰু ইতিমধ্যে সেই ২৫ কোটি টকাৰ কাম বিভিন্ন পৰ্য্যায়ত ৰূপায়ন হৈ আছে। অৱশ্যে কেইদিনমান আগতে বিভাগৰ লগত মই কথা পাতিছিলো, মই আৰু অলপ ইয়াত গতি অহাটো বিচাৰো। আৰু যিমানখিনি গতিত হৈ আছে, মই ব্যক্তিগতভাবে তাত সন্তুষ্ট নহয়। গতিকে তাত আৰু অলপ গতি দিব লাগিব। আৰু তাত অলপ কাম কৰিব লাগিব যাতে ই বিশ্ব ঐতিহ্যৰ বাবে যেতিয়াই আমি application কৰিম বা কাম-কাজবোৰ আৰম্ভ হ'ব তাত, যাতে এই development project টোৱে যথেষ্টখিনি সহায় কৰিব পাৰে। আমাৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই archaeology বিভাগ চাই থকা সময়ত আমি এই চৰাইদেউক বিশ্ব ঐতিহ্যৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিবৰ বাবে এখন Advisory Committee , preservation Committee, Monitoring Committee and Technical Committee আমি গঠন কৰি দিছিলো। তাত ড° কে. চি. নৰিয়াল, তেখেত cultural expert ক আমি গোটেই কামখিনিৰ ডচিয়াৰ প্ৰস্তুত কৰা, আমাৰ হৈ যুক্তি প্ৰস্তুত কৰা এই গোটেই কামখিনিৰ বাবে তেখেতৰ নেতৃত্বত তেখেতক expert হিচাপে লৈ আমি কাম আৰম্ভ কৰিছো। তেখেতে আমাৰ পৰা ৩ বছৰ মান সময় লৈছে। within 3 years তেখেত ৰেডি হৈ পৰিব আৰু তেখেতে বিশ্বাস কৰে যে চৰাইদেউক আমি বিশ্ব ঐতিহ্য ক্ষেত্ৰলৈ ৰূপান্তৰ কৰিব পাৰিম আৰু তাৰ বাবে

যিখিনি ingredients আছে সেইখিনি চৰাইদেউত আছে। ইতিমধ্যে আমাৰ ১৪-২-২০২২ তাৰিখে অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষ বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াও চৰাইদেউলৈ গৈছিল। এই চৰাইদেউত চলি থকা কাম সমূহৰ ক্ষেত্ৰত তেখেতেও বুজ লৈছিল আৰু ডচিয়াৰ প্ৰস্তুত কৰাৰ বিষয়ে পৰামৰ্শ দিছিল। আমাৰ ৰেভিনিউ মন্ত্ৰী যোগেন মোহন ডাঙৰীয়াও তাত অংশগ্ৰহণ কৰিছিল। এই চৰাইদেউৰ পত্মতান্ত্ৰিক যিটো ক্ষেত্ৰ আছে, যাক আমি বিশ্ব ঐতিহ্যৰ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে নিৰন্তৰ প্ৰচেষ্টা কৰি আছো, তাৰ সমান্তৰালভাবে এই চৰাইদেউক উন্নয়নৰ এটা নতুন পৰ্য্যায়লৈ লৈ যাবৰ বাবেও আমাৰ চৰকাৰে প্ৰচেষ্টা কৰি আছে। এই প্ৰচেষ্টাৰ আটাইতকৈ ডাঙৰ অংশটো হৈছে, চৰাইদেউ মেডিকেল কলেজ যাক আমি নিৰ্মানি কৰাৰ কাম হাতত লৈছিলো। যোৱা ডেৰমাহ দুমাহ আগতে মই তাত গৈ চাই আহিছিলো, খুব দ্ৰুতগতিত চৰাইদেউ মেডিকেল কলেজৰ কাম চলি আছে। মই অত্যন্ত আশাবাদী ২০২৫ চনত চৰাইদেউ মেডিকেল কলেজখন আমি ৰাইজৰ বাবে উচৰ্গা কৰিব পাৰিম। ইয়াৰ উপৰিও সন্মানীয় সদস্য ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াইও চৰাইদেউ উৎসৱ আদিৰ কথা কৈছে। যি অনুস্থান বিলাকত মই নিজেও যোগদান কৰিছিলো আৰু মই ভাবো যে আমাৰ চৰকাৰে লোৱা বিভিন্ন প্ৰচেষ্টাৰ ফলস্বৰূপে এতিয়া চৰাইদেউৰ পৰিবেশ সলনি হৈছে আৰু এটা সময়ত যিহেতু ই নাগালেণ্ড আৰু অৰুনাচলৰ সীমান্তৱৰ্তী অঞ্চল, মেডিকেল কলেজ, বিশ্ব ঐতিহ্যৰ ক্ষেত্ৰ হৈ যোৱাৰ লগে লগে চৰাইদেউৰ পুৰনা ঐতিহ্য আৰু গৌৰৱ বহু পৰিমানে বৃদ্ধি হ'ব, তাক মই বিশ্বাস কৰো। আমাৰ চৰকাৰৰ নিৰন্তৰ সহযোগিতা থাকিব যাতে চৰাইদেউক আমি উন্নয়নৰ নতুন পৰ্য্যায়লৈ লৈ যাব পাৰো। ইয়াৰ লগতে চৰাইদেউত যি অসম মালা আৰম্ভ হৈছে, শিৱসাগৰৰ পৰা একেবাৰে চৰাইদেউলৈকে সংযোগ কৰা, ইয়াৰ ফলতো মই ভাবো যে connectivity ৰ ক্ষেত্ৰতো চৰাইদেউ বহুখিনি আগুৱাই যাব পাৰিব। আমাৰ বিশেষকৈ নতুন বিধায়ক ধৰ্মেশ্ব ডাঙৰীয়াই চৰাইদেউৰ উন্নয়নৰ কাৰণে যথেষ্ট চেষ্টা কৰি আছে। তেখেতৰ চেষ্টাত আমাৰ ৰাজ্যচৰকাৰে সহযোগিতা দিব আৰু ভৱিষ্যতেও তেখেতৰ সমষ্টিটোক আগুৱাই লৈ যোৱাৰ বাবে আমাৰ প্ৰচেষ্টা অব্যাহত থাকিব। আমাৰ সন্মানীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়াই তেখেতৰ মেম্বাৰ আৱাৰ্চত বৰক্ষেত্ৰী সমষ্টিৰ উন্নয়ন সম্পৰ্কে কেইবাটাও কথা উল্লেখ কৰিছে। আৰু ইয়াৰ ভিতৰত তেখেতে বিশেষকৈ পথ নিৰ্মাণ বা ভৱিষ্যতে আমাৰ যিবিলাক road infrastructure বনাইছো, তাতে আহিব পৰা সাম্ভাব্য বিপদ সমূহৰ কথা আমাক কৈছে। ইতিমধ্যে আমি এইখিনিও জানো যে বৰ্তমান আমাৰ যি হাজো, নলবাৰীৰ ৰাস্তা আছে, বা আমিন গাওঁৰ পৰা হাজোহৈ নলবাৰীত যোৱা ৰাস্তা, তাৰ অৱস্থাটো যথেষ্ট বেয়া। ইয়াক তৎকালীনভাবে ৰিপিয়াৰ কৰা যথেষ্ট প্ৰয়োজনীয়তা আছে। মই সেইক্ষেত্ৰত সন্মানীয় সদনক আশ্বাস দিব খোজো যে, আমিনগাওঁৰ পৰা একেবাৰে নলবাৰীলৈ যোৱা যিটো ৰাস্তা আছে, সেইটো এটা সময়ত National Highway লৈ যাব। কিন্তু বৰ্তমান আমি তাক সুন্দৰভাৱে নিৰ্মাণ কৰা ব্যৱস্থা আমি হাতত ল'ম। বৰক্ষেত্ৰী সমষ্টিত যোৱা কাৰ্য্যকালত ৰাস্তা-ঘাটৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে বহুখিনি পুঁজিৰ অনুমোদন কৰিছিল RIDF, Central Road Fund আৰু Assam Mala আঁচনিৰ পৰাও বৰক্ষেত্ৰী সমষ্টিত কেইবাটাও নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল. আজি সন্মানীয় সদস্য শ্ৰীদিগন্ত বৰ্মণ ডাঙৰীয়াই অনাগত দিনত লোকনিৰ্মাণ বিভাগত কেনেকৈ কাম হ'ব পাৰে, বিশেষকৈ বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাণকেন্দ্ৰ মুকালমুৱাত এখন উৰণীয়া সেতু, মুকালমুৱা, লোহাৰকাঠা, ৰামপুৰ, কানবাৰী, দৌলাশাল, কমাৰকুছি, কালা কৰিয়া চাৰিআলিৰ কাষত drainage system ৰ কথা তেখেতে উল্লেখ কৰিছে। National Highway 2014 ত হৈছে। তাক এতিয়া National High-

way লৈ handover কৰাৰ কথা কৈছে আৰু এইধৰণে ২০১৭ চনত যিটো মৰুৱা, কমলপুৰ পথ নিৰ্মাণ হৈছে, তাৰ নিৰ্মাণৰ কাম অলপ slow হৈ আছে, তাৰ ওপৰত উল্লেখ হৈ আছে। আৰিকুছি, লোহাৰকাঠা পথটোত signature project ত ৩ কিলোমিটাৰৰ কাম বাকী আছে তাৰ ওপৰত উল্লেখ কৰিছে। এই গোটেই কথাখিনি মই নোট কৰিছো আৰু নিশ্চিতভাৱে এই গোটেই কথাখিনিৰ আমি positively কাম কৰাৰ বাবে চেষ্টা কৰিম। বিশেষকৈ signature scheme ত টকাৰ কোনো অসুবিধা নাই। গতিকে তাৰ পাছতো কামটো কিয় লেহেমীয়া হৈ আছে সেই বিষয়ে মই নিজে অনুসন্ধান কৰিম আৰু বিশেষকৈ এইবাৰ আমি মোৰ বিভাগত মই সকলোকে কৈছো যে পুৰণা এই স্কীমবিলাক আমি শেষ কৰিব লাগে কাৰণ যিহেতু এই বছৰৰ পৰা SOPD আঁচনি বন্ধ হ'ব বা আগৰ Signature scheme বিলাক ২০২২ চনত বন্ধ হ'ব। গতিকে এইবাৰ বাজেটত আমি পৰ্য্যাপ্ত পুঁজি ৰাখিছো। পুৰণা liability বিলাক যাতে clear কৰিব পাৰো আৰু কামবিলাক দ্ৰুতগতিত শেষ হয়। এইবছৰ আমি SOPD ৰ পৰিৱৰ্তে চাৰিখন নতুন আঁচনিলৈ যাব খুজিছো। আপোনালোকে বাজেটত তাৰ আভাস দেখা পাইছে। এতিয়া SOPD ৰ আঁচনিখন আমি কেৱল নগৰ অঞ্চলত সীমাবদ্ধ ৰাখিছো আৰু কেতিয়াবা কোনোবা স্থানত ৰাষ্ট্ৰপতি গৈছে, প্ৰধান মন্ত্ৰী গৈছে, তৎকালিনভাৱে কিবা কৰিবলগীয়া হৈছে বা কৰবাত অসম সাহিত্য স ভাৰ অধিৱেশন হৈছে, শংকৰদেৱ সংঘৰ অধিবেশন হৈছে, তেনেকৈ খুব তৎকালিন জৰুৰী কামৰ কাৰণে আমি ২ শ বা আঢ়ৈ শ কোটি ৰাখি থৈ দিম but otherwise SOPD ৰ আঁচনিখন এইবাৰ আমি বন্ধ কৰি দিছো বা এই আঁচনিখন নাথাকে। সেই ক্ষে ত্ৰত আমাৰ লক্ষ্য হ'ব পুৰণা আঁচনিবিলাক ২০২২ চনৰ ভিতৰত কামবোৰ শেষ হওঁক। গতিকে মই নিশ্চিতভাৱে ক'ব পাৰো যে, আমাৰ এই signature আঁচনিৰ কামটো নিশ্চিতভাৱে শেষ হ'ব আৰু সেইটো on time ত আমি কৰি পেলাব পাৰিম। সন্মানীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে মৰুৱা, কমলপুৰৰ পথটোত 45 % দলঙখনৰ কাম সম্পূৰ্ণ হৈছে আৰু 70% মুঠ ৰাস্তাটোৰ কাম শেষ হৈছে। আগষ্ট মাহৰ আগতে ৰাস্তাটো সম্পূৰ্ণ কৰি দিম। এইটো আমাৰ থাকিব। ইয়াৰ উপৰিও এই ৰাষ্টাটোৰে আৰিকুছি, লোহাৰকাঠা তিনি কিলোমিটাৰ যিটো পথ বাকী আছে, সেইটো এইবাৰ আমি অনুমোদন কৰি দিম যাতে সেই কামখিনিও আপুনি কৰি ল'ব পাৰে। গতিকে সেইখিনিও আমাৰ হৈ যাব। আগতে মই কোৱাৰ দৰে কলিতাকুছি, মৰুৱা, নলবাৰী পথটো বেয়া হৈ আছে, ইয়াৰ আমি প্ৰাককলন বনাইছো আৰু এই দুমাহ-দেৰমাহৰ ভিতৰত সেই ৰাস্তাটোৰ কামো আমি আৰম্ভ কৰি দিম। যাতে আমি মানুহক যোগাযোগৰ সুবিধা দিব পাৰো। বাকী যিখন এখন ফ্লাই অ'ভাৰৰ কথা কৈছে, তাৰ যিটো technical feasibility ৰ ওপৰত আমি পৰীক্ষা কৰিম। বৰ্তমান আমি ফ্লাই অ'ভাৰ বিলাক ৰেলৱে ক্ৰচি ঙৰ ওপৰত কৰাত আটাইতকৈ গুৰুত্ব দি আছো। গতিকে পৰৱৰ্তী সময়ত নিশ্চিত ভাৱে মোৰ মনত থাকিব আৰু আমি চেষ্টা কৰিম যাতে এইটো কৰিব পাৰি নেকি? আমাৰ সন্মানীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই আমাৰ বিভাগবিলাকৰ ওপৰত একো কথা কোৱা নাই যদিও দুই-এটা কথা মই general উত্তৰ দিছো যে, আমাৰ সন্মানীয় সদস্য সকলে এম. এল এ ফাণ্ডৰ কথাটো কৈ থাকে। কিন্তু আচলতে আপোনালোকে অলপ যদি বহল দৃষ্টিভংগীৰে চায়, এম. এল এ ফাণ্ডটোত যিমান কৰিব পাৰি, সেইখিনি কামটোত তাতকৈ আমি বহুত বেছি কাম আপোনালোকক কৰি দিও। এইবাৰ আমি কৈছো যে তিনি কোটি টকাকৈ হাইস্কুলত দিয়ক। সেইটো এম. এল এ জনে select কৰিছে। আমি কৈছো ৰাস্তাৰ লিষ্ট দিয়ক। সেইটো এম. এল এ select কৰিছে। মই এইকেইদিন extensively বাকী চৰকাৰসমূহ ভিজিট কৰি আছো।

তেওঁলোকে এম. এল. এ ফাণ্ড দিয়ে কিন্তু এম. এল এ ক বাকী কোনো কামত সোমাব নিদিয়ে। ৰাস্তাৰো লিষ্ট দিব নোৱাৰে একো ক'ব নোৱাৰে। এম. এল. এৰ লগত ইঞ্জিনিয়াৰে কথাই পাতিব নোৱাৰে। সেইটো মন্ত্ৰীয়ে চায়। অকল এম.এল.এ ফাণ্ড তেওঁলোকে ২-৩ কোটি দিয়ে এম. এল. এৰ কাম কেৱল এম. এল. এ ফাণ্ডত।মই যিহেতু পলিটিকেলি বিভিন্ন ষ্টেটতো যাওঁ, সকলো এম. এল এ মোক কয় যে, আমাৰ ইয়াত একো নাই except MLA Fund । আমাৰ ইয়াত এম. এল. এ ফাণ্ডটো গৌণ। কাৰণ বেছিভাগ কাম এম. এল. এ কৰে। কাৰণ আপোনালোকে ইয়াত প্ৰশ্নৰ উত্তৰ দিয়ে, মই ইয়াত ৰাস্তা দিছো, তাত ৰাস্তা দিছো। ক'ব লাগে যে, বিভাগে দিছে। আপোনালোকে কয় যে মই বনাইছো, মই কৰিছো। গোটেই চৰকাৰৰ টকাখিনি আপোনালোকে এম. এল এ ফাণ্ডলৈকে convert কৰি থৈ দিছে। যদি সচাঁ কথা চাব যায়, আমাৰ মন্ত্ৰী সকলে এল. পি. স্কুল বনাব লাগে, নিয়মমতে তেখেতে ডি. অ'ক ক'ব লাগে আৰু ডি অ' ই নিজৰ assessment মতে লিষ্ট দিব লাগে। ডি অ'ই এম. এল এ ঘৰত যায় যে চাৰ, আপুনি লিষ্টখন দিয়ক। তাৰমানে আমাৰ ইয়াত প্ৰত্যেকটো কামেই এম. এল. এ ফাণ্ড। আনকি অৰুণোদয় আঁচনিৰ ক্ষেত্ৰতো এম. এল এ। ইমানলৈকে গৈ কৈ দিয়ে যে মোৰ মতে ঠিকাদাৰজন হোৱা নাই। মই গোটেই ৰাজ্যবিলাকত ঘূৰি থাকো, এইটো আকৌ অকল অসমতে হয়। য'ত বিধায়কে direct লিখি দিয়ে অমুকৰ নামত ঠিকা দিব লাগে। এইটো চিষ্টেম ভাৰতৰ কোনো ৰাজ্যতে নাই। কাৰণ এই গোটেই কথাবোৰ হ'ল যে, আমি অলপ co-existকৰো। সেই কাৰণে আপোনালোকে যদি বিধায়ক পুঁজিৰ কথাটো কৈ থাকে, তেতিয়াহ'লে বাকীবিলাক বিধায়ক পুঁজি হ'ব নালাগে। বাকীখিনি চৰকাৰী ফাণ্ড হ'ব লাগিব। এতিয়া ইয়াত সকলো বিভাগ, Soil conservation বিভাগে কিবা এটা আঁচনি লয়, বিধায়কক নোসোধে, ৰাতিপুৱা আহি কয় যে, চাৰ, এইটো আমাক সোধা নাই। কেইদিনমান আগতে মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ সমষ্টিত মই কথাটো কৈছিলো। দুই এজন বিধায়কে মোক বেয়াও পাইছে। বিধায়কে বিধায়ক পুঁজিৰ বাদে কোনো সাংসদে ক'ত Railway Station হ'ব, ক'ত Airport হ'ব, ক'ত ৰিফাইনেৰী হ'ব সাংসদৰ লগত কোনেও কথায়ে নাপাতে। কোনো কেন্দ্ৰীয় মন্ত্ৰীয়ে সাংসদৰ লগত কোনো আলোচনায়ে নকৰে। যিদিনাখন উদ্বোধন হ'ব সেইদিনাখন ৰাতিপুৱা খবৰ দিয়ে। তাৰবাদে একো যোগাযোগেই নাথাকে। কাৰণ Function of executive is belongs to executive সেই কাৰণে আজি আপোনালোকে আমাৰ অসমতে এইটো এটা culture unofficially grow কৰিছে যে, ইমানটোলৈকে হয় বিধায়কজনৰ মতে ঠিকাদাৰ নোপোৱাটো বিধায়কজনে নিজক grievence বুলি ভাবি লোৱা আৰম্ভ কৰিব। তেওঁ মনত ভাবি ল'লে যে ঠিকাদাৰ জন দিয়া দায়িত্বটো আচলতে মোৰেই আৰু যদি মোক দিয়া নাই মন্ত্ৰীজনে অন্যায় কৰিছে। এনেকুৱা ধৰণে আমি ভাবিবলৈ আৰম্ভ কৰিছো। We have change our thinking process to that তাৰ ফলত কি হৈছে অসমৰ ওপৰত মন্ত্ৰী সকলৰ এক্তিয়াৰ নোহোৱা হৈ গৈছে। Minister has very less power ইঞ্জিনীয়েৰজনে ক'ব চাৰ, এইটো আমাৰ এম. এল এ দিছে, এতিয়া যে কৈছে ৰাস্তাটো সম্পূৰ্ণ কৰা নাই। এই ৰাস্তাটোৰ কাৰণে ঠিকাদাৰজন নিশ্চিত ভাৱে আগৰ বিধায়কে দি থৈ আহিছে। বৰক্ষেত্ৰী সমষ্টিত ইঞ্জিনীয়াৰেতো ভয় কৰে যে এইটো বিধায়কৰ ঠিকাদাৰ, ইঞ্জিনীয়াৰ সকলেও একো কথা নকয়। এই বস্তুটোৰ পৰা মই dealing কৰাৰ কাৰণে চেষ্টা কৰি আছো। নহ'লে আমাৰ অসমখন উন্নত হ'ব নোৱাৰে। যেতিয়ালৈকে বিষয়াসকল জবাবদিহী নহয়, তেতিয়ালৈকে কাম নহয়। কাৰণ বিষয়াজনে যেতিয়া কয় যে চাৰ, আমিতো কামটো কৰিববই নোৱাৰো। এইটোতো

বিধায়কে বেয়া পাব। এইজন বিধায়কৰ মানুহ। হয় নহয় বেলেগ কথা। আগতে মই নহয় বুলি ভাৰিছিলো। কিন্তু দুই এদিনৰ পৰা পিযুষ হাজৰিকা ডাঙৰীয়াই মোক কৈ আছে যে কোনোবা কোনোবা বিধায়কক লগ পাইছিলো আৰু তেওঁলোকৰ ঠিকাদাৰ নোহোৱা বাবে বেয়া পাইছে। এতিয়া লাহে লাহে মই বিশ্বাস কৰিছো যে এনেকুৱাধৰণৰ কাম কৰে। কাৰণ জালুকবাৰীত মই এনেকুৱা কাম নকৰো বাবে মই গম পোৱা নাছিলো। মোক লাগে কাম বেয়া হ'লে ঠিকাদাৰক ধৰিব পাৰিব লাগে। এতিয়া আমাৰ বিধায়ক সকলে এটা বস্তু চাব লাগিব যে মন্ত্ৰীসকলক আপোনালোকে তেতিয়া জবাবদিহি কৰিব পাৰিব, সদনখন তেতিয়া এখন প্লেটফৰ্মলৈ ৰূপান্তৰিত হ'ব, যেতিয়া আপোনালোকে ৰাস্তা-ঘাট বেয়া বনালে সাহসেৰে প্ৰশ্ন কৰিব পাৰে। আপোনালোকে সেইজনৰ ওপৰত প্ৰশ্ন কৰিব খোজে যদি সেইজন ঠিকাদাৰ আপোনালোকৰ মতে নিযুক্তি হোৱা নাই। কিন্তু আমাৰ মতে নিযুক্তি হোৱা ঠিকাদাৰজনে বেয়াকৈ কাম কৰিলেও প্ৰশ্ন নুঠে। প্ৰশ্ন আহিলে মই অভিযন্তাক সুধো যে এই ঠিকাদাৰজনৰ ওপৰত ইমান অভিযোগ আহিছে । তেতিয়া অলপ পিছতে মূৰটো খজুৱাই বিধায়কজনে কয় যে বিধায়কজনৰ মতে ঠিকাদাৰজন নিযুক্তি নিদিয়াৰ বাবে তেওঁৰ ওপৰত প্ৰশ্ন আহি আছে। সেইবাবে মই এই কথাটো এইবাৰ সদনত ক'ম বুলি আহিছো। এটা সমষ্টিৰ পৰা পি ডব্লিউ ডিৰ এক কিলোমিটাৰ ৰাস্তাৰ বাবে এষ্টিমেট আহে এক কোটি ত্ৰিশ লাখ টকা। আকৌ আন এটা সমষ্টিৰ পৰা এষ্টিমেট আহে নৱৈ লাখ টকা। সেয়েহে মোৰ চহী কৰোতে ভয় লাগে। কোনোবাই হয়তো সদনত নকয়, কিন্তু কোনোবাই যদি Public Interest Litigation (PIL) কৰি দিয়ে যে প্ৰতি কিলোমিটাৰত একেজন পি ডব্লিউ ডিৰ মন্ত্ৰীয়ে কলিয়াবৰৰ এক কোটি পঁচিশ লাখত চহী কৰে আৰু চামগুৰিত নৱৈ লাখত চহী কৰে। কিন্তু তাৰ Topography একেই হয়। আটাইতকৈ ডাঙৰ কথাটো হৈছে যে পি ডব্লিউ ডি বিভাগৰ এষ্টিমেটসমূহ মানুহে হাতে হাতে লৈ আহে। যদি এষ্টিমেটখন ঠিকাদাৰ বা বাহিৰা মানুহে দেখিলেই তাত আৰু একো বাকী নাথকে। এই বস্তুবিলাকেই বিভাগসমূহ চলাব নোৱাৰা কৰি দিছে। You don't have any control over any Department. মই এইখিনি কথা কেৱল বিৰোধী পক্ষৰ বিধায়কক কোৱা নাই, সকলো বিধায়ককে কৈছো। কেতিয়াবা ঠিকাদাৰে আহি মোক কয় যে চাৰ, মই SOPD এটা আনিছিলো কৰি দিয়ক। মই বিৰোধী পক্ষত থকা হ'লে কোন সমষ্টিত এক কিলোমিটাৰত কিমান ধৰিছে সেই লিষ্টখন দিবৰ বাবে মই পি ডব্লিউ ডি বিভাগৰ মন্ত্ৰীক হাহাকাৰ লগাই দিলোহেঁতেন। ভাৰত চৰকাৰৰ Standing Instruction যে PMGSY পাৰ কিলোমিটাৰ ৭৫ লাখ আৰু এইখিনি গোটেই ভাৰতবৰ্ষতেই একেই। যদি অসমত বানপানীৰ কাৰণে বেছি কৰিছে তাৰ বাবে লিখিত নিৰ্দ্দেশনা থাকিব। বানপানীপ্ৰবন অঞ্চলৰ কাৰণে ২০ লাখ টকা প্ৰতি কিলোমিটাৰত বেছিকৈ দিছো। এতিয়া জালুকবাৰীৰ কাৰণে এষ্টিমেট বনাই আছে এক কোটি পঁচিশ লাখকৈ। যিহেতু মুখ্যমন্ত্ৰীৰ সমষ্টি, ফাইল কোনে চাব? কিন্তু জালুকবাৰীৰে কাষৰ ৰঙিয়া আৰু কমলপুৰত এক কোটি টকাৰ এষ্টিমেট বনাইছে কাৰণ তাত মুখ্যমন্ত্ৰী নাই বিধায়ক আছে। এতিয়া কোনোবা PIL কৰা মানুহ যদি হাইকোৰ্টলৈ যায় আৰু যদি প্ৰশ্ন কৰে এইটো বহুত ডাঙৰ দুৰ্নীতি হৈছে আৰু ইয়াৰ উত্তৰ দিয়ক। এতিয়া মোৰ লগত ইয়াৰ একো উত্তৰ নাই। এইখিনি কথা ক'লে বিধায়কসকলে বেয়া পায়। বিধায়কসকলে অকল বেয়া পাব। কিন্তু মন্ত্ৰীজন যে ইয়াৰ বাবে জেইললৈ যাব। বেয়া পোৱা আৰু জেইললৈ যোৱাৰ মাজত পাৰ্থক্য আছে। বেয়া পাওঁক কিন্তু জেইললৈ তো যাব নোৱাৰি। সেইকাৰণে লাহে লাহে আমি ৰূপান্তৰৰ ফালে যাব লাগিব। অসমৰ এটা পৰ্য্যায় আছিল। সেইটো পাৰ হৈ গ'ল। সেইকাৰণে আমি Standardized কৰিছো। তালিকাখন বিধায়কে

দিয়াত আপত্তি নাই। It is addition to the MLA Fund. আপোনালোকে সদনত যে MLA Fund এক কোটি বুলি কৈ থাকে সেইটো আচলতে এক কোটি নহয়। এতিয়া মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণত বিশ কিলোমিটাৰ ৰাস্তা যদি নিৰ্মাণ হয়, তাত পঁচিশ লাখ টকা পূৰণ হ'ব। তেতিয়া MLA Fund টো বিশ কোটি টকাৰ হৈ গ'ল। যদি আপোনালোকে কয় আপোনালোকক MLA Fund লাগে, তেতিয়াহ'লে কথাটো বেলেগ। MLA Fund টো নিশ্চয়ভাৱে পাঁচ কোটি টকাৰ হ'ব লাগিব। তাত কোনো আপত্তি নাই। মই MLA Fund ৰ টকা এটকাও নবঢ়াও। ইয়াত মোক বেয়া পাই লাভ নাই। কাৰণ মই Discretionary Fund বোৰ কমাই কমাই আনি আছো। মোৰ গোটেই প্ৰশাসনৰ প্ৰক্ৰিয়াটোৱেই হৈছে Discretionary Fund বোৰ লাহে লাহে কমাই অনা। এইবাৰ মোৰ Discretionary Fund আছে দহ লাখ টকা। আগে-পিছে এই পইচাখিনি মানুহক দিয়া হয়। এইবাৰ অনুষ্ঠানক দিবলৈ কৈছো। কাৰণ Discretion কম হ'ব লাগে। Discretion এ প্ৰিভিলেজৰ সৃষ্টি কৰে। কাৰণ কেইজনমানে Discretion পায়, শাসকীয় দলৰ বিধায়ক সকলে পাব আৰু বিৰোধী দলৰ বিধায়কসকলে নাপাব। সেইকাৰণে আমি Discretion কমাই দিছো। এইবাৰ আমি পি ডব্লিউ ডি বিভাগত সকলো এষ্টিমেট ৮৫ লাখৰ হ'ব লাগে বুলি কৈছো। সকলোবোৰ ৮৫ লাখৰ আশে-পাশে হ'ব। কাৰোবাৰ হয়তো ৮৭ লাখ হ'ব পাৰে কাৰণ ৰাস্তাত গাঁত বেছি আছে। কাৰোবাৰ হয়তো ৯০ লাখ হ'ব পাৰে। But nobody will cross 85 + - 10 %. এতিয়া আমাৰ অভিযন্তাসকলৰ অভ্যাস আছে যে প্লাচত যাব, মাইনাচত নাযায়। ঠিক তেনেকৈ মুখ্যমন্ত্ৰী উন্নত পকী পথ যোজনাতো আমি ঠিক কৰিছো ১.২০ কোটি। কৰোবাত হয়তো পাঁচ লাখ বেছি লাগিব পাৰে কাৰণ সেইবোৰ বানপানী প্ৰবন অঞ্চল। অভিযন্তাই তেওঁৰ ৰিপোৰ্টত লিখিব লাগিব যে সেই অঞ্চলটোত তেওঁ কিয় পাঁচ লাখ বেছিকৈ ধৰিছে। কাৰণ আজিকালি যুৱ প্ৰজন্মটো খুব স্মাৰ্ট আৰু বহু চাই থাকে। কোনদিনাখন ক'ত PIL কৰি দিব ঠিক নাই আৰু ক'তো বিধায়কৰ চহী নাথাকে। অভিযন্তা, কমিশ্যনাৰ আৰু মিনিষ্টাৰৰ চহী থাকে। এষ্টিমেট অভিযন্তাসকলে বনোৱা বুলি লিখে আৰু মন্ত্ৰীসকলে তাত চহী কৰে। কেতিয়াবা হাইকোৰ্ট হ'লে কোনেও তাৰ মেৰপাকৰ পৰা ওলাব নোৱাৰিব। মই ঠাইখনৰ নাম নকওঁ। এক বছৰ আগতে মই দেখিছো যে এষ্টিমেট বনাওঁতে প্ৰতি কিলোমিটাৰত এক কোটি পঁয়সত্তৰ লাখ এষ্টিমেট বনাইছে। মই তাত মুখ্যঅভিযন্তা আৰু আয়ুক্ত সচিবে চহী কৰা দেখি মইও চহী কৰিছো। বিল ক্লিয়াৰেঞ্চৰ কাৰণে আহোতে মই আয়ুক্ত সচিবক প্ৰশ্ন কৰোতে তেওঁ মোক উত্তৰ দিলে যে চাৰ, আপুনিয়েইতো এপ্ৰোভ কৰিছে। আয়ুক্তৰ সচিবৰ মুখত ষ্টেণ্ডাৰ্ড উত্তৰ এইটোৱেই থাকে। তেওঁ এষ্টিমেটখন তেওঁ বনোৱা বুলি নকয়। সেয়ে আমি লাহে লাহে নিয়মৰ মাফিকত যাবলৈ চেষ্টা কৰি আছো। কালি মই উত্তৰ দিওঁতে বিৰোধীসকলে শ্লোগান দি আছিল। সেইকাৰণে হয়তো শুনা নাই। সেইকাৰণে মই আজি পুনৰ ৰিপিট কৰিম। এইবাৰ আমি ৰাস্তা-ঘাটৰ ক্ষেত্ৰত কি কি কাম কৰিব খুজিছো আগতীয়াকৈ জনাই দিম। আগষ্ট মাহলৈকে আমি এষ্টিমেট লৈ আহিম আৰু একেলগে চেপ্টেম্বৰ মাহত টেণ্ডাৰ হ'ব। বিত্ত বিভাগ আৰু গড়কাপ্তানী বিভাগে একেলগে বহি একেদিনাই এপ্ৰোভেল কৰিব আৰু একেদিনাখনেই গোটেই অসমৰ কাৰণে টেণ্ডাৰ কৰিব আৰু একেদিনাখনেই কাম শেষ হ'ব লাগিব যাতে কোনেও আগত বা পিছত দৌৰিব নালাগে। কোনোবা সমষ্টিত হয়তো অলপ কম-বেছি হ'ব পাৰে। দ্বিতীয়তে হৈছে সকলোৱে উত্তৰ দিয়ে মোৰ সমষ্টিত কিমান হৈছে? আমাৰ চৰকাৰৰ যিটো প্ৰিঞ্চিপ'ল, আমি সেই মতে We follow district, we don't follow constituency. কাৰণ জালুকবাৰীৰ ৰাস্তা বনাই লাভ নাই যদি কমলপুৰত ৰাস্তা

নহয়। ৰাস্তাইতো সমষ্টি বুজি নাপায়। আপোনালোকে মাজে মাজে কাৰ সমষ্টিত কিমান ৰাস্তা হৈছে, সেই বিষয়ে প্ৰশ্ন কৰে। আমি কৈছো যে Don't follow the constituency, follow the district. Because district is the administrative unit. Constituency is not the administrative unit. আজাৰা আৰু পলাশবাৰী সমষ্টিৰ মাজত কোনো গেপ নাই। আজাৰাৰ যেতিয়া ৰাস্তা এটা পলাশবাৰীলৈ টানি আনিব তেতিয়াহে ৰাস্তাটো সম্পূৰ্ণ হ'ব। পশ্চিম গুৱাহাটী আৰু পূব গুৱাহাটী সংযোগ হ'লেহে ৰাস্তা এটা হ'ব। গতিকে আমাৰ নিটি আয়োগৰ যিটো নীতি, সেইটো On the rate of district not constituency. সেইকাৰণে আমি জিলা অনুযায়ী উন্নয়ন কৰিব বিচাৰো আৰু জিলাক কামবিলাক দিছো। যদি মোৰ সমষ্টি বুলি কয় অলপ অসুবিধা হয়। আমি জিলা এখনক ডেভলপমেণ্ট ইউনিট হিচাপে লৈ, চাব-ডিভিজন এটাক ডেভলপমেণ্ট ইউনিট হিচাপে লৈ হেঁচা দি থাকিম। যাতে কামবিলাক হয়। আমাৰ উদ্দেশ্যটো হ'ল Saturation Model. যেনেকৈ অৰুণোদয় আঁচনিত আপোনালোকে দেখিব আমি তাত এতিয়া কম্পিউটাৰাইজ প্ৰগ্ৰেম কৰি আছো। কোন গাওঁত ভোটাৰলিষ্ট অনুযায়ী অৰুণোদয় আঁচনি পাইছে? মই যেতিয়া এখন গাওঁত যাম মোৰ ফোনতেই থাকিব কোন কোন লোকে অৰুণোদয় আঁচনি পাইছে। আমি এইখিনি আপোনালোকৰ লগত শ্বেয়াৰ কৰি দিম আৰু আপোনালোকে সেই লোকসকলক মাতি দিব পাৰিব। Software, Programming, Computer থাকিব। ভোটাৰ লিষ্টৰ নামৰ বিপৰীতে অৰুণোদয় তাত মাৰ্কিং হৈ থাকিব। যেনেকৈ আপোনালোকে কম্পিউটাৰত টাইপ কৰিলে ভোটাৰ লিষ্টখন দেখা পাই এতিয়া কম্পিউটাৰ টাইপ কৰিলে অৰুণোদয় আঁচনিখনো দেখা পাব আৰু কোন কেইটা পৰিয়ালে অৰুণোদয় আঁচনি পোৱা নাই সেইটোও উল্লেখ থাকিব। তেতিয়া আমাৰ লাহে লাহে উদ্দেশ্য হ'ব যে এখন গাঁৱত যদি ত্ৰিশটা পৰিয়াল আছে, তাৰে অন্ততঃ বিশটা পৰিয়াল অৰুণোদয়ৰ অধীনত আহে। এটাSaturation Model. ত যাতে সকলোৱে এই আঁচনিসমূহ পাই পাই গৈ থাকে। এতিয়া আমাৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ কথা হৈছে। আৱাস যোজনাৰ পিছতেই এখন চাৰ্ট ওলাব যে কিমান মানুহে আৱাস যোজনা পালে? তাৰ পিছত অহা বছৰ চৰকাৰে চাব যে নোপোৱা কেইজন থাকিল আৰু Let us focus on that. এতিয়া যদি আমি কৈ দিওঁ পাঁচ হাজাৰ সমষ্টিত ঘৰ দিয়া হ'ব, এতিয়া যদি আমি কৈ দিওঁ যে ৫০০০ ঘৰ মানুহক প্ৰত্যেক সমষ্টিত দিয়া হ'ব, তেতিয়া পোৱাখিনিৰ নাম আকৌ তাত আহিব। এতিয়া ভোটাৰ list খন চোৱাৰ লগে-লগে নোপোৱা লোকৰ তালিকা এখন চৰকাৰে গঠন কৰি ল'ব and future development activity will focus on the left out people.আমি যিটো digital governance ৰ architecture কৰিছো তাত আমাৰ focus থাকিব left out population ৰ ওপৰত। Left out population খিনিকো যদি আমি দি দিব পাৰো then we will reach saturation, আমি completion ৰ ফালে যাব পাৰিম।

আমাৰ মজিবুৰ ৰহমান ডাঙৰীয়াৰ সমষ্টিত শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ভাল কাম কৰা নাই যে বিজ্ঞান শাখা টো ৰাখি কলা আৰু বাণিজ্য শাখাটো দিয়া নাই। গতিকে মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে minority area ত আমি বহু স্কুল আৰু কলেজ কৰিব লাগে। আমাৰ এটা প্লেন আছে যে অসমৰ সংখ্যালঘু সমষ্টিবিলাকত মাদ্ৰাছা শিক্ষাৰ পৰিৱৰ্তে যিমান পাৰো general education সুমোৱাব লাগে। গতিকে আমাৰ সংখ্যালঘু বা সংখ্যাগুৰুৱেই কওঁক আমি সকলোৱে বহি এটা কাম কৰিব খুজিছো যে ক'ত কিমান কলেজ বা স্কুলৰ প্ৰয়োজন সেইখিনি

আমি push কৰিব খুজিছো। সেইসূত্ৰে দলগাওঁ দীনদয়াল উপাধ্যায় কলেজত আমি immediately introduce কৰিম।

**শ্ৰী ছিদ্দিক আহমেদ, (কৰিমগঞ্জ দক্ষিণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ কলেজত যদি একেলগে বিজ্ঞান,কলা আৰু বাণিজ্য শাখাটো দিয়ে তেতিয়া ভাল হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** একেলগে দিয়াটো অসুবিধা হ'ব। য'ত বিজ্ঞান শাখা আছে তাত আপোনালোকে কলা শাখাটো লৈ ল'ব। তাৰকাৰণে দুই তিনিটা কোঠা লাগিব আৰু চৰকাৰী নীতি নিয়মত বনাবলৈ বহুত সময় লাগিব। গতিকে মই অলপ অলপ ফাণ্ড untied fund ৰ পৰা মুকলি কৰি দিম। Principal ৰ লগত কথা পাতি আপোনালোকে কোঠা সমূহ বনাই ল'ব আৰু য'ত য'ত বিজ্ঞান শাখা কৰিছিলো সেই সকলো কলেজতে আমি কলা শাখাটো introduce কৰি দিম। আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই আপোনালোকক data এটা দি দিব যে ক'ত ক'ত আমি এইটো কৰিব লাগিব। Finally আমাৰ গোটেই কেইটা minority dominated সমষ্টিত একোখনকৈ কলেজ হ'ল। সিদিনা মই ৰহাত গৈছিলো তাতো মই কৈ আহিছিলো যে সেই অঞ্চলত আমি এখন কলেজ প্ৰতিষ্ঠা কৰিম and basically we will focus on girls education. গতিকে লাহে-লাহে মই মিটিং কৰিম, আপোনালোকক মাতিম আৰু তাৰ পিছত আপোনালোকে list দিব যে আমি minority area ত maximum college and school or higher secondary push কৰিব খুজিছো। আজি ৭৫ বছৰে য'ত শিক্ষা আগ নাবাঢ়িলে , সেইখিনি যাতে আমি স্বাধীনতাৰ অমৃত মহোৎসৱৰ সময়ত push কৰিব পাৰো। সংখ্যালঘু অঞ্চলৰ সম সাপেক্ষে আমাৰ জনজাতি আৰু চাহ জনজাতি অঞ্চল সমূহতো ১০০ খন স্কুলৰ কাম আমি ১০ মে'ত আৰম্ভ কৰি দিম। তাৰ পিছত আমি চাহ জনজাতি অঞ্চলত আন বহু কেইখন হাইস্কুলৰ কাম হাতত ল'ম। আচলতে হায়াৰ ছেকোণ্ডাৰী স্কুল হ'ল কাৰণ এতিয়া হাইস্কুল গুছি গল। তৃতীয়তে আমি জনজাতি অধ্যুষিত অঞ্চলৰ কাম হাতত ল'ব বিচাৰিছো। কোনোৱে যদি NC Hills বা ডিমা হাচাও লৈ গৈছে তেনেহ'লে গম পাব যে মাইবং আৰু উমৰাঙছু ৰ মাজত ইমান distance যে অকল এখন কলেজ আছে NC Hills ৰ মাইবঙত। যিটোৰ কোনো মানে নাই। কোনোবাই ক'ব পাৰে যে হাফলংটো এটা সমষ্টি, তাত তিনিখন কলেজ দিছে। কিন্তু হাফলঙৰ geography টোৱে এনেকুৱা যে তাত সমষ্টি চাই লাভ নাই। You have to take it as a different geographical area. আৰু এটা কাম আমি কৰিবলগীয়া আছে যিটো আমাৰ বকো সমষ্টিৰ বিধায়িকা আৰু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াইও কৈছে যে চৰ অঞ্চলত যি সমূহ connectivity আছে আমি সেই সমূহৰ ওপৰত focus কৰিম যাতে connectivity দিব পাৰো আৰু মানুহখিনি ওলাই আহিব পাৰে। তেওঁলোক ওলাই আহিব পাৰিলে তেওঁলোকৰ আধুনিক কথা ব্যৱস্থাৰ পৰিচয় হ'ব আৰু চিন্তা ধাৰাৰো পৰিৱৰ্তন হ'ব।

**শ্ৰী মতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ connective bridge ৰ বেছি প্ৰয়োজন হৈ আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** এইটো মোৰ target ত আছে। এইবাৰ পইচাৰ কাৰণে এইটো কৰিব পৰা নাই। অহাবাৰ with due focus in minority area, tea garden area and tribal area ৰ লগতে দলঙৰ কামো আগবঢ়াব খুজিছো। শেষত মই সদস্য সকলক এটা অনুৰোধ কৰিম যে এইবাৰ যিহেতু হাইস্কুলসমূহত শিক্ষামন্ত্ৰী ডাঙৰীয়াই পুঁজি দিছে আৰু LP school সমূহত যি ৫০ লাখ টকাকৈ দিছো এইবিলাকৰ যাতে ভাল সদ্ ব্যৱহাৰ হয়।

তেতিয়া আমি হাইস্কুল সমূহক immediately higher secondary school লৈ convert কৰিব পাৰিম। আমি হাইস্কুল বিলাকৰো এটা design বনাব খুজিছো। পুৰণা যিসমূহ ঘৰ আছে, পূৰণি বহু ঘৰৰ লগত কিছুমান আবেগ জড়িত হৈ আছে সেইখিনিক বাদ দি যিসমূহ ৫০ বছৰৰ ভিতৰত আছে সেইবিলাক ভাঙি নতুনকৈ আমি স্কুলবিলাক নিৰ্মাণ কৰিব লাগে। তিনিটা কথাৰ ওপৰত আমি সদনে এদিন আলোচনা কৰিম। আজি Member's Hour তো আমি কিছুমান কথা আলোচনা কৰি আছো, এইবিলাক চৰকাৰৰ সিদ্ধান্ত নহয় these are flexible. প্ৰতিখন সমষ্টিত আমি এখন এখন মডেল স্কুল দিব বিচাৰিছো। বহুতে মডেল স্কুল ব্যৱস্থাটোক সমালোচনা কৰে কিন্তু য'ত য'ত মডেল স্কুল আছে তাত বিধায়ক সকলে জানে যে তাক ৰাইজে কিমান আদৰণি জনাইছে। Immediately একোখনকৈ স্কুল মডেল স্কুল কৰিবলৈ শিক্ষা মন্ত্ৰী ডাঙৰীয়াক নামটো দি দিয়ক। সেই স্কুলখন কেনেকুৰা হ'ব পাৰে যে amalgamation ৰ কাৰণে যদি সেই স্কুলখন বন্ধ হৈছে তেতিয়াহ'লে সেই স্কুলতে যাতে আমি মডেল স্কুলৰ বিল্ডিং নিৰ্মাণ কৰিব পাৰো। এইবছৰ মোৰ এটা target আছে যে আমাৰ গোটেই কেইটা সমষ্টিতে একোখনকৈ মডেল স্কুল হ'ব লাগে। এই কথাটো বাজেটত আমি কোৱা নাই কিন্তু PWD ৰ বাজেটত আমি যথেষ্ট টকা ৰাখি থৈ দিছো যাতে একোখন মডেল স্কুল হ'ব পাৰে। এই বিধান সভাৰ কাৰ্য্যকালতে যাতে য'ত মডেল স্কুল নাই তাত আমি এখন এখন মডেল স্কুল পাব পাৰো। মডেল স্কুল মানে এটাই কথা যে curriculum টো। বাকীতো সকলো স্কুল সমান। বহুত মানুহে private education, public education কৈ থাকে। তাৰ উত্তৰটো এইটোৱে হ'ল যে যদি আমি public education টো compatible কৰো with private education curriculum ৰ পৰা আৰম্ভ কৰি সকলো ফালে যদি সমকক্ষ কৰিব পাৰো, মানুহ আজিও চৰকাৰী স্কুললৈ আহিব খোজে। আজি আমি মেডিকেল কলেজ সমূহ কৰি দেখিছো যে বেছিসংখ্যক ৰোগী মেডিকেল কলেজলৈ আহে। যোৱাকালি আমাৰ cut-motion ত শিক্ষা, স্বাস্থ্যৰ কথা কোৱা হৈছিল। কিন্তু যিটো গতিত আমি As a whole goal কৰি আছো, মই বহুত আশাবাদী যে ৫ বছৰৰ ভিতৰত অসমখনৰ এটা ডাঙৰ ৰূপান্তৰ যাত্ৰা হ'ব। কিন্তু ৰূপান্তৰ তেতিয়া হ'ব যেতিয়া আমি মানসিকতাৰ পৰা পুৰণা চিন্তা সমূহ বাদ দিব পাৰিম। শিক্ষা মন্ত্ৰী ডাঙৰীয়াই আপোনালোকক specific কথাখিনি ক'ব কিন্তু education will continued to be a priority area.য'ত প্ৰয়োজন আছে তাত আমি কাম কৰিম আৰু PWD ৰ ক্ষেত্ৰতো মই উত্তৰখিনি দিছো আৰু মই সদস্য সকলৰ খুৰ active participation আশা কৰিছো। ইয়াত শিক্ষকৰ কথাও কৈছে, আচলতে আমাৰ শিক্ষক বহুত আছে কিন্তু আমি ভালদৰে rationalization কৰিব পৰা নাই। কিছুমানে কৈছে যে ২০১২ চনৰ পৰা TET পৰীক্ষাত পাচ কৰি আছে। আচলতে বিধায়ক সকলৰ ওচৰত কোনোবা আহিলে বুজাব লাগে যে TET pass কৰা মানেই চাকৰি নহয়। এইটো eligibility criteria মাত্ৰ। আমি প্ৰতিটো বিজ্ঞাপনতো লিখো যে টেট মানে চাকৰি নহয়. আমাৰ উদ্দেশ্য হ'ল যে লৰাজনে যাতে বন্দী হৈ নাথাকে । পালেতো ভাল, নাপালে যাতে আন আন ইন্টাৰভিউ বিলাক দি থাকিব পাৰে । সেই কাৰণে আপোনালোকে এটা কথা জানিব যে অসমত টিছাৰ এপইন্টমেন্টৰ যিমান স্কোপ আছিলে , মই শিক্ষা মন্ত্ৰী থকাৰ সময়ত - I exploited it to maximum. য'ত যি সুবিধা আছিলে । এইবাৰো আমাৰ চৰকাৰৰ ১ লাখ নিযুক্তি- জুন মাহৰ ভিতৰত আমি ১৬ হাজাৰ টিছাৰ এপইন্টমেন্ট দিম । আমাৰ চৰকাৰ প্ৰথম আহিয়ে আমি এক বছৰতে এপইন্টমেন্ট দিছিলো । কিন্তু সমস্যাটো হ'ল যে আমাৰ লৰা ছোৱালীয়ে

গাঁৱৰ স্কুলত যাব নোখোজে ।এই প্ৰব্লেমটো কেনেকৈ আমি অভাৰ কাম কৰো সেইটোৰ ওপৰত আমি অলপ চাব লাগিব। every day we meet people যে ধুবুৰীত থাকিবলৈ মন নাই, বৰপেটাত থাকিব মন নাই। কোনোবাই ক'ব গুৱাহাটীত নাথাকো ।কোনোবাই মাজুলীত কয় যে মাজুলীলৈ ঘুৰি আহিব লাগে ।ডিব্ৰুগড়ত কয় ডিব্ৰুগড়লৈ ঘুৰি আহিব লাগে। দুটা কাম একেলগে হ'ব নোৱাৰে ।শিক্ষকো নিযুক্তি দিয়ক- পোষ্টিংখিনিটো নিজৰ মতে দিয়ক ।কাৰণ হাই কোৰ্ট আৰু চুপ্ৰিম কোৰ্টৰ জাজমেন্টটো হ'ল যে, সমষ্টিভিত্তিত এপইন্টমেন্ট দিব নোৱাৰে। জিলাভিত্তিক এপন্টিমেন্ট দিব গ'লেও বহু কাগজ পত্ৰ বনাব লাগে আৰু ইমান কোৰ্ট কেচ হয় , এই কেইদিন এপইন্টমেন্ট হৈ আছে , আপোনালোকে ফ'লো কৰিলে দেখিব যে, যদি ক'ৰবাত পইন্ট মাৰ্কছ এটাও গণ্ডোগল হৈছে মানুহে গৈ কোৰ্ট কেচ কৰি দিয়ে । কেচ কৰি গোটেই এপইন্টমেন্ট প্ৰচেচটো ষ্টে কৰি দিয়ে ।সেই কাৰণে আমি বহু সাৱধানে নিযুক্তিবোৰ দিছো ।এতিয়া দলগাঁওৰ কথাটো বিধায়ক গৰাকীয়ে ক'লে যে জি এন এম নাৰ্ছ আহে , কয় যে ঘৰলৈ ঘুৰি যাব লাগে । কোনটো ঘৰত ঘুৰি যাব লাগে ? সকলোৱেতো ঘৰত ঘুৰি যাব লাগে। আমাৰ ঘৰটো হ'ব লাগিব চাব ষ্টেশ্যনটোৰ লগত ।এই যে আমি কথাবিলাক ৰেগুৰালাইজড কৰি দিছো যে কোনোবা এজন আহিব আৰু ক'ব যে ঘৰত ঘূৰি যাব লাগে, ঘৰ বুলিতো বেলেগ বস্তু নাই। মানে গধুলি গুৱাহাটীত ঘূৰি আহিব নেকি। এতিয়া ঘৰ মানে - গৰ্ভমেন্টৰ হেড কোৱাৰ্টাৰ্ৰি লিভ পাৰ্মিশ্যন নোহোৱাকৈ কোনো ঘৰত ঘূৰি যাব নোৱাৰে ।ঘৰত যোৱাটো এটা ডাঙৰ উৎসৱ। আমাৰ দেউতা হতঁৰ দিনত যেতিয়া চাকৰি কৰিছিল তেওলোকে ঘৰলৈ যাবলৈ ৪ মাহ আগৰে পৰাই প্লেনিঙ কৰে ।এতিয়াও পুলিছৰ ডি এচ পি- এচ পি সকলে ঘৰলৈ যাবলৈ ৪ মাহ আগৰে পৰা প্লেনিঙ কৰে । ঘৰ এনেকুৱা বস্তু নহয়, য'ত মই চাকৰি লৈছো সেইটোৱে মোৰ ঘৰ ।এতিয়া গধুলি ঘৰত গুচি আহিব খোজে । তেনেকুৱা হ'লে চৰকাৰে কিমান কৰিব । শ্বিফটিং কৰি থাকিব লাগিব । সেই কাৰণে মানুহক আমি এগ্ৰিচীভলী বুজাব লাগিব যে চৰকাৰৰ দায়িত্ব কি, বিষয়া -কৰ্মচাৰীৰ দায়িত্ব কি- মঙ্গলদৈত চাকৰি কৰা মানে গধুলি গুৱাহাটীত ঘুৰি অহাটো নহয়। জিলা এখনৰ জুৰিচডিকশ্যন পাৰ হ'বৰ কাৰণে ডি চিৰ ৰিটেন অৰ্ডাৰ নহ'লে কোনেও জিলাখন পাৰ হ'ব নোৱাৰে। গধুলি যদি কোনোৱা এজনে ভি ডি অ এটা কৰি চৰকাৰক দিয়ে , কোনোৱা মঙলদৈত চাকৰি কৰে কিন্তু গুৱাহাটীত বজাৰ কৰি আছে। তেওঁক চাচপেনশ্যন কৰিবলৈ সেই ভিডি অটোৱে যথেষ্ট কাৰণ তেওঁ ডিষ্ট্ৰিক্ট হেড কোৱাৰ্টাৰ লীভ পাৰ্মিশ্যন লোৱা নাই। এতিয়া গুৱাহাটীৰ পৰা গৈ নলবাৰীত চাকৰি কৰা - মৰিগাঁৱত - নগাঁৱত চাকৰি কৰা এনেধৰণে আমি আন অফিচিয়েলী কৰিয়েই আছো। কিন্তু এনেকৈ এখন সমাজ চলি থাকিব নোৱাৰে। আগতে এল পি স্কুলৰ মাষ্টৰ মানে কি, তেওঁ কেৱল মাষ্টৰীয়ে নকৰে য'ত তেওঁৰ পোষ্টিং সেই ঠাইৰ দুৰ্গা-পূজা, বিহু আৰু তেওঁ সেই সমাজ জীৱনৰ অংগ হৈ পৰে ।ইয়াত কিছুমানে এতিয়া বাছৰ ব্যৱস্থাও কৰি লৈছে। ৰাতিপুৱা একেলগে ভাৰা কৰি খানাপাৰাৰ পৰা মৰিগাঁৱলৈ বাচেৰে যায় আৰু একেখন বাছতে গধুলি খানাপাৰালৈ ঘূৰি আহে। তাৰ মানে কি তেওঁ গেষ্টে হৈ থাকে আৰু ক'লে কয় যে মোৰ ছোৱালীজনী অকলে থাকিব নোৱাৰে। চৰকাৰী চাকৰিটো এনেকুৱা নহয়। মাৰ্ঘেৰিটাত যদি পোষ্টিং তেওঁ মাৰ্ঘেৰিটাতে থাকিব লাগিব। তেওঁ মাৰ্ঘেৰিটাৰ এচ ডি অ, চিভিলৰ পাৰ্মিশ্যন নোহোৱাকৈ সেই ঠাই পাৰ হ'ব নোৱাৰে। এতিয়া যদি আমি বিধান সভাত আমি ওলোটাই কওঁ তেওঁ ঘৰলৈ ঘূৰি আহিব লাগে আৰু আমি তেওঁলোকক যদি এনকাৰেজ কৰি থাকো তেতিয়া হ'লেতো আইন ধৰি ৰখা কোনো মানুহে নাথাকিব। সেই কাৰণে আপোনালোকে টেটৰ যিবিলাক ল'ৰা পোষ্টিং হৈছে তেওঁলোকক মাতি আনিব খুৱাব,বহিব দিব, কথা পাতিব আৰু

ক'ব যে তোমালোকে ইয়াতে থাকা মই সুবিধা কৰি দিম। যদি ভি ডি অ ওলাইছে যে টেট শিক্ষয়িত্ৰীৰ ওপৰত অত্যাচাৰ হোৱা তেতিয়া বিধায়কজনে লগে লগে যাব লাগে । তেওঁক ক'ব লাগে তোমাৰ লগত মই আছো তোমাক কোনেও একো কৰিব নোৱাৰে । এই যিবিলাক চিষ্টেম, এই ইক' চিষ্টেমটো যদি আমি বনাও তেতিয়াহে অসমখন পৰিবৰ্তন হ'ব পাৰিব । আপোনালোকে সেই দিশতে কাম কৰক , আমি সকলো লগত আছো। আমি সকলোৱে একেলগে মিলি কাম কৰিম এইখিনিতে মই সময় অলপ বেছি ললো যদিও কথা খিনি ক্লিয়েৰ কৰি দিলো । ধন্যবাদ

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কনচালটিভ কথা কৈছে মই বিৰোধী পক্ষৰ পৰা এইটো ৱেলকাম কৰিছো। মডেল স্কুল- মডেল কলেজৰ কথা কৈছে । কিন্তু মডেল কলেজৰ ইনফ্ৰাচষ্ট্ৰাকচাৰ হৈ আছে কিন্তু এবানডোণ্ড হৈ পৰি আছে সেই কথাটো কৈছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় যদি কোনোবা মডেল কলেজৰ ইনফ্ৰাচষ্ট্ৰাকচাৰ হৈ আছে কিন্তু পৰি আছে - শিক্ষা মন্ত্ৰীক দিব আমি এক মাহৰ ভিতৰত পোষ্ট ক্ৰিয়েট কৰি ব্যৱস্থা ল'ম

**শ্ৰীদূৰ্গাদাস বড়ো (কলাইগাঁও)ঃ** মাননীয় উপাধ্যক্ষ মহোদয় , বি টি চিত , কাৰ্ব্বি আংলঙ আৰু নৰ্থ কাছাৰ জিলাত যিখিনি হেৰিটেজ স্কুল আছে ৭৫ বছৰ কৰিলে এখনো স্কুল নপৰে তাত । গতিকে কিবা এটা কনচিডাৰেশ্যন থাকিলে ভাল হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে সিদ্ধান্ত লৈছে যে যিহেতু বিটিচি, নৰ্থ কাছাৰ, কাৰ্ব্বি আংলং এইবিলাক ঠাইত শিক্ষানুষ্ঠান দেৰিকৈ হৈছিল সেইবাবে আপোনালোকে এই জিলাকেইখনৰ সেই সমষ্টিৰ আটাইতকৈ পুৰনি বা আটাইতকৈ চিনিঅ'ৰ ৩ খন স্কুলৰ নাম দিব। ধৰক কলাইগাঁৱৰ চিনিঅ'ৰ স্কুলখন যদি ২০ বছৰো হয় আমি কৰি দিম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া নৰুল হুদা ।

**মোঃ নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই এটা অনুৰোধ জনাব বিচাৰিছো যে ৰূপহীহাট মহাবিদ্যালয়ত বিজ্ঞান শাখা বিচাৰি দুবাৰ আবেদন কৰিছো নাপালো। তাত এম এল এ আৰু এম পিৰ পুঁজি দি বিজ্ঞানাগাৰ বনাইছো ক্লাছ ৰুমো বনাইছো। গতিকে বিজ্ঞান আৰু কমাৰ্চৰ গোটেইখিনি ক্লাচ ৰুম আৰু বিজ্ঞানাগাৰ আছে। গতিকে মই আপোনাক অনুৰোধ জনাইছো বিজ্ঞান আৰু বাণিজ্য শাখাটো দিলে ভাল হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** নুৰুল হুদা ডাঙৰীয়া আপুনি সিদ্ধান্ত ল'ব যে আপোনাক বিজ্ঞান লাগে নে কমাৰ্চ লাগে, যিটো বিচাৰে আপুনি আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই অনুমোদন দিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** উপাধ্যক্ষ মহোদয় মোৰ সমষ্টিৰ কথা কোৱা নাই। মোৰ কাষৰ সমষ্টিত এখনেই ডিগ্ৰী কলেজ আছে, এখনেই হাই স্কুল আছে, এখনেই হায়াৰ চেকেণ্ডৰী স্কুল আছে। অকল কলা শাখা আছে। তাত যাতে বিজ্ঞান শাখা কৰা হয়। লগতে এনেকুৱা ঠাইবিলাকত যাতে বিজ্ঞান শাখা দিয়া হয়। মোৰ সমষ্টিত এখন মহিলা কলেজ আছে ইয়াতো যাতে বিজ্ঞান শাখা দিয়া হয়।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া আৰু সময় নাই। মন্ত্ৰী ডাঙৰীয়া প্লিজ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় , আমাৰ বিধায়ক মজিবৰ ৰহমান ডাঙৰীয়াই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কিছু কথা কৈছে। বিশেষকৈ পঞ্চায়ত সচিবৰ কথা কৈছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে সিদ্ধান্ত লৈছে আমাৰ যি ২১৯৭ টা জি পি চেক্ৰেটেৰী

পোষ্ট আছিলে । ইয়াৰ ভিতৰত ১৩১১ জনে কৰ্মৰত। আমি জনাবলৈ পাই সুখী যে অতি সোনকালে আমি ৫৭৭ জন চি পি চেক্ৰেটেৰী যিসকল কমাৰ্চ গ্ৰেজুৱেট আমি তেওলোকক নিযুক্তি দিবলৈ প্ৰক্ৰিয়া আৰম্ভ কৰিছো। এই প্ৰকিয়া টো আমাৰ ডাইৰেক্ট ৰিক্ৰুইটমেন্ট কমিশ্যনে কৰিব। বাকী যি ৩০০ পোষ্ট থাকিব সেইখিনি আমি প্ৰমোশ্যন বেচিচত দিয়াৰ কাৰণে সিদ্ধান্ত লৈছো। লগতে আমি গ্ৰেড-৩ আৰু গ্ৰেড-৪ৰ ২০৮৩ টা পদৰো নিযুক্তি দিয়াৰ সিদ্ধান্ত কৰিছো। এই সিদ্ধান্তৰ ফলত আমাৰ বিভাগৰ যিটো সমস্যা সেইটো সমাধান হ'ব বুলি ভাবো। আমাৰ দৰং জিলাত সৰ্ব্বমূঠ ৭৫ খন গাওঁ পঞ্চায়ত আছে । তাৰে কৰ্মৰত আছে ৪৬ জন। গ্ৰাম সেৱক বা গ্ৰাম সেবিকা বা অতিৰিক্ত চাৰ্জ দি চলাই থকা হৈছে, গতিকে আগন্তুক দিনত পঞ্চায়তৰ জি পি সভাপতি নিযুক্তি হোৱাৰ পিছত আপোনাৰ সমস্যাটো সমধান কৰিব পাৰিম বুলি দৃঢ় বিশ্বাসী। ইয়াৰ পিছত উপাধ্যক্ষ মহোদয়, আমাৰ road connectivityৰ কথা কৈছে যে আগতে paver blockৰে ৰাস্তা বনাইছিলোঁ আৰু এতিয়া এই ৰাস্তাটো বন্ধ ৰাখিছো, কেৱল আমিয়ে বন্ধ ৰখা নাই আমাৰ কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ যিটো rural road connectivity এইটো এনৰেগাৰ যিটো চৰ্ত সেইটো বন্ধ কৰি দিছে। আমি এতিয়া ললেও তাত গ্ৰহণ নকৰে, লগতে তেওঁলোকে এটা চিষ্টেম কৰিছে এইটো geographical information system ত এটা নতুনকৈ প্ৰট্ৰেলৰ ব্যৱস্থা কৰিব আৰু যিটোৰ নাম যুক্ত ধাৰা নাম। যুক্তধাৰা নামৰ আধাৰত যদি লব পৰা যায় তেতিয়াহলে আগন্তুক দিনত কৰিব। এইকামটো এই কাৰণে কৰিছে যে আগতে আমাৰ গাঁও অঞ্চলত এবাৰ ৰাস্তাটো বনাই ৰামৰ ঘৰৰ পৰা যদুৰ ঘৰলৈ। পৰৱৰ্তী সনয়ত সেই ৰাস্তাটো বনাই যদুৰ ঘৰৰ পৰা ৰামৰ ঘৰলৈ। এই কথাখিনি ধৰা পৰিছে। কেন্দ্ৰীয় চৰকাৰে এইটোৰ information পাইছে। সেই কাৰণে এতিয়া এই চিচ্‌টেমটো কৰিছে যে geographical information system ৰ আধাৰত কৰিব লাগে। তেতিয়াহলে এইটো duplicacy নহয়। কাৰণ বহুত পঞ্চায়ত এনেকুৱা ঘটনা ঘটিছে। সেই reflection টো ক'ত হৈছে, আমি ২০১৬ চনৰ পৰা অসমত rural road connectivity ৰ নামত কিমান ৰাস্তা বনাইছো শুনিলে আপোনালোকে আচৰিত হ'ব, যোৱা ২০১৬ চনৰ পৰা ২০২১-২২ লৈ ১০৭৮৮৮ টা ৰাস্তা বনাইছোঁ। অসমত পঞ্চায়ত আৰু এন জি এন ৰেগাৰ জৰিয়তে ১০৭৮৮৮ টা ৰাস্তা বনোৱা হৈছে এইটো সহজ কথা নহয়। গতিকে সেই কাৰণে কেন্দ্ৰীয় চৰকাৰে কৈছে যে যেতিয়ালৈ geographical information system টো নহয় তেতিয়ালৈ সেই ৰাস্তা সমূহ আমি নতুনকৈ ধৰিব নোৱাৰো। গতিকে তাত সেই software টো বন্ধ আছে। এইটো হোৱাৰ পিছত আমি কৰিব পাৰিম বুলি ভাৱো। যি সমূহ ৰাস্তা হৈছিল সেই ক্ষেত্ৰত মই কোৱা নাই, যি সমূহ ভাল ৰাস্তা হৈছিল আৰু গাঁও অঞ্চলবোৰৰ কাৰণে উপযোগী হৈছে। কাৰণ গ্ৰাম্য অঞ্চলত P.W. D য়ে কাম কৰিব নোৱাৰে। গতিকে স্বাভাৱিকতে তাত পি এন আৰ ডিয়ে কৰিব লাগে। গতিকে আগন্তুক দিনত তেখেতৰ যি মূল দুটা সমস্যা পঞ্চায়তৰ সচিব আৰু আমাৰ এন জি এন ৰেগাৰ ৰাস্তা, সেইটোত আমি আগন্তুক দিনত এইটো চিচ্‌টেমতে কেন্দ্ৰীয় চৰকাৰৰ আধাৰত কৰিব পাৰিম আৰু মোৰ বিভাগৰ পৰা এইখিনি উত্তৰ। ধন্যাবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী শিক্ষা বিভাগ।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মেম্বাৰচ্ আৱাৰত মাননীয় ধৰ্মেশ্বৰ কোৰৱ, দিগন্ত বৰ্মন আৰু দলগাওঁ সমষ্টিৰ বিধায়ক মাননীয় মজিবুৰ ৰহমান তেওঁলোকৰ সমষ্টিৰ শিক্ষা সক্ৰান্তীয় কিছু বিষয় উত্থাপন কৰিছে আৰু ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেবাটাও গুৰুত্ব পূৰ্ণ বিষয়ত গুৰুত্ব পূৰ্ণ তথ্য সদনত অৱগত কৰিছে। মই নিৰ্দিষ্টভাৱে কেইটামান কথা ক'ব বিচাৰিম,

বিভিন্ন বিদ্যালয়ত শিক্ষকৰ যি সমূহ খালী পদ থকাৰ কথা উল্লেখ কৰিছে, মাননীয় দিগন্ত বৰ্মন ডাঙৰীয়াই, আমি সকলোৱে জানো যে এই খালী পদ সমূহ পূৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈ গ'ল। অহা ১০ মে'ৰ ভিতৰত এই খালী পদ সমূহ পূৰণ কৰাৰ নিৰ্দিষ্ট লক্ষ্য স্থিৰ কৰি আগবাঢ়িছোঁ। এই গোটেই শিক্ষক নিযুক্তি প্ৰক্ৰিয়াটোত আইনগত বা আদালতৰ মেৰপেচত সোমাই ই যাতে বন্ধ নহয় বা স্থবিৰ নহয় তাৰ কাৰণে যথেষ্ট সতৰ্কতা আমি অৱলম্বন কৰিছোঁ। হাইস্কুল বা হায়াৰ চেকেণ্ডাৰী স্কুলৰ ক্ষেত্ৰত আমি যিটো post graduate teacher বুলি কওঁ, স্নাতকোত্তৰ শিক্ষক, ২২৭২ টা পদ পূৰণ কৰাৰ প্ৰক্ৰিয়া খুব সুন্দৰ ভাৱে আগবাঢ়িছে। ঠিক তেনেধৰণে স্নাতক শিক্ষক ৬২৯৪ গৰাকীৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়াও আগবাঢ়িছে। এইখিনি আমি মে' মাহৰ ভিতৰত নিযুক্তি দিয়াৰ লগে লগে খালী পদ সমূহৰ সমস্যাটো যথেষ্ট পৰিমাণে সমধান হৈয়ে যাব। বাকী যি আদৰ্শ বিদ্যালয়ৰ কথা উত্থাপিত হৈছে, এটা কথা মই স্পষ্ট কৰি দিব বিচাৰো যে আমাৰ মাজত অলপ confusion হয় যে বিধায়কৰ আদৰ্শ বিদ্যালয় আৰু আদৰ্শ বিদ্যালয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা বিযেশ পদক্ষেপ গ্ৰহণ কৰি প্ৰত্যেক গৰাকী বিধায়কক এখন এখন আদৰ্শ বিদ্যালয় নিৰ্বাচিত কৰি দিবলৈ কৈছে। এই বিদ্যালয়খনৰ যি এচ এম ডি চি হ'ব, সেই এচ এম ডি চিৰ সভাপতি গৰাকী সেই বিধায়ক গৰাকী হ'ব। এতিয়া আমাৰ এচ এম ডি চি ৰ সভাপতি সকল কোনো ৰাজনৈতিক ব্যক্তি হ'ব নোৱাৰে বুলি চৰকাৰৰ গাইড লাইন আছে। সেই গাইড লাইন খন শিথিল কৰি প্ৰত্যেক সমষ্টিত এখন বিদ্যালয় তাৰ সভাপতি স্থানীয় বিধায়ক গৰাকী হ'ব, এই অধিসূচনা ইতিমধ্যে জাৰি কৰা হৈছে আৰু বিধায়ক সকলেও এই তালিকাখন দিছে। এতিয়া মুখ্যমন্ত্ৰী মহোদয়ে অনুৰোধ জনাইছে যে বিধায়ক গৰাকীয়ে বিধায়কৰ আদৰ্শ বিদ্যালয় খনৰ পোন পতীয়াভাৱে তাক সন্মুখৰ পৰা নেতৃত্ব দি বিদ্যালয় খনক এখন আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তুলিব লাগে। এই বিদ্যালয় খনলৈ মুখ্যমন্ত্ৰীৰ আন্টাইড ফাণ্ডৰ পৰা এক পুঁজি দিব আৰু অনুৰোধ জনোৱা হৈছে যে বিধায়ক গৰাকীয়ে নিজস্ব প্ৰচেষ্টাৰে অন্যান্য উৎসৰ পৰা সেই বিদ্যালয় খনত প্ৰয়োজনীয় পুঁজি mobilize কৰি বিদ্যালয়ৰ আন্তগাঠনি উন্নত কৰিব লাগে। Fifteenth finance ৰ পইচা হওঁক, এন জি এন ৰেগাৰ পুঁজি হওঁক বা অন্যান্য এম এল এ, এল এ ডিয়ে হওঁক বা বিভিন্ন অটোনমাচ কাউন্সিল বিলাক আছে, বিভিন্ন উৎসৰ পৰা পইচা আনি সেই বিদ্যালয় খনক ঠিক কৰিব লাগে। সেই বিদ্যালয় খনৰ Alumni Association আছে, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন বা সংস্থা তাকো যাতে সক্ৰিয় কৰিব পৰা যায় তাৰ কাৰণেও বিধায়ক গৰাকীয়ে বিশেষ প্ৰচেষ্টা গ্ৰহণ কৰিব। বিদ্যালয় খনৰ শিক্ষা দানৰ মানদণ্ড যাতে উন্নত হয় তাৰ কাৰণেও বিধায়ক গৰাকীয়ে এচ এম ডি চিৰ সভাপতি হিচাপে তেখেতে বিশেষ ভূমিকা পালন কৰিব। বিদ্যালয় সমূহলৈ বিভিন্ন grant চৰকাৰৰ ফালৰ পৰা যায়, annual grant যায়, library grant যায়, sports grant যায়, uniformৰ পইচা যায়, এই পুঁজি খিনি যাতে সৎ ব্যৱহাৰ হয় তাৰ কাৰণে সেই বিধায়কৰ আদৰ্শ বিদ্যালয়ৰ এচ এম ডি চি ৰ সভাপতি হিচাপে বিধায়ক গৰাকীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিব। যাতে এই বিদ্যালয় খন সমষ্টিটোৰ এটা উদাহৰণ হ'ব পাৰে। আদৰ্শ বিদ্যালয় বুলি যিখিনি প্ৰতিষ্ঠা ইতিমধ্যে হ'ল ২৫ খন বিদ্যালয় চলি আছে আৰু ২১ খন সোনকালে আৰম্ভ হ'ব, ইয়াৰ আৰম্ভণিটো আছিল যে যিবিলাক ব্ল'ক, ব্ল'ক মানে চি ডি ব্ল'ক, community development block educationally backward বুলি চিনাক্ত কৰা হৈছিল, সেই educationally backward blockত এখন এখন আদৰ্শ বিদ্যালয় স্থাপন কৰা হ'ল। বৰ্তমান দেখা গৈছে যে এই আদৰ্শ বিদ্যালয় বিলাকৰ ফলাফল খুব ভাল। এই আটাইকেইখন আদৰ্শ বিদ্যালয় চি বি এচ চিৰ

মাধ্যমত ইয়াত নামভৰ্ত্তীৰ কাৰণে ছাত্ৰ-ছাত্ৰী, অভিভাৱক সকলে যথেষ্ট ভিৰ কৰে আৰু ইয়াৰ ফলাফল out term টো খুব ভাল হোৱাৰ কাৰণে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে যে কেৱল এই educationally backward block কেইটাতে নহয় প্ৰত্যেকটো সমষ্টিত এখন এখন আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা চৰকাৰে কৰিব। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ গ'ল যে যি কেইটো সমষ্টিত আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা হোৱা নাই আপোনালোকে প্ৰস্তাৱ দিব পাৰে, আদৰ্শ বিদ্যালয় স্থাপন কৰাৰ কাৰণে। তাৰ কাৰণে আমি যেতিয়াই নতুন অনুস্থান প্ৰতিস্থানৰ আগবাঢ়ো মাটিটো আমাৰ কাৰণে এটা ডাঙৰ সমস্যা হয়। এতেকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই আহ্বানটো জনাইছো যে এক আমাৰ আগতে যিখিনি মাটি আছিল, তাত কোনো বিদ্যালয় amalgamated হৈ যোৱাৰ বাবে বন্ধ হৈ সেই মাটি খিনি বা তাৰ আন্ত:গাঠনি খিনি যদি এনে আছে, তেন্তে সেই বিদ্যালয় খনতে আমি আদৰ্শ বিদ্যালয়ৰ কৰাৰ কাৰণে প্ৰস্তাৱ আগবঢ়াব পাৰো । ইয়াৰ পিছত বিজ্ঞান শিক্ষাৰ কাৰণে মাননীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়াই কৈছে যে তেখেতৰ তাত এখন বৰভাগ মহাবিদ্যালয় আছে, এখন বৰক্ষেত্ৰী মহাবিদ্যালয় আছে আৰু দুয়োখন মহাবিদ্যালয়তে বিজ্ঞান শাখা আছে আৰু এখন আদৰ্শ মহাবিদ্যালয় তেওঁ দাবী কৰিছে । এনেধৰণে অন্যান্য বিধায়ক সকলেও নতুন মহাবিদ্যালয় স্থাপন কৰাৰ বাবে মোৰ ওচৰত তেওঁলোকে দাবী দিয়ে । কিন্তু পৰিসংখ্যাই এটা বেলেগ তথ্য আমাক দাঙি ধৰিছে। আমি চাব লাগে যে, আমাৰ হাতত যিখিনি মহাবিদ্যালয় আছে, সেইখিনিত যিমান আসন আছে, সেইখিনি পৰ্য্যাপ্ত পৰিমানৰ ব্যৱহাৰ হৈছে নে নাই । বৰক্ষেত্ৰী সমষ্টিত আৰু এখন মহাবিদ্যালয় দাবী কৰিছে কিন্তু মোৰ হাতত তথ্য আহি পৰিছে যে ইতিমধ্যে যি দুখন মহাবিদ্যালয় আছে তাত আসন খিনি এতিয়াও পুৰণ হোৱা নাই, আসন খালী হৈ আছে । বৰভাগ মহাবিদ্যালয়ৰ ৩০০ খন আসনৰ ২৫০ খন আসনহে তাত নাম ভৰ্তি হৈছে । ঠিক তেনেধৰণে বৰক্ষেত্ৰী মহাবিদ্যালয়ত ১৫০ খন আসনৰ ১০৮ খন আসনহে পুৰণ হৈছে, বাকী খিনি আসন খালী হৈ আছে । অৰ্থাৎ আমাৰ যিখিনি মানৱ সম্পদ আছে সেইখিনি আমি সম্পুৰ্ণৰূপে ব্যৱহাৰ কৰিব পৰা নাই । এনেস্থলত আৰু এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ যোৱাতো আমাৰ কাৰণে ভুল সিদ্ধান্ত হ'ব। গতিকে মই সকলোকে অনুৰোধ জনাম যে নতুন মহাবিদ্যালয় প্ৰতিষ্ঠা দাবী কৰাৰ আগতে যিখিনি মহাবিদ্যালয় ইতিমধ্যে আছে তাত থকা সম্পদখিনি সদ্ব্যৱহাৰ হৈছে নে নাই, সেই কথাটো নিজৰ নিজৰ সমষ্টিত অধ্যয়ন কৰি ল'লে ভাল হ'ব । ইয়াৰ লগতে দিগন্ত বৰ্মন ডাঙৰীয়াই কৈছে যে, দুখন বিদ্যালয় ইতিমধ্যে হাইয়াৰ চেকেণ্ড্ৰাৰীলৈ উন্নীতকৰণ কৰা হ'ল, আৰু বিদ্যালয় আপগ্ৰেড কৰিব লাগে । যোৱা বছৰ নামভৰ্তিৰ সময়ত ক'ভিড পৰিস্থিতিৰ বাবে বহুত সংখ্যক ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা অনুস্থিত নহ'ল যদিও তেওঁলোকে পৰীক্ষা পাছ কৰিলে। তেওঁলোকৰ নামভৰ্তিৰ সুবিধাৰ কাৰণে আমি ২১২ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিলো । চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে যে আৰু ৭৮৮ খন হাইস্কুলক আমি হাইয়াৰ চেকেণ্ডাৰীলৈ উন্নীতকৰণ কৰিম । ইয়াৰ লগত আৰু এটা কথা জড়িত হৈ আছে আৰু চৰকাৰে ঘোষণা কৰিছে যে নতুন শিক্ষা নীতি অনুযায়ী ২০২৩ চনৰ ভিতৰত আমাৰ মহাবিদ্যালয় সমূহৰ পৰা একাদশ আৰু দ্বাদশ শ্ৰেণীটো আমি উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ স্থানান্তৰিত কৰিব। মহাবিদ্যালয় সমূহত একাদশ আৰু দ্বাদশ শ্ৰেণীটো আৰু নাথাকে । গতিকে আমাৰ বিভাগে ইতিমধ্যে ৭৮৮ খন বিদ্যালয় উন্নীতকৰণ কৰিবলগীয়া বিদ্যালয়ৰ তালিকা প্ৰস্তুত কৰি আছে। আপোনালোকে তাত অলপ মন-কাণ দি প্ৰয়োজনীয় যিখিনি মহাবিদ্যালয়ৰ পৰা স্থানান্তৰিত হ'বলগীয়া ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ যিখিনি বিদ্যালয়ক উন্নীতকৰণ কৰিলে সুবিধা

হ'ব, সেই বিদ্যালয়ৰ নাম খিনি যাতে বিভাগক দিয়ে তাৰ কাৰণে আপোনালোকেও বিশেষ দৃষ্টিকোন দিব। তেতিয়াহ'লে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে উপকৃত হ'ব । এই ৭৮৮ খন বিদ্যালয় উন্নীতকৰণ কৰা কামটো আমি সোনকালে কৰিম । এইখিনি আপোনালোকে অলপ চাই দিলে খুব ভাল হ'ব । বৰভাগ সমষ্টিত যিখন বিদ্যালয় উন্নীত কৰিবলগীয়া আছে, সেইখিনি নাম মোক দিলে মই সেইখিনি চাই দিম । বি.এড. কলেজ এখনৰ দাবী উত্থাপন হৈছে আৰু বেলেগ বেলেগ স্থানৰ পৰা মই এনেকুৱা দাবী পাওঁ । ইতিমধ্যে এইখন সদনতে প্ৰশ্নোত্তৰ কালত মই এটা প্ৰশ্নৰ উত্তৰত জনাইছিলো যে চৰকাৰে নতুন শিক্ষানীতিৰ অধীনত সিদ্ধান্ত গ্ৰহণ কৰিছে যে এতিয়াৰে পৰা বি. এড. course টো ইন্টিগ্ৰেটেড বি. এড. হ'ব, চাৰি বছৰ বি. এড. course হ'ব। গতিকে আমি আৰু নতুনকৈ কোনো বি.এড. কলেজ প্ৰতিষ্ঠা নকৰো । আমাৰ যিমান সমূহ বি. এড . কলেজ আছে, সেইখিনি এটা প্ৰক্ৰিয়াৰ ভিতৰত ইয়াত লগত general course ও জড়িত হ'ব বা বি.এড. কলেজখন এখন জেনেৰেল কলেজৰ লগত collaboration ৰ যোগেদি আমি integrated বি. এড. কৰ্চৰ ব্যৱস্থা কৰিম । যি সমূহ জেনেৰেল কলেজ আছে তাত যেতিয়া Multi disciplinary education হ'ব তেতিয়া Existing General College ত Integrated B.Ed. Course introduce কৰাৰহে ব্যৱস্থা কৰিম । নতুনকৈ আৰু বি. এড. কলেজ নিৰ্মাণ নহয় । তাৰ প্ৰস্তাৱ আমি বিবেচনা নকৰো। দহ খন বি. এড. কলেজ নিৰ্মীয়মান অৱস্থাত আছে আৰু এই নিৰ্মীয়মান অৱস্থাত থকা বি. এড. কলেজ কেইখনো কালক্ৰমত General Multi disciplinary মহাবিদ্যালয় হিচাপেহে ইয়াৰ বিকাশ হ'ব । বি. এড. কলেজ হিচাপে নতুন শিক্ষানীতিৰ অধীনত নহ'ব। আদৰ্শ বিদ্যালয়ত ছাত্ৰাবাস নিৰ্মাণ কৰাৰ এটা দাবী উত্থাপন হৈছে। আদৰ্শ বিদ্যালয় সমূহ শিক্ষাৰ ক্ষেত্ৰত পিছপৰা ব্লকৰ কাৰণে কৰা হৈছিলে যাতে সেই ব্লকৰ ছাত্ৰ-ছাত্ৰী সকলে তাত পঢ়িব পাৰে। গতিকে, মুখ্য প্ৰস্তাৱটোত হোষ্টেলৰ ব্যৱস্থা নাছিল। কিন্তু এতিয়া যিহেতু সমষ্টি ভিত্তিক হ'ব, সেয়েহে ইয়াক পৰ্য্যায়ক্ৰমে পিছত বিবেচনা কৰিম। কিন্তু এতিয়া আদৰ্শ বিদ্যালয়ৰ যি প্ৰকল্প আছিল তাৰ ভিতৰত আমাৰ হোষ্টেল নিৰ্মাণটো নাই। কিন্তু হোষ্টেল নিৰ্মাণ কৰি ইয়াক residential স্কুললৈ ৰূপান্তৰ কৰা কথাটো এই মুহুৰ্তত আমি বিবেচনা কৰা নাই, ভৱিষ্যতে এই কথাটো বিবেচনা কৰিম । National Skill Qalification Framework ৰ অধীনত vocational training ৰ কথা কোৱা হৈছে। আনহাতে, বিভিন্ন বিদ্যালয়ত Class-IX,X,XI,XII ত elective subject হিচাপে কেতবোৰ skill development course আছে। আমি এতিয়াও সকলোবোৰ বিদ্যালয়ক সামৰি ল'ব পৰা নাই । আমি যাতে প্ৰত্যেক খন উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক বিদ্যালয়ত National Skill Qalification Framework ৰ অধীনত skill development ৰ বাবে elective subject একোটা প্ৰৱৰ্তন কৰিব পাৰো, তাৰ বাবে গুনাগথা কৰি আছো আৰু এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিছো । খালী পদ সমূহৰ বিষয়ে ইতিমধ্যে মই ক'লো ।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** চাৰ মই এটা clarification বিচাৰিছো যে য'ত আদৰ্শ বিদ্যালয় হোৱা নাই তাতহে আদৰ্শ বিদ্যালয় দিব নেকি ?

**শ্ৰী ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** যিটো সমষ্টিত আদৰ্শ বিদ্যালয় নাই, তাতহে দিম । চৰকাৰৰ ঘোষণা আছে যে প্ৰত্যেকটো বিধান সভা সমষ্টিত এখনকৈ আদৰ্শ বিদ্যালয় হ'ব লাগে । ইতিমধ্যে যিবোৰ সমষ্টিত আদৰ্শ বিদ্যালয় আছে তাত নতুনকৈ চৰকাৰে আদৰ্শ বিদ্যালয় স্থাপন কৰাৰ কথা বিবেচনা নকৰে।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)ঃ** চাৰ বৰভাগ মহাবিদ্যালয়ত বিজ্ঞান শাখা আছে, তাত বাণিজ্য শাখাটো স্থাপন কৰিব পাৰি নেকি? কিয়নো বাণিজ্য বিভাগৰ যথেষ্ট প্ৰয়োজন হৈছে ।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী)ঃ** এইখন সদনৰ প্ৰশ্নোত্তৰ কালত মই এই কথাটো জনাইছিলো যে লাহে লাহে কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ যি পৃথকীকৰণ হৈ আছে, সেইয়া উঠি যাব আৰু প্ৰত্যেকখন মহাবিদ্যালয় Multi disciplinary হ'ব । মহাবিদ্যালয় সমূহত কলা, বিজ্ঞান আৰু বাণিজ্য বিষয় সমূহ থকাৰ লগতে vocational বিষয় সমূহো থাকিব। ই লাহে লাহে হ'ব । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে ৰূপহী মহাবিদ্যালয়, দলগাঁও সমষ্টিৰ দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত ইয়াৰ প্ৰৱৰ্তন কৰাৰ কথা কৈছে । আমি ৫০ খন মহাবিদ্যালয়ৰ তালিকা প্ৰস্তুত কৰি থৈছো, গতিকে আপোনাৰ নিৰ্দিষ্ট যি প্ৰস্তাৱ আছে সেইয়া আমালৈ প্ৰেৰণ কৰিব, আমি বিবেচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিম । এই ব্যৱস্থা ক্ৰমান্বয়ে হ'বলৈ গৈ আছে । গতিকে এক-দুই বছৰৰ বাবে খৰ খেদা কৰাৰ কোনো প্ৰয়োজনা নাই। আমি নতুন শিক্ষানীতি ইতিমধ্যে প্ৰৱৰ্তন কৰিলো। আমি আমাৰ financial ability fund ৰ ওপৰত নিৰ্ভৰ কৰি পৰ্যায়ক্ৰমে প্ৰত্যেকখন মহাবিদ্যালয়ক Multi disciplinary মহাবিদ্যালয়লৈ উন্নীত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰি দিছো।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** চাৰ, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে দলগাঁৱত নতুনকৈ বিজ্ঞান শাখা দিব বুলি কৈছে। ২০১৩ চনত প্ৰায় ১৩খন মান মহাবিদ্যালয় প্ৰাদেশিকীকৰণ কৰিবলৈ থাকি গ'ল। এই ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী)ঃ** এই মুহুৰ্তত আপুনি জানে যে প্ৰাদেশিকীকৰণ এখন নিৰ্দিষ্ট আইনৰ অধীনত। এইখন বিধান সভাই পাছ কৰা এখন আইনৰ ভিত্তিত প্ৰাদেশিকীকৰণ হৈছিল আৰু নতুনকৈ প্ৰাদেশিকীকৰণ কৰাৰ বাবে নতুন প্ৰস্তাৱ..

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে কৈছে, নতুন নতুন বিজ্ঞান শাখা দিম বুলি কৈছে, দলগাওঁটো দিম বুলি কৈছে, ২০১৩ চনত প্ৰায় ১৩ খন মান প্ৰাদেশীকৰণ কৰিবলৈ ৰৈ গ'ল কলেজ। চাৰ এইটোৰ কিবা ব্যৱস্থা ল'ব নেকি?

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰাদেশীকৰণ এখন নিৰ্দষ্ট আইনৰ গন্দিৰ ভিতৰতে হয়। এইখন বিধান সভাতে বিলখন পাছ হৈছে, সেয়েহে নতুনকৈ প্ৰাদেশীকৰণৰ কোনো ব্যৱস্থা সেই আইন মতে নাই।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই বিবেচনা কৰিবলৈ আহ্বান জনাইছো, নহ'লে সেই শিক্ষক খিনিৰ দুৰঅৱস্থা হ'ব।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ। কিন্তু এই মুহুৰ্তত তেনে কোনো প্ৰস্তাৱ চৰকাৰৰ ওচৰত নাই। ইতিমধ্যে দীন দয়াল উপাধ্যায় মহাবিদ্যালয় যিখন দলগাঁৱত আছে, এই মহাবিদ্যালয়খনতো যিমান উপস্থিতিৰ সংখ্যা হ'ব লাগে সিমান নাই। গোৱালপাৰা জিলাৰ আমজঙা যিখন আদৰ্শ মহাবিদ্যালয় আছে তাতও ১০০ শতাংশ আমাৰ চিট ফিলাপ হোৱা নাই। গতিকে আমি সকলোৱে এটা মিলিত প্ৰচেষ্টাৰে কি কাৰণে আমাৰ বিজ্ঞান শাখাত ১০০ শতাংশ পূৰ্ণ কিয় নহয়, এই বিষয়ে মই ব্যক্তিগত ভাবেও এইটো গবেষণা কৰি আছো আৰু বিভাগেও এইটো চায় আছে আৰু মাননীয় বিধায়ক সকলকো মই অনুৰোধ জনাও যে, আপোনালোকেও নিজৰ নিজৰ সমষ্টিত বিজ্ঞান শাখাৰ এই সমস্যাটো চাওঁক। অৰ্থাৎ আমাৰ বিজ্ঞান শাখাত ১০০ শতাংশ আখন কিয় পূৰ্ণ নহয়। ইয়াৰে এটা কাৰণ হয়টো হ'ব পাৰে যে, হাইস্কুল বা হাইচেকেণ্ডাৰী পৰ্য্যায়তে ছাত্ৰ-ছাত্ৰী সকলৰ দুৰ্বলতা থকাৰ কাৰণে তেওঁলোকে

বিজ্ঞান শাখাত নামভৰ্ত্তি কৰিবলৈ ভয় কৰে। এই ভয়টো আমি কেনেকৈ দূৰ কৰিম অৰ্থাৎ বিজ্ঞান শাখাটো নৱম আৰু দশম শ্ৰেণীতে আমি বিজ্ঞান শিক্ষাটো উন্নীত কৰিম যাতে ছাত্ৰ-ছাত্ৰী সকল বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষিত হয়। দলগাওঁ মহাবিদ্যালয়লৈ মই যোৱা সময়ত মই তেতিয়াই প্ৰয়োজন বোধ কৰিছিলো যে, ইয়াত কলা শাখাৰ প্ৰয়োজন আছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো আপোনাৰ আগত কৈছে, গতিকে অতি সোনকালে দীনদয়াল আদৰ্শ মহাবিদ্যালয় দলাগাওঁত কলা শাখাটো খোলাৰ ব্যৱস্থা কৰা হ'ব। আৰু নিযুক্তিৰ প্ৰক্ৰিয়াটোৰ বিষয়ে মই অৱগত কৰিলো আৰু খুব সুন্দৰ ভাবে নিযুক্তি প্ৰক্ৰিয়াটো আগবাঢ়িছে। বিদ্যালয় উন্নীতকৰণৰ ক্ষেত্ৰত আপুনি যি প্ৰস্তাৱ আগবঢ়াইছিল সেই মতে সেই বিদ্যালয়ৰ উন্নীতকৰণৰ প্ৰক্ৰিয়াটো চলি আছে। এই সকলৰ ক্ষেত্ৰত আমাৰ সকলো বিধায়কৰ সহায় সহযোগিতা লাগিব। আপোনালোকক এটা কথা স্পষ্টভাবে জনাও যে, নতুন মহাবিদ্যালয় এই মুহূৰ্তত প্ৰতিষ্ঠা কৰা বা প্ৰাদেশীকৰণ কৰা BTR ৰ বাহিৰে কোনো ব্যৱস্থা নাই। এইখিনি কথা কৈ মই দুয়ো গৰাকী সদস্যকে যি দুজনে নিজৰ সমষ্টিৰ শিক্ষা সম্পৰ্কে মোক অৱগত কৰিছিল।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়াৰ নলবাৰী জিলাৰ অন্তৰ্গত ভাংনামাৰী জিলা পৰিষদ এলেকাটো ব্ৰহ্মপুত্ৰ নদীৰ চৰাঞ্চলত অৱস্থিত। এই অঞ্চলটো অতি ঘন জনবসতিপূৰ্ণ আৰু ইয়াত চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, চৰকাৰী বিদ্যালয়, অংগনবাদী কেন্দ্ৰ, আৰক্ষী থানা ইত্যাদিকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আছে। উক্ত অঞ্চলত ব্ৰহ্মপুত্ৰ নদীয়ে প্ৰতি বছৰে বান আৰু খহনীয়াৰ সৃষ্টি কৰি আহিছে। এই গৰাখনীয়া তথা বান প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে বিভিন্ন সময়ত তাৎক্ষণিক তথা হ্ৰস্বম্যাদী আঁচনি গ্ৰহণ কৰি আহিছে। এই মৰ্মে আঁচনিখন গ্ৰহণ কৰে। “Immediate measures to protect Bhangnmari and its adjoining village under Barkhetri Revenue Circle from the erosion of river Brahamaputra for 2007-08 under CRF" Estimeted cost: Rs.185.73 Lakh. নলবাৰী জিলাৰ বৰভাগ অঞ্চলত ব্ৰহ্মপুত্ৰ বোৰ্ডে "Borbhag Drainage Development Scheme" নামৰ আঁচনিৰ কাম ইতিমধ্যে হাতত লৈছে। বোৰ্ডে জনোৱা মতে বৰ্তমান এই সন্দৰ্ভত Indian Institute of Technology, Guwahati ৰ পৰামৰ্শলৈ অপেক্ষা কৰি থকা হৈছে। পৰৱৰ্তী পৰ্য্যায়ত এই পৰামৰ্শ মতে আঁচনিখন কাৰ্য্যক্ষম কৰা হ'ব। নলবাৰী জিলাৰ মাজেৰে বৈ যোৱা পাগলদীয়া নদীৰ সোঁ-পাৰে প্ৰায় ৯ কিঃমিঃ মাথাউৰী পকীকৰণ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে আৰু অসম লোক নিৰ্মাণ বিভাগক ৰূপায়ণৰ বাবে অনুৰোধ জনোৱা হৈছে। লোক নিৰ্মাণ বিভাগৰ পৰা তথ্য অনুসৰি বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত সোনকুৰিহাৰ পৰা হাজো নলবাৰী পথৰ বিজুলীঘাটলৈ (দিংদিঙি, কুমাৰকুছি উলুবাৰী হৈ) ৪.০০ (চাৰি) কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰি পকীকৰণৰ বাবে আঁচনি এখন নাবাৰ্ডৰ RIDF-XXVII শিতানত ৬৭৯.৯২ লাখ টকাৰ বাবে অনুমোদন হৈছে আৰু ইয়াৰ নিবিদা প্ৰক্ৰিয়া চলি আছে। মথাউৰি পকীকৰণৰ কাম লোক নিৰ্মাণ বিভাগৰ হাতত লোৱা হোৱা নাই। লাৰকুছি, পেৰাধৰা, কাপলাবাৰী, বৌমাৰী পথাৰ আদি অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ বাবে SOPD আৰু SDRF শিতানৰ অধীনত আঁচনিৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে। উক্ত আঁচনি সমূহ যাৱতীয় অনুমোদন তথা বিত্তীয় আৱন্টন সাপেক্ষে ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আঁচনি সমূহৰ সবিশেষ পৰিশিষ্ট 'ক' ত তালিকা ভুক্ত কৰা হ'ল। নলবাৰী জিলাৰ আদাবাৰীৰ পৰা বৰপেটা জিলাৰ কুকাৰজানলৈ মথাউপী পকীকৰণৰ

প্ৰস্তাৱ পৰৱৰ্তী পৰ্য্যায়ত অগ্ৰাধিকাৰ সাপেক্ষে কাম ৰূপায়ণৰ কথা বিবেচনা কৰা হ'ব। 1. Immediate measures for restoration of B/dyke at Larkuchi from flood damage on R/B of river Brahmaputra by closing the channel mouth near Peradhora. Estimete cost: Rs.410.00 Lakh.

2. Immediate measures for restoration of B/dyke at Larkuchi from flood damage on R/B of river Brahmaputra including pro-siltation measures at Larkuchi and adjoining area at ch. 25350 m under SDRF for 2021-22. Estimated cost: Rs. 220.00 Lakh.

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি Members Hours ত সন্মানীয় যি গৰাকী বিধায়কে স্বাস্থ্য বিভাগৰ কিছু বক্তব্য ৰাখিছে। প্ৰথমতে মই মাননীয় দলগাওঁ সমষ্টিৰ মাননীয় বিধায়ক মজিবুৰ ৰহমান ডাঙৰীয়াৰ বক্তব্যৰ ওপৰত বিষয়টো দাঙি ধৰিবলৈ বিচাৰিছো যে দলগাওঁত যিখিনি কথা তেখেতে লিখিত ভাৱে ও দিছে আৰু আজি বক্তব্যত ও ৰাখিছে, যি খাৰুপেটীয়া PHE আৰু CHE ৰ কথা তেখেতে কৈছে এই দুইখন একেটা চৌহদতে আছে আৰু জিলা খনৰ এক বৃহৎ অঞ্চলৰ জনসাধাৰণক ইয়াৰ পৰা সেৱা আগবঢ়াই অহা হৈছে। এই হস্পিতালখন উন্নীতকৰণৰ বাবে আমি প্ৰস্তাৱ পাইছো। আমি NHCM ৰ জৰিয়তে চিকিৎসালয়খন অত্যাধুনিক সা-সজুলিৰে এশখন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নয়ণৰ ব্যৱস্থাৰ কাৰণে আমি প্ৰচেষ্টা লৈছো।

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) ঃ** ধন্যবাদ চাৰ।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পিছত জিলাৰ পৰা পোৱা যিখিনি তথ্য আমি চাইছো এইটো NHCM ৰ প্ৰচলিত ৰীতি অনুসৰি অন্তৰ্ভুক্ত কৰা হ'ব যদিহে ইয়াৰ নিয়মাৱলীয়ে ইয়াৰ তথ্য সমূহ ৰোগীৰ চিকিৎসাৰ সন্তোষজনক হয় তেতিয়া NHCM ৰ জৰিয়তে অনুমোদনৰ কাৰণে প্ৰেৰণ হ'ব। এইটো এটা প্ৰক্ৰিয়াৰ ভিতৰত আছে আৰু এই ক্ষেত্ৰত আমি এটা প্ৰচেষ্টা হাতত লৈছো। খাৰুপেটীয়াৰ পৰা মঙ্গলদৈ যিখন হস্পিতাল এইখনো এখন অত্যাধুনিক চিকিৎসালয় হিচাপে ইতিমধ্যে সেৱা আগবঢ়াই আছে। ইয়াতো কিছু সা-সৰঞ্জাম আমি ইতিমধ্যে ঠিক কৰিছো। আপোনাৰ তাত কেঞ্চাৰ হস্পিতাল ইতিমধ্যে নিৰ্মাণ হৈ আছে আৰু তাত আমাৰ যিটো ৰাস্তা এইটোত আগতে মিউনিচিপালিটিয়ে কিবা কিবি পেলাই থৈছিল বাবে এই কেঞ্চাৰ হস্পিতালৰ কাম যদিও পিছপৰি আছে, আমি এতিয়া পি ডব্লিউ ডি ক বনাবলৈ দিছো। জলসম্পদ বিভাগৰ কিছু কাম আছিল সেইখিনি জলসম্পদ বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে আমি আশা কৰিছো যে এই কেঞ্চাৰ হস্পিতালখন আমি এইবাৰ বহাগ মাহত উদ্বোধন কৰিব পাৰিম। এইখিনি মঙ্গলদৈৰ ক্ষেত্ৰত কোৱা হৈছে। তাৰ উপৰিও আপুনি ডাক্তৰ কম-বেছিৰ ওপৰত কিছুমান কথা কৈছে। ডাক্তৰৰ সংখ্যাৰ গোটেই হিচাপটো মই আনিছো। কিন্তু কথাটো হৈছে ধৰক এতিয়া খাৰুপেটীয়া CHE ত ৯ টা চেংচন পোষ্ট আছে। ৬ জন ডাক্তৰ তাত আছে। তাত ৰোগীৰ সংখ্যাও বেছি। তাৰ লগতে PHE খনো আছে আৰু তাৰ ডাক্তৰো আছে। য'ত PHE আৰু CHE একেলগে আছে তাত সমিল-মিলৰ মাজেৰে হস্পিতাল বিলাক চলি আছে ।ইয়াত জি এন এম হওঁক এ এন এম হওঁক নাৰ্চ কম-বেছি পৰিমাণে আছে। চেংচন পোষ্টত যদি কয় কম আছে কিন্তু NHM ৰ পৰা দিয়া ডাক্তৰ আছে। গতিকে পোষ্টৰ সমানেই কৰ'বাত কৰবাত ডাক্তৰ আছে। প্ৰশ্নটো যেতিয়া বিধান সভাত

আহে যে ইমান ডাক্তৰ আছে তাতকৈ পোষ্ট কম আছে। চেংচন পোষ্টৰ বিপৰীতে কম আছে হয় কিন্তু কৰবাত আমি ওৱান ইয়েৰ ডাক্তৰ দিছো, কৰবাত আমি NHM ৰ পৰা ডাক্তৰ দিছো। আমি তেনেধৰণে এইখিনি মিলাই ৰাখিবলৈ চেষ্টা কৰিছো। আপুনি যদিও দলগাওঁ বিধান সভা সমষ্টিৰ কথা কৈছে কিন্তু এইটো মঙ্গলদৈৰ লগত লাগি থকা বিধান সভা সমষ্টি আৰু মঙ্গলদৈ হেড কোৱাৰ্টাৰত যিখিনি স্বাস্থ্য বা অন্য বিভাগৰ কাম হয় তাৰ চাৰ্ভিচটো দলগাওঁৱে সমানে পায়। এনেকুৱা নহয় যে দলগাওঁটো বহুত দূৰত। তথাপিও দলগাওঁত আমি বিশেষভাৱে এইখিনি ব্যৱস্থা লবলৈ ঠিৰাং কৰিছো।

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা ক'ব বিচাৰিছো যে দলগাওঁৰ যিখন State Dispensary আছে এইখন ব্ৰিটিছ আমোলৰ দিনতে কৰা। তাত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰে। এইখন যদি 50 beded hospital কৰি দিয়ে আৰু দুজন বা তিনিজন ডাক্তৰ, নাৰ্চ, এ এন এম, জি এন এম দিয়ে মই যথেষ্ট আনন্দিত হ'ম আৰু আমাৰ দলগাওঁ অঞ্চলৰ ৰাইজ বহুত উপকৃত হ'ব।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা কওঁ যে যদি আপোনালোকে ভাৱে যে আমাৰ State Dispensary, Mini PHE বা অন্যান্য সকলো হস্পিতাল 50 beded hospital হ'ব লাগে তেতিয়া কিন্তু মেইনটেইন কৰিব নোৱাৰিব, কোৱালিটি মেইনটেইন তাত নহ'ব। আপোনালোকে চাওঁক নিজৰ ঠাইত এখন হস্পিতালত যিখিনি কৰিব লগীয়া থাকে সেইখিনি আপোনোলোকে ঠিক মতে কৰি লওঁক। কিন্তু বাকীবোৰ Dispensary আপোনালোকে আউটদ'ৰ কৰিবলৈ ঠিক কৰক। সকলোতে যদি আপোনালোকে ইনদ'ৰ ৰোগীৰ ক্ষেত্ৰত অন্যান্য সুবিধা বোৰৰ কথা ভাৱে তেতিয়াহ'লে এই গোটেই কামখিনি পৰিচালনা কৰিবলৈ অসুবিধা হ'ব আৰু কোৱালিটিটো মেইনটেইন কৰিব পৰা নাযাব। ফলত পিছলৈ ৰাইজৰ অসুবিধা হ'ব। গতিকে আপোনালোকে নিজে ঠিক কৰক যাতে এখন হস্পিতাল ঠিক কৰি ল'ব লাগে যাতে সেই হস্পিতালখনত সকলো সা-সুবিধা উপলব্ধ হয়। মিনিমাম যিখিনি সুবিধা থাকিব লাগে যেনে OPD, Gynae service আদিবোৰ আমি বহুত হস্পিতালতে ঠিক কৰি আছো। এতিয়া আমি চাব-চেণ্টাৰ বোৰতো ছয়খন কৈ বেড দিয়াৰ ব্যৱস্থা কৰিছো। এই চাব-চেণ্টাৰবোৰক হেলথ্ আৰু ৱেলনেচ চেণ্টাৰলৈ উন্নীতকৰণ কৰা হৈছে আৰু সেইবোৰত ছয়খন বেড দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছো যাতে সাধাৰণ লোক সকলে নিজৰ দেহটোৰ কেয়াৰ ল'ব পাৰে। কিন্তু থাকিবৰ বাবে নহয়। আমি Mini PHE বোৰত ছয়খন ৰ পৰা দহখন বেড দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছো। কিন্তু তাত ইনদ'ৰ পেচেণ্টৰ চিকিৎসাৰ কাৰণে নহয়। এইক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি পৰামৰ্শ আগবঢ়াইছে সেইখিনি আমি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। আপোনালোকে চেষ্টা কৰক, মঙ্গলদৈৰ যিখন জিলা চিভিল হস্পিতাল আছে সেইখনি আমি ভালকৈ উন্নীত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। তাত কোনো সন্দেহ নাই। য'ত য'ত মেডিকেল কলেজৰ স্কোপ নাই তাত আমি জিলা চিকিৎসালয়খনকে বহুত উন্নত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। ইয়াৰ বাবে আমি প্ৰয়োজনীয় পুঁজিৰো ব্যৱস্থা কৰিছো। দলগাওঁৰ পৰা মঙ্গলদৈলৈ মাত্ৰ বিশ কিলোমিটাৰ আৰু বিশ কিলোমিটাৰৰ পিছত আমি আৰু এখন হস্পিতাল নিৰ্মাণৰ কাৰণে প্ৰক্ৰিয়া কৰিছো। গতিকে আপোনালোকে State Dispensary, Mini PHE এইবিলাকত এটা লেভেললৈকে কাম কৰিব লাগিব বুলি ভাবি লওঁক। মই এইখিনি কথা কেৱল আপোনাৰ ক্ষেত্ৰতেই কোৱা নাই, সকলোৰে ক্ষেত্ৰতেই এই কথাখিনি কৈছো। চৰাইদেউৰ ক্ষেত্ৰত আমাৰ সন্মানীয় বিধায়ক গৰকীয়ে যিখিনি কথা কৈছে

এইক্ষেত্রত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আগবঢ়োৱা ভাষণত চিকিৎসাৰ কথাখিনি উল্লেখ কৰি গৈছে। এতিয়া আমাৰ চৰাইদেউৰ সোণাৰী সমষ্টিত থকা স্বাস্থ্য কেন্দ্ৰ বোৰত আমি এতিয়া NHCM ৰ অধীনত ১৬ জন চিকিৎসক আৰু ৮১ জন অন্যান্য স্বাস্থ্য কৰ্মী দিছো। যিবিলাক চেংচন পোষ্ট আছে তাৰ ওপৰুৱা কথাখিনিহে মই কৈছো। আমাৰ যিখিনি চেংচন পোষ্ট আছে সেইখিনি Health A ৰ পৰা ডাক্তৰ পাইছো আৰু অন্যান্য খিনিও আমি পাইছো। তেখেতে চুপাৰিটেণ্ডেণ্টৰ কথা উল্লেখ কৰিছে আৰু এই বিষয়ে আপুনি মোক ব্যক্তিগত ভাবেও কৈছে। .যিখিনি sanctioned post আছে, সেইখিনি পাইছে। তেখেতে আৰু এটা কথা কৈছিলে যে Superintendent ৰ কথা। Superintendent ৰ কাৰণে আপোনালোকে যাকে দিবলৈ কৈছিল, তাকে দিছো। কিন্তু কথা হ'ল তেখেতে কিবা কথাত join কৰা নাই। গতিকে তেখেতে যিহেতু join কৰা নাই, তেখেতৰ সলনি বেলেগ এজনক দিয়াৰ কাৰণে চিন্তা কৰিব লাগিব। এই গোটেই বিষয়টো এনেকুৱা হ'ল যে মাজতে promotion হ'ল, promotion হোৱা সকলে কৰবাত কৰবাত দিব লগীয়া আছিলে দিলে, কৰবাত কৰবাত join কৰিলে, কৰবাত কৰবাত join কৰা নাই। গতিকে এইজনেইও join কৰা নাই। গতিকে সেই promotion list ৰ পৰা চাই আন এজন Superintendent অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিম আৰু চৰাইদেউ জিলা চিকিৎসালয়খনত ২০০ খন বিচনাযুক্ত হস্পিতালৰ ব্যৱস্থা কৰা হৈছে। সেইখন ২০০ খন বিচনাযুক্ত হস্পিতাল কৰাৰ লগতে মেডিকেল কলেজৰ নিৰ্মাণৰ কামো হৈ আছে। গতিকে মেডিকেল কলেজখনৰ কাৰণে চৰাইদেউ জিলা চিকিৎসালয়খনৰ পুৰণা বিল্ডিংটো হয়তো ভাঙিব লাগিব পাৰে। আমি পুৰণা বিল্ডিঙটো কিছু হ'লেও ৰাখি এই হস্পিতালখন কৰিব পাৰো সেই কথাটো আমি ঠিক কৰি আছো। ২০০ খন বিচনাযুক্ত হস্পিতাল খনত ICU হৈছে। গতিকে সকলো ধৰণৰ ব্যৱস্থা ইতিমধ্যে তাত হৈছে। চৰাইদেউ চিকিৎসা মহাবিদ্যালয়খন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে যে ২০২৫ চনৰ ভিতৰত ৰাইজৰ কাৰণে উৎসৰ্গা কৰিব পাৰো, তাৰ কাৰণে ঠিক কৰা হৈছে আৰু ২০০ খন বিচনাযুক্ত হস্পিতালখন এতিয়া পূৰ্ণদমে চলি থাকিব, ICU থাকিব। গতিকে এইখিনি কথা মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে সন্মানীয় বিধায়ক ডাঙৰীয়াই ৰখা প্ৰস্তাৱৰ ওপৰত এইখিনি বক্তব্য ৰাখিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী বসন্ত দাস (মঙলদৈ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মঙ্গলদৈ চিভিল হস্পিতালৰ বিষয়ে এটা মাত্ৰ কথা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব খুজিছো। মঙ্গলদৈ চিভিল হস্পিতালত সৰু সৰু অপাৰেচন বিলাক নহয়। সেইখিনি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় মঙ্গলদৈ সমষ্টিৰ বিধায়ক দাস ডাঙৰীয়াই যিটো কথা কৈছে। ময়ো সেই হস্পিতালখনলৈ গৈছিলো, হস্পিতালখনৰ সকলোবোৰ কথা ঠিক লগা নাই। সেই হস্পিতালখনৰ ঠিক মতে ব্যৱস্থা লোৱাৰ কাৰণে কোৱা হৈছে আৰু এতিয়া তাত ICU ৰ ব্যৱস্থা খুৱ খৰতকীয়াকৈ কৰা হৈছে। আপোনালোকে এটা কথা নিশ্চিত থাকক যে মঙ্গলদৈ হস্পিতালখন এনেকুৱা ধৰণে plan কৰা হৈছে, যিহেতু মঙ্গলদৈত মেডিকেল কলেজ নাই, গতিকে এই হস্পিতালখন এখন উন্নত আৰু অতি বেছি বিছনা থকা হস্পিতাল হ'ব। তাত অন্যান্য হস্পিতালত থকাৰ দৰে Specialist তো তাত থাকিব।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা, বিৰোধী দলৰ দলপতি)** ঃ এটা point of order আছিলে। মই ধন্যবাদ জনাইছো মাননীয় ধৰমেশ্বৰ কোঁৱৰ ডাঙৰীয়াক চৰাইদেউ মৈদাম সম্পৰ্কে কথাখিনি

কোৰাৰ বাবে। এইটো on record ৰাখিব বিচাৰিছো যে বৰ্তমান সময়ত চৰাইদেউৰ যিখিনি মৈদাম, সেইখিনি নাজিৰা সমষ্টিৰ অন্তৰ্গত, তেখেতে সোণাৰী সমষ্টিত কলে। তথাপিও তেখেতে যিখিনি উদ্যোগ লৈছে তাৰ কাৰণে ধন্যবাদ জনাইছোঁ আৰু এটা কথা তাত এখন মডেল হস্পিতাল চৰাইদেউত আছে, মোৰ সমষ্টিত পৰিব। সেইখন মুকলি হোৱাৰ কথা, যাতে সোনকালে হয়, এইটো দৃষ্টিগোচৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসুচী নং **৩**, সংকল্প প্ৰস্তাৱ under Rule 115 ৰ অধীনত মাননীয় সদস্য শ্ৰীআশ্ৰাফুল হুছেইন আৰু শ্ৰীৰফিকুল ইছলাম ডাঙৰীয়াৰ নামত আছে। তেখেতসকলৰ যিকোনো এজনে সংকল্প প্ৰস্তাৱটো উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Rule 115 ৰ অধীনত "*অসমৰ চৰ অঞ্চল সমূহত আৰ্থ-সামাজিক জৰীপ অনুষ্ঠিত কৰি জনগণৰ শৈক্ষিক-সামাজিক মান উন্নত কৰাৰ পৰিকল্পনা যুগুত কৰা হওঁক*"আমি আজি এই প্ৰস্তাৱ উত্থাপন কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমত যি চৰ অঞ্চল আছে, অসমৰ ব্ৰহ্মপুত্ৰ বা ইয়াৰ উপনৈ সমূহত যি সমূহ চৰ অঞ্চল অসমৰ ইমুৰৰ পৰা সিমুৰলৈ বিস্তৃত হৈ আছে, অসমত প্ৰায় **২২,১৫০** এনেকুৱা গাওঁ আছে আৰু এই গাওঁ সমূহত অন্তিম বাৰৰ বাবে **২০০৩** চনত চৰ উন্নয়ন সঞ্চালয়কৰ অধীনত এখন survey চলোৱা হৈছিল। সেই survey ক কোৰা হৈছিল Socio- Economic Survey of Char Area । সেই survey ত খুব স্পষ্টভাৱে ফুটি উঠিছিল যে **১৪**খন জিলা, **২৩** খন Sub-Division আৰু **২৯৯** খন গাওঁ পঞ্চায়ত আৰু **৫৯** খন হুDevelopment Block ৰ অধীনত প্ৰায় **২৫** লাখ মানুহে তাত বসবাস কৰে। সেই **২৫** লাখ মানুহৰ প্ৰায় **৬৮** শতাংশ মানুহে দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰে। ২০০৪-০৫ চনত অসমত সামগ্ৰিক ভাৱে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকৰ সংখ্যা আছিল **৩৬** শতাংশ।

মাননীয় উপাধ্যক্ষ মহোদয়, এই যি সমূহ চৰ অঞ্চলৰ কথা কৈছো, এই চৰ অঞ্চলসমূহত মাজুলিকে ধৰি অন্যান্য সমূহ চৰ অঞ্চল মিলি স্বাক্ষৰতাৰ হাৰ আজি **১৯** শতাংশ। গতিকে এই চৰ অঞ্চলত **২০০৩** চনত অন্তিম বাৰ জৰীপ কৰা হৈছিল। তাৰ পূৰ্বে অসম ৰাজ্যিক চৰ উন্নয়ন কৰ্তৃপক্ষই **১৯৯২-৯৩** চনত Socio - Economic Survey Report of Char Area বুলি এখন জৰীপ চলাইছিল। সেই জৰীপত **১৪** খন জিলাত **৫৯** খন উন্নয়ন খণ্ডৰ অধীনত **২০৮৯** খন গাওঁ পোৱা গৈছিল আৰু দেখা গৈছিল তাতে প্ৰায় **১৬** লাখ লোকে বসবাস কৰে। তাৰে **১৫.৪১** শতাংশ লোকৰ স্বাক্ষৰতাৰ হাৰ আছিল। সেইসময়ত ৰাজ্যিক স্বাক্ষৰতাৰ হাৰ আছিল প্ৰায় **৫৩** শতাংশ। মাননীয় উপাধ্যক্ষ মহোদয়, চৰ অঞ্চল উন্নয়ন কৰ্তপক্ষ **১৯৮৪** চনত গঠন কৰা হৈছিল আৰু **১৯৯৬** চনত চৰ এলেকা উন্নয়ন কৰ্তৃপক্ষই অসম চৰকাৰৰ সংখ্যালঘু কল্যাণ বিভাগৰ অধীনত চৰ এলেকা উন্নয়ন সঞ্চালকালয়ক পূৰ্ণ বিভাগ হিচাপে ঘোষণা কৰা হয় আৰু এই বিভাগৰ উদ্দেশ্যে আছিল ইতিবাচক কাৰ্য্যকলাপ আৰু সৰ্বব্যাপি উন্নয়নৰ মাধ্যমৰে অসমৰ চৰ চাপৰি অঞ্চলত বসবাস কৰা লোক সকলৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নতি সাধন কৰা, যাতে প্ৰত্যেক নাগৰিকে উন্নয়নশীল ৰাষ্ট্ৰ গঠনত সক্ৰিয় ভাৱে অংশগ্ৰহণত সুবিধা লাভ কৰে আৰু শিক্ষা-সংস্থাপন, অৰ্থনৈতিক কাৰ্য্যকলাপত সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলকো সমান সুবিধা প্ৰদান কৰা হয়। তেওঁলোকক উত্তৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যৰে এই বিভাগটো খোলা হৈছিল।

(শ্ৰীৰফিকুল ইছলাম, সভাপতি, সদন পৰিচালনা কৰে)

মাননীয় সভাপতি মহোদয়, দুখ আৰু পৰিতাপৰ বিষয়, সময়ত ব্ৰহ্মপুত্ৰৰে অনেক পানী বাগৰিল। চৰকাৰ সলনি হ'ল, আহিল গ'ল, কিন্তু আমাৰ চৰ অঞ্চলৰ মানুহখিনিৰ বাস্তৱ অৱস্থাৰ কোনো পৰিবৰ্তন নহ'ল। আজিও চৰ অঞ্চলত সেই একে ছবি প্ৰতিষ্ঠিত, আজি চৰ অঞ্চলত সেই একে স্বাক্ষৰতাৰ হাৰ, আজি যদি দেখা পাই যে মোৰ সমষ্টিৰ প্ৰায় ৪৫ খন চৰ গাঁও আছে, তাৰে প্ৰায় ৩০ খন non cadastral village আৰু ৪৫ খন চৰ গাওঁ ২০১১ চনতো ৩০ শতাংশ স্বাক্ষৰতাৰ হাৰ পাৰ কৰিব পৰা নাই।

মাননীয় সভাপতি মহোদয়, আপুনি শুনিয়ে আচৰিত পাব। গোটেই ভাৰতবৰ্ষৰ ভিতৰতে মহিলাৰ স্বাক্ষৰতাৰ হাৰ আটাইতকৈ কম যদি আছে, চেঙা সমষ্টিৰ উত্তৰ পদুমী গাওঁত। য'ত মাত্ৰ ৬ শতাংশ মহিলাৰ স্বাক্ষৰতাৰ হাৰ আছে। গতিকে এনেকুৱা এটা পৰিস্থিতিৰ মাজেৰে অসমৰ চৰ অঞ্চল সমূহ গৈ আছে। অসমৰ চৰ অঞ্চলৰ শৈক্ষিক, সামাজিক, উত্তৰণ হোৱা নাই। বাজেটত প্ৰতি বছৰে ১৮০ কোটি, ১০০ কোটি, ৯০ কোটি এইধৰণৰ পইচাৰে আমি কি কৰিছো, আমি চিলাই মেচিন দিছো, চাইকেল দিছো, ছাতি দিছো। চিলাই মেচিন, চাইকেল আৰু ছাতিৰ জৰিয়তে যদি এটা জনগোষ্ঠী আৰু এটা জনসমষ্টিৰ উন্নয়ন কৰিব বিচাৰে সেই উন্নয়নৰ সংজ্ঞা আমি বিচাৰি নাপাওঁ। সেই উন্নয়ন কি ধৰণে সম্ভব আমি বুজি নাপাওঁ। আমি আজি আশা কৰিম, সংখ্যালঘু দপ্তৰৰ মন্ত্ৰী মহোদয়ে আমাক বুজাই দিব সঁচা অৰ্থত চাইকেল আৰু চিলাই মেচিনেৰে উন্নয়ন হয় নেকি ? আমি বিচাৰো সঁচা অৰ্থত এখন সমাজ আগুৱাই যাবলৈ হ'লে, শৈক্ষিক , সামাজিক, বৌদ্ধিক আৰু অৰ্থনৈতিক ভাবে সমাজ আগুৱাই যাব লাগিব আৰু শৈক্ষিকভাবে যদি সমাজখন আগুৱাই যাবলৈ হয়, তেতিয়া হ'লে তাত উপযুক্ত শিক্ষানুষ্ঠান হ'ব লাগিব। শৈক্ষিক মান যদি উন্নত কৰিব লাগে, শিক্ষানুষ্ঠান সমূহত শিক্ষক থাকিব লাগিব। তেওঁলোকে dedicatedly চাৰ্ভিচ দিব লাগিব। কিন্তু মহোদয়, দুখ আৰু পৰিতাপৰ বিষয় এয়াই যে মোৰ সমষ্টিত যিমানখিনি শিক্ষানুষ্ঠান থাকিব লাগে, আজিও দেখা পাইছো, যি সমূহ জনবসতিত শিক্ষানুষ্ঠানৰ প্ৰয়োজন, তাত শিক্ষানুষ্ঠান নাই। মোৰ সমষ্টিত ২৫ শ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীত নাম ভৰ্তি কৰে। তাৰ পৰা গৈ গৈ দশম শ্ৰেণীত পোৱা যায় মাত্ৰ ২৭৫ জন । সেই বাকী ছাত্ৰ-ছাত্ৰীখিনি ক'ত হেৰাই গ'ল ? ক'ত হেৰাই গ'ল তাৰ সংজ্ঞা কাৰ ওচৰত আছে? তাৰ উত্তৰ কাৰ ওচৰত আছে? সোনোৱালী ভৱিষ্যৎ এনেকুৱাকৈ যদি শৈক্ষিক পৰিবেশৰ অভাৱত নষ্ট হৈ যায়, সামগ্ৰীক ভাৱে চৰ অঞ্চলত বস-বাস কৰা মানুহখিনি কেনেকৈ আগবাঢ়ি যাব ? আজি মাজুলীও এটা চৰ অঞ্চল আছিল। মাজুলী আগুৱাই গৈছে আমি ভাল পাইছো। মাজুলীয়ে সকলো বেহু ফালি আগুৱাই গৈছে। মাজুলীতো এটা সময়ত স্বাক্ষৰতাৰ হাৰ ২০-২৫ শতাংশ আছিল। সৌ সেইদিনালৈকে এই ছবি আছিল। সেই একেটা সময়তে আমাৰ এই অঞ্চল বিলাকতো ১০ শতাংশ মান স্বাক্ষৰতাৰ হাৰ আছিল। আমি আশা কৰিম, আমি চৰকাৰৰ ইতিবাচক প্ৰদক্ষেপক ধন্যবাদ জনাইছো। মুখ্যমন্ত্ৰী মহোদয়ে কিছু সময়ৰ আগত নিজৰ বক্তব্যত যিখিনি ইতিবাচক বক্তব্য দি গ'ল, সংখ্যালঘু এলেকাৰ শৈক্ষিক মান উন্নত কৰাৰ কাৰণে তেখেতে যি ধৰণে প্ৰতিশ্ৰুতি দি গ'ল, যি ধৰণৰ অভয় আমাক দিলে, আমি আস্বস্ত হ'ম যদিহে সেয়া বাস্তৱত ৰূপায়িত হয়। মহোদয় মোৰ সমষ্টিত এই চৰ অঞ্চল সমূহত ১৬ টা ঠাইত এতিয়াও উচ্চ প্ৰাথমিক বিদ্যালয়ৰ প্ৰয়োজনীয়তা আছে। যাৰ কাৰণে পঞ্চম শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ যাওঁতে, উচ্চ প্ৰাথমিকলৈ যাওঁতেই ছাত্ৰ-ছাত্ৰীখিনি নাইকীয়া হৈ যায়। মোৰ সমষ্টিত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ মাজ অংশতে বেছি, ৩ ভাগৰ ২ অংশ ঠাই পানীৰে আগুৰা। তেনেকুৱা এটা সমষ্টিৰ পৰা ইয়ালৈ আহিছো, আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে যি ৪-৫ খন গাঁও পঞ্চায়ত আছে, এই ৫ খন গাঁও

পঞ্চায়তত নাই বুলিও ৭০ হাজাৰ জনসংখ্যা আছে। এখন হায়াৰ ছেকেণ্ডাৰী স্কুল আজিলৈকে স্বাধীনতাৰ ৭৫ বছৰ পাছত আজাদীৰ অমৃত মহোৎসৱ পালন কৰি থকাৰ সময়ত কিন্তু মোৰ সমষ্টিত এখন হায়াৰ চেকেণ্ডাৰী স্কুল ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে নেদেখিলে, ৫খন গাঁও পঞ্চায়ত থকাৰ পিছতো । আজি সদনে শুনি হয়তো আচৰিতে হৈ আছে। এয়াই বাস্তব ছবি। এয়াই আমাৰ উন্নয়ন, এয়াই আমাৰ শৈক্ষিক ক্ষেত্ৰৰ বিকাশ। গতিকে এই শৈক্ষিক ক্ষেত্ৰৰ বিকাশেৰে যদি সঁচা সচিকৈ অসমত সকলোৰে লগত একে লগে আগুৱাই লৈ যাবৰ হয়, যদি অসমত সেই ভিতৰুৱা অঞ্চলত বসবাস কৰা লোক সকলেও জাতি অৰ্থনীতিৰ প্ৰতি, জাতিৰ প্ৰতি সেৱা আগবঢ়াব লাগে, তেনেহ'লে মই ভাবো কেৱল আৰু কেৱল শিক্ষা আৰু স্বাস্থ্য আমাক দিয়ক আমি আগুৱাই লৈ যাম। আজি চৰ অঞ্চলত কৃষকসকলে যেনেকুৱাকে অসমৰ কৃষিক্ষেত্ৰলৈ বৰঙনি আগবঢ়াইছে, আপোনালোকে কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আজি অসমত যি মূল GSDP, মুঠ GSDP তাৰ পৰা ১৯ শতাংশ কৃষি ক্ষেত্ৰৰ পৰা আহে, আৰু চৰ অঞ্চলত বিভিন্ন ধৰণৰ খেতি হয়, কিন্তু বজাৰৰ অভাৱ। আজিৰ দিনত টো ভড়ালৰ অভাৱ। এই অভাৱ সমূহ লৈ কৃষক সকল কিন্তু চলিছে। কিন্তু মহোদয় এই যে শৈক্ষিক ক্ষেত্ৰত যে আমি পিছপৰি আছো, এই ক্ষেত্ৰত ক'ব লাগিব যে সেই দিনাখন আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে যে বি টি আৰৰ কথা student teacher ratio, ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক আছে বুলি কৈছে। কিন্তু তাৰ পিছতো দেখা গৈছে যে চাউথ শালমাৰা, চৰ প্ৰধান সমষ্টি বা জিলা। সেই জিলাত আপাৰ প্ৰাইমাৰীৰ ড্ৰপ আউটৰ ৰেট ১৫.০। ঠিক সেই দৰে ধুবুৰী ৯.৩ আৰু বৰপেটাত ৬.৬। মহোদয় আপুনি নিশ্চয় জানে যে aspirational district বুলি ইতিমধ্যে নীতি আয়োগে কেইবাখনো জিলাক চিনাক্ত কৰিছে আৰু সেই জিলাসমূহ কোন কেইখন? যি কেইখন জিলাত চৰ অঞ্চল বিস্তৃৰ্ণ হৈ আছে । যি সমূহ জিলাত অনুসূচীত জাতিৰ লোক আছে, আজি বৰপেটা, ধুবুৰী, গোৱালপাৰা, দৰং এই সমূহ জিলাক নীতি আয়োগে বিশেষ ভাবে treat কৰিব লগীয়া হৈছে। আমি আশা কৰিম আমাৰ ৰাজ্য চৰকাৰে এই কেইখন জিলাক বিশেষভাবে treat কৰা হওঁক। কিন্তু দেখা পাইছো, যে বাজেটত অনুষ্ঠান প্ৰতিষ্ঠান যেনেকুৱাকৈ তাত গঢ় ল'ব লাগিছিল, তাত হ'ব লাগিছিল পিছ পৰা জিলা বুলি হৈ উঠা নাই। আশা কৰিম অনাগত সময়ত আমাৰ সেই অভাৱসমূহ পূৰ কৰিব। আমাৰ কিন্তু প্ৰয়োজন যে বেক লগতে সেইখিনি পূৰ কৰি দিয়াটো । কিন্তু হৈহে উঠা নাই। মহোদয়, কেইখনমান জিলাৰ স্বাক্ষৰতাৰ হাৰকে দেখা যাওঁক। এই কাৰণেই দেখাটো প্ৰয়োজন, বিভিন্ন সময়ত, বিভিন্ন মাধ্যমত কথা-বতৰা বিলাক হৈ থাকে যে অমুক ঠাইত জনসংখ্যা বেছি। হয় আমিও অনুভৱ কৰো আমাৰ অঞ্চলবিলাকত জনবিস্ফোৰণ আছে। আমি একেদৰে অন্তঃকৰণেৰে স্বীকাৰ কৰো, আছে কিয়? আজি মোৰ সমষ্টিৰ কথাকে উদাহৰণ দিছো। ৩ খন PHC আছে। কিন্তু Doctor কিমান আছে? Institutional delivery কেইটা হৈছে, মোৰ সমষ্টিত চৰ অঞ্চলত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত ৩ খন PHC আছে। Doctor ৰ অভাৱ, নাৰ্চৰ অভাৱ, institutional delivery নহয়। বিল্ডিং বনাই থোৱা আছে, যদি এই অৱস্থাতে চোৱা যায় তেনেহলে কৈ কি লাভ আছে, জনসংখ্যা নিয়ন্ত্ৰন কৰা হওঁক। কৈ কি লাভ যে আপোনালোকে এই ধৰণৰ ব্যৱস্থা হাতত লওঁক। গতিকে বহু দুখ আৰু আক্ষেপেৰে ইয়াত এইখিনি কথা ক'বলগীয়া হৈছে। আজি মই মোৰ পৰিয়ালৰ কথা ক'ব বিচাৰিছো, আজি আমি গড়াখহনীয়া পীড়িত পৰিয়াল। চৰ অঞ্চলৰ পৰা আমাৰ দেউতাৰ ভাই ককাই এজন , তেওঁৰ দেউতাক মোৰ জেঠাক থৈ আহি চৰৰ পৰা আমি বামলৈ আহিলো। আমি নদীৰ এটা পাৰলৈ আহিলো। আমাৰ যিখিনি জেঠাৰ ল'ৰা-ছোৱালী চৰত থাকি গ'ল। গড়াখহনীয়া হৈ যোৱাৰ

পিছত আমাৰ মাটি জমি অলপ থাকি গ'ল। তেওঁলোকৰ ল'ৰা-ছোৱালী এজনো শিক্ষিত হ'ব নোৱাৰিলে। মোৰ ককাদেউতাই ১৯২৪ চনৰ পৰাই চৰকাৰী চাকৰি কৰিছিল। পৰৱৰ্তী সময়ত আমাৰ বংশৰ আটাইখিনি মানুহেই শিক্ষিত হ'ল কিন্তু চৰত থাকি যোৱা মানুহখিনি শিক্ষিত নহ'ল। তেওঁলোকৰ ল'ৰা-ছোৱালী আজিও সেই ক্ৰম বৰ্তমান সেই ধাৰাতে অব্যাহত আছে। কাৰণ তেওঁলোক চৰত থাকে। আজি এই অৱস্থা যদি নিজৰ পৰিয়ালৰ সৈতে হৈছে তেতিয়া বাকী সকলৰ কথা ভাবক ? আজি চৰ অঞ্চলত আচলতে বাস্তৱ চিত্ৰ কেনেকুৱা ? আজি সেই মানুহৰ পৰা প্ৰতিনিধিত্ব কৰি আপোনালোকৰ মাজলৈ আহিছো। গতিকে আমি আশা কৰিম যে আমাৰ চৰ অঞ্চলৰ যি সমূহ মৌলিক সমস্যা আছে এই সমস্যা সমূহৰ সমাধানৰ জৰিয়তে অসমৰ সামগ্ৰীকভাৱে আমাকো আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আমিও অহোপুৰুষাৰ্থ কৰিব বিচাৰো। আপোনালোকে কেৱল আমাক হাতে হাত ধৰি আগুৱাই লৈ যাওক। মহোদয়, আজি দেখিছো যে Socio Economic Survey, Assam ২০২১-২২ চনত বেংক সম্পৰ্কে তথ্য দিয়া হৈছে আৰু কোৱা হৈছে যে ২০২১চনৰ মাৰ্চ মাহত অসমত ২৯২৫ বেংকৰ শাখা আছে আৰু এয়া এটা ব্ৰাঞ্চ, ২৬.৮২ বৰ্গ কিঃ মিটাৰত। পুৰ্বতে এইটো আছিল ৩৮.৩১ বৰ্গ কিঃমিঃ ত। ভাল কথা বেংক হৈছে। আজি মোৰ সমষ্টিত বৃহত্তৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ অঞ্চলত চাওক এটাও বেংক নাই। দুখন CSP আছে। এখন CSP ত মই কালি খবৰ লৈ চাইছো ১১ হাজাৰ একাউন্ট এখন CSP ত, তেনেহ'লে তাৰ মানুহবিলাকে কেনেকুৱাকৈ লাভান্বিত হ'ব? তেনেহ'লে তাৰে আঢ়ৈশ টকা যিজন বৃদ্ধাই নিজৰ পেঞ্চন পায়, যিজনে মাজনী, আইজনী আঁচনিৰ নামত ১৪শ টকা পাব, তেওঁ কি দৰে গৈ তাৰ পৰা পইচা তুলিব? তাতে পোষ্ট অফিচতো লেনদেন নচলে। পোষ্ট অফিচৰ এজন ষ্টাফ, কোনো মতে তেওঁ চিঠিকেইখনহে বিলায়। মোৰ চেঙা সমষ্টিৰ কাছমাৰা, মহচৰা, খোলাবান্ধা, গোমা, দক্ষিণ গোদনি, এই অঞ্চলবোৰৰ কথা কৈছো। কেৱল এয়া উদাহৰণ হিচাপে দিছো। সামগ্ৰীক ভাবে সমূহ চৰ অঞ্চলৰ অৱস্থা একে চলিছে। .মহোদয়, চৰ অঞ্চলৰ কৃষক সকলে মৰাপাট উৎপাদনত তেওঁলোক পাকৈত আৰু অসমত ২০২০-২১ চনত ৬২ হাজাৰ ৮ শ ৭৯ হেক্টৰ ভূমিত ৭ লাখ ৭৩ হাজাৰ ৮ শ ৮৩ কুইণ্টল মৰাপাট উৎপাদন হৈছে। একেদৰে মেস্কা উৎপাদন হৈছে ২০ হাজাৰ ৪ শ ৫৯ কুইণ্টল। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় যে মৰাপাট সময়ে সময়ে মন গ'লে জুট কৰ্পোৰেশ্যনে কিনে আৰু সময়ে সময়ে মন গ'লে নিকিনে। যদি চোৱা যায়, দেখা যাব যে, ২০১৩-১৪ চনত গুৱাহাটী মণ্ডলত তেওঁলোকে ৪০ হাজাৰ ২ শ ৬৩ কুইণ্টল কিনিছে। কিন্তু ২০১৪-১৫ চনত মাত্ৰ ২৯০ কুইণ্টল কিনিছে। একেদৰে ২০১৮-১৯ চনত মাত্ৰ তেওঁলোকে কিনিছে ২৫৭ কুইণ্টল। ধুবুৰী আৰু বঙাইগাওঁ মণ্ডলতো যদি দেখা যায়ে যে, তেওঁলোকে ২০১৩-১৪ চনত ৫ হাজাৰ ৭৪ কুইণ্টল কিনিছিল ২০১৪-১৫ কিনা নাই। ২০১৫-১৬ চনত ম ৰাপাট কিনা নাই, আকৌ ২০১৬-১৭ চনত অলপ কিনিছে আৰু ২০১৮-১৯ চনত মাত্ৰ ১৫ কইণ্টল কিনিছে। দ ঠাইত বানপানী আহে। প্ৰতিবছৰে বানে যি ধৰণে আমাক আক্ৰান্ত কৰে, সেই দুৰদৰ্শাৰ বাস্তৱ ছবি আমি সকলোৰে জানো। আমি বানৰ সময়ত যিধৰণে অস্থায়ী আশ্ৰয় শিবিৰ বিলাকত আশ্ৰয় লওঁ আৰু তাৰ পাছত আমি মৰাপাট কেইটামান চপাই লও আৰু সেই মৰাপাট বিক্ৰী কৰিবলৈ উপযুক্ত বজাৰ নাই। আমি আশা কৰিম যে, এই বিভাগৰ দায়িত্ব এই মানুহখিনিৰ সৰ্বাংগিন উন্নয়নৰ কাৰণে কৃষি অৰ্থনীতিত যাতে তেওঁলোকে বৰঙণি আগবঢ়াব পাৰে। যাৰ কাৰণে তেওঁলোকে সঠিক বজাৰ দেখুৱাব লাগিছিল। মহোদয়, বানপানীৰ সময়ত disaster management department য়ে তাৰ আগৰ পৰা ব্যৱস্থাপনা ল'ব লাগে। তেওঁলোকে এই ব্যৱস্থা লোৱাত ব্যৰ্থ হৈছে।

আজি যদি disaster management ক সুধা যায়, যে আপোনাৰ চৰ অঞ্চলসমূহত কিমান সংখ্যক আশ্ৰয় শিবিৰ আছে, তেওঁলোকৰ তাৰ উপযুক্ত তথ্য নাথাকে। তেওঁলোকক যদি সুধা যায় যে কিমান সংখ্যক মানুহক আপোনালোকে training দিলে বা কিমান সংখ্যক awareness camp আপোনালোকে পাতিলে সেইবিলাকৰ তথ্য তেওঁলোকৰ ওচৰত নাই। এই ধৰণৰ কাম-কাজ তাতে চলে। আচলতে চৰ অঞ্চলত ভবা হয় নেকি যে, আমাৰ অফিচ কাৰ্য্যালয় ইত্যাদি বিলাকৰ পৰা পৃথক। অসমৰ এটা ডাঙৰ জনসমষ্টি বৰ্তমান কিজানি ৩৫ লাখতকৈ বেছি জনসংখ্যা হ'ব যিসমূহ ৫১ খন গাওঁ চৰ অঞ্চলত থাকে। আজি তাৰ সঠিক বৰ্তমানৰ সময়ত তাৰ ওপৰত কোনো ধৰণৰ জৰিপ হোৱা নাই কাৰণে তাৰ সঠিক পৰিসংখ্যা পাবলৈ নাই। গতিকে আমি আশা কৰিম ১৯৯৩ চনত যি জৰিপ হৈছিল, ২০০৩ চনত যি জৰিপ হৈছিল, ২০১৩ চনত হ'ব লাগিছিল যদিও হোৱা নাই, কিন্তু শেহতীয়াকৈ বৰ্তমান সময়ত তেনেকুৱা জৰিপ অনুষ্ঠিত সঁচা অৰ্থত চৰ অঞ্চলৰ ভিতৰত কি চলি আছে আমি কৈ থকা কথাবিলাক সঁচা হয়নে নহয় তাৰ এটা পৰ্য্যালোচনা হওঁক আৰু গঠনমূলক আৰু বাস্তৱসন্মত ব্যৱস্থাও লোৱা হওঁক। যাৰ জৰিয়তে সঁচা অৰ্থত চৰ অঞ্চল আগুৱাই যাব, সঁচা অৰ্থত চৰৰ সকলোৱে সমগ্ৰ অসমৰ উন্নয়নৰ গান গাব। গতিকে এইখিনিকে কৈ ১১৫ ধাৰাত মোৰ এই বক্তব্য সামৰিছো। ধন্যবাদ।

**শ্ৰী ৰফিকুল ইছলাম, (সভাপতি) ঃ** মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম জ্যেষ্ঠ।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মাননীয় সভাপতি মহোদয়, আজিৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয়। ইয়াত Private Members Resolution ত উত্থাপন কৰিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনালো। যিটো বিষয়বস্তু আজি ইয়াত উত্থাপন কৰা হ'ল এই বিষয়টো বিগত কেইবাবাৰো আমাৰ দলৰ ফালৰ পৰা আমি সদনত resolution দিছিলো private members business ৰ দিনা। কিন্তু হয়তো বেলটত গৈ আলোচনাত কেতিয়াও অহা নাছিল। এইবাৰ এটা সৌভাগ্যবশতঃ এই চৰৰ সমস্যাৰ বিষয়টো এইবাৰ আলোচনাত আহিল। মই এই বিষয়ে ক'ব বিচাৰো, যিখিনি কথা ইতিপূৰ্বে আমাৰ মাননীয় সদস্য শ্ৰীআশ্ৰাফুল হুছেইন ডাঙৰীয়াই কৈ গ'ল তেখেতে কম সময়ত কিছু বাস্তৱ সন্মত কিছু কথা ক'লে আৰু এই চৰ অঞ্চলত যিসকল লোক বসবাস কৰে, আমি ঐতিহাসিকভাৱে চাবলৈ গ'লে যে, কিছু লোক এনেকুৱা আছে যিসকলে ৮০-৯০ বছৰ প্ৰায় শত বছৰৰ পূৰ্বৰ পৰাই ইয়াত আছে। আৰু কিছু লোক পৰৱৰ্তী পৰ্য্যায়ত গড়াখহনীয়াই যেতিয়া ব্ৰহ্মপুত্ৰ নদীৰ গতিপথ সলনি কৰিলে বাৰে বাৰে তাৰ পিছত কিছু লোক বাধ্য হৈ চৰত আহিব লগা হ'ল. বৃটিছৰ দিনত বৃটিছ সকলে যেতিয়া ১৯০১ চনৰ পৰা ১৯০৮ চনৰ ভিতৰত grow more food আঁচনিৰ জৰিয়তে কিছুলোকক অভিভক্ত ভাৰতৰ পূৰ্ব বংগৰ পৰা আনি সংস্থাপিত কৰিছিল যে, অসমত বহু মাটি পতিত পৰি আছিল। যি মাটিত অলপ খান্দি অলপ চাফা কৰি এইবিলাক বাম দ বিলাক সমান কৰি কৃষি উপযোগী মাটি কৰিব পৰা যায়, তেনেহ'লে এইখন অসমত কৃষি ক্ষেত্ৰত বহু উৰ্বৰ মাটি আমি পাম। যাৰ কাৰণে অসমৰ কৃষি অৰ্থনীতি উন্নত হ'ব। এই কথাটো চিন্তা কৰি বৃটিছ চৰকাৰে ১৯০১ চনৰ পৰা ১৯০৮ চনৰ ভিতৰত বহু লোকক তদানিন্তন অবিভক্ত ভাৰতৰ পূৰ্ব বংগৰ পৰা আনি সংস্থাপিত কৰিছিল আৰু তাৰ নেতৃত্ব লৈছিল হেনৰি কটন, যাৰ নামত কটন কলেজ আছে. সেই হেনৰি কটনৰ নেতৃত্বত তেওঁলোকে গৈ তেতিয়া দেখিছিল যে এই অসমত যে আজি প্ৰায় ২ তৃতীয়াংশ ভূমি পতিত পৰি আছে, য'ত কৃষি উপযোগী কৰি এই মাটিখিনি সজাব পাৰো। কিন্তু তেনেকুৱা মানুহ নাই। যিসকলে এই মাটিখিনি কৃষি উপযোগী কৰিব। হেনৰি কটনৰ নেতৃত্বত তেওঁলোকে গৈ Dhaka Chambers of Commerce ৰ লগত

আলোচনাত বহিছে আৰু Dhaka chambers of Commerce ৰ লগত আলোচনা কৰি হাতীৰ পিঠিত উঠি তেওঁলোকে গৈ বিভিন্ন এলেকাত তেতিয়া সুনামগঞ্জ, হবিগঞ্জ, গপৰগাওঁ, মইমনসিং বা বিভিন্ন এলেকাত গাৱে গাৱে গৈ কৈছে যে, ইয়াত আপোনালোক কৃষি কৰ্মত পাকৈত। গতিকে আপোনালোকে ইয়াত যিটো সীমিত ভূমিত আপোনালোকে কৃষি কৰ্ম কৰি আছে, আপোনালোক অসমত আহক য'ত বহুত বেছি ভূমি এনেই পতিত পৰি আছে, চন পৰি আছে, তাত এই ভূমি খিনিক কৃষি উপযোগী কৰিব পাৰিলে তাত কৃষি উৎপাদন কৰিব পাৰিব। আপোনালোকো অৰ্থনৈতিকভাৱে ভাল হ'ব আৰু অসমৰ কৃষি অৰ্থনীতি উন্নত হ'ব আৰু তাৰ তৎকালিন কাৰণ আছিল কলকাতাত যিটো জুট ইণ্ডাষ্ট্ৰি বহাইছিল, বৃটিছ চৰকাৰে, তাৰ কাৰণে যিটো Raw-Materials লাগে, মৰাপাট, সেই মৰাপাটৰ Raw-Materials ৰ অভাৱ হৈছিল। তেওঁলোকে ভাবিছিল বংগ অসম এই পূৰ্বাঞ্চলৰ পৰা যদি অলপ বেছিকৈ Raw-Materials জুট উৎপাদন কৰিব পৰা যায়, তেতিয়াহ'লে তেওঁলোকে মিলটো চলাব পাৰিব আৰু সেই তৎকালিন কাৰণটো সেইটো আছিল আৰু তেওঁলোকে লগতে শস্যক্ষেত্ৰত grow more food খাদ্য শস্য বেছিকৈ উৎপাদন কৰাৰ কাৰণে এই হেনৰি কটনৰ নেতৃত্বত Dhaka chambers Commerce ৰ লগত যোগাযোগ কৰি তেওঁলোকে হাতীৰ পিঠিত উঠি তদানিন্তন পূৰ্ব বংগৰ কিছুমান জিলাত তেওঁলোকে ঘুৰিছিল আৰু কিছুলোকক কৈছিল যে, আপোনালোকে আমাৰ অসমত যদি আহে, তেতিয়া এটা সময়তো অসম বংগ এখনেই প্ৰদেশ আছিল। মাত্ৰ এখন জিলাৰ পৰা আৰু এখন জিলা তেতিয়া সেই একেখন প্ৰদেশৰ একেখন ৰাজ্য আছিল। একেখন ৰাজ্যৰ এই জিলাৰ পৰা বেলেগ জিলালৈ লোক সকলক তেওঁলোকে আমন্ত্ৰন কৰিছিল আৰু কৈছিল যে, আপোনালোক যিসকল তাত যাব, আপোনালোকক টিকট ফ্ৰি দিয়া হ'ব। তেতিয়া ট্ৰেইনত অহাৰ ব্যৱস্থা আছিল। ট্ৰেইনত আহি সেই মৈমনসিং, সুনামগঞ্জ হবিবগঞ্জ এই এলেকাৰ পৰা কলকতা হৈ ট্ৰেইনত অহাৰ যিটো তদানিন্তন দিনত ৫ টকাৰ টিকট। কৈছিল যে, আপোনালোকক পৰিয়ালৰ টিকট ফ্ৰি দিয়া হ'ব। ফ্ৰি পৰিয়ালৰ টিকট লৈ আপোনালোকে আহি ইয়াত তেওঁলোকক পৰিয়ালৰ টিকট ফ্ৰি কৰি এই বিশেষকৈ ব্ৰহ্মপুত্ৰৰ চৰ চাপৰি এলেকা, নদীৰ দাঁতিকাষৰীয়া এলেকা যিবিলাক ল' লাইন এৰিয়া য'ত কৃষি উপযোগী মাটি আছিল, কিন্তু মাটিবিলাক চন পৰি আছিল পতিত আছিল এই এলেকা বিলাকত সেই মানুহ সকলক সিঁচৰিত কৰি দিলে যে আপোনালোকে এই মাটিখিনি কৃষি উপযুক্ত ভূমি হিচাপে আপোনালোকে এই মাটিখিনি কৃষি উপযোগী কৰি তোলক আৰু সেই লোক সকলে ইয়াত কিছুমান এলেকাত হাবি জংঘল কাটি চাফা কৰিলে, কিছুমান এলেকাত য'ত অলপ বাম দ' আছিল, সেই মাটিখিনি কাটি সমান্তৰাল ভূমি কৰিলে আৰু তেতিয়া ব্ৰহ্মাপুত্ৰ নদীখন কিন্তু আজিৰ নিচিনা ইমান বহল নাছিল। ব্ৰহ্মাপুত্ৰ নদীখন তেতিয়া মেইন ষ্ট্ৰীমত বৈ আছিল। আজি মই এটা উদাহৰণ দিম আজি ধিঙৰ পৰা চিংৰি, নগাওঁ আৰু শোণিতপুৰ জিলাৰ মাজত ব্ৰহ্মপুত্ৰ নদী বৰ্তমান ২২ কিলোমিটাৰ বহল আছে। তেতিয়া আছিল ৩ কিলোমিটাৰ বহল আৰু এই ২২ কিলোমিটাৰ বহল নদীৰ গতিপথ বাৰে বাৰে সলনি কৰি কৰি ষ্ট্ৰীমটো যাতে সলনি হয় মাজত চৰ পৰে এইবিলাক পিছত প্ৰাকৃতিকভাৱে হৈছে কিন্তু মই ক'ব বিচাৰিছো যে তেতিয়া আহি এই নদীৰ দাঁতি কাষৰীয়া এলেকাত বা যিখিনি চৰ চাপৰি তেতিয়া আছিল, সেই এলেকাত এই লোক সকলক তেতিয়া লগাই দিয়া হৈছিল তেওঁলোকে বাম দ' এইবিলাক কাটি সমান কৰিছিল অলপ জংঘল চাফা কৰিছিল তাতে কৃষি উপযোগী মাটি উলিয়াইছিল। অসমত প্ৰথম মৰাপাটৰ খেতি উৎপাদন আৰম্ভ কৰিছিল সেই লোকসকলে। তেতিয়া ১৯০১ চনৰ পৰা ১৯০৮ চনৰ

ভিতৰত। প্ৰথম মৰাপাটৰ খেতি তেতিয়া আৰম্ভ হৈছিল আৰু কিছুমান ৰবি শস্য অসমত তেতিয়া আৰম্ভ হৈছিল বিলাহী , বেঙেনা, জলকীয়া এনেকুৱা ধৰণৰ ৰবি শস্যৰ। কিছুমান ৰবি শস্য আছে, তেতিয়া প্ৰথম উৎপাদন আৰম্ভ হৈছিল। তেতিয়াৰ পৰা এই লোকসকল কিন্তু এই চৰ চাপৰি এলেকাত আছে। মই যে আগতে ক'লো যে তাৰ পিছত যিসকল লোক চৰ চাপৰিত আহিল এই কথাটো হ'ল যে নদীৰ গতি পথ যেতিয়া বাৰে বাৰে সলনি কৰি থকা হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, নদীৰ গতি-পথ বাৰে বাৰে সলনি কৰাৰ ফলত যিবোৰ ৰেভিনিউ ভিলেজ আছিল, তাৰে কিছুমান গাওঁ উটুৱাই লৈ গৈছিল। সেই গাওঁবোৰ গড়াখহনীয়া গ্ৰস্ত গাওঁ হৈ গ'ল। নদীৰ এটা মূল সুঁতিৰ পৰা গৈ যেতিয়া ৫,৬,৭, ৮ টা লৈ সুঁতি হৈ গ'ল, তাৰ মাজে মাজে যিখিনি ভূ-খণ্ড গঢ় লৈ উঠিছিল, সেইখিনিকে আমি চৰ-চাপৰি বুলি ক'ব পাৰো। নদীয়ে যিবোৰ ৰেভিনিউ ভিলেজ উটুৱাই লৈ গৈছিল, তাৰ লোক সকলে শেষত সেই চৰ-চাপৰিতে বসবাস আৰম্ভ কৰিলে। আগতে তেওঁলোকে ৰেভিনিউ ভিলেজৰ বাসিন্দা আছিল। কিন্তু পিছত তেওঁলোক চৰ বাসী হৈ গ'ল। এই লোকসকলে তাতেই জীৱন সংগ্ৰাম কৰি জীৱন নিৰ্ব্বাহ কৰিবলৈ ধৰিলে। আমাৰ মাজৰেই অধিকাংশ সদস্যই জানিব যে চৰ-চাপৰিবোৰ প্ৰায় চাৰিৰ পৰা পাঁচ মাহ সময় পানীৰ তলত থাকে। সেই সময়ত কিছুমান ঘৰত পানী টিংৰ ওপৰেৰে বৈ যায়। নাইবা টিংৰ কিছু অংশ ওলাই থাকে, বাকী ঘৰটোৰ অধিকাংশই পানীৰ তলত বুৰ গৈ থাকে। সেই সময়ছোৱাত তাৰ লোকসকলে কি দৰে থাকিব লাগে বা এনে পৰিস্থিতিৰ লগত তেওঁলোকে মোকাবিলা কৰিবলৈ শিকি যায়। তেওঁলোকে পানী বঢ়াৰ আগতে কলঘচৰ ভুৰ বনাই তাৰ ওপৰত কাঠ-টিং পাৰি কিদৰে চৌকা বনাব লাগে সেই মতে বনাই তৈয়াৰ কৰি ৰাখে। বানপানীত এই কলগছৰ ভুৰবিলক পানীত ওপঙি থাকে আৰু তেওঁলোকে তাতেই এই চাৰি-পাঁচমাহ সময় বানপানীৰ লগত সহবাস কৰি থাকে। এনেদৰে তেওঁলোকে সংগ্ৰাম কৰি থাকে। বানপানী কমিলে বহু প্ৰাকৃতিক পৰিৱৰ্তন হৈ যায়। তেওঁলোকে হয়তো যিটো চৰত আছিল, সেইটো চৰৰ আটাইতকৈ বেছি বানপানীত উটি যায় নাইবা আগৰ চৰটো নাইকিয়া হৈ যায়। য'ত সুঁতি আছিল, তাত আকৌ নতুন চৰৰ জন্ম হয়। ফলত তেওঁলোকৰ ঘৰটো স্থানান্তৰিত কৰিবলগীয়া হয়। মোক এবাৰ এজন বুঢ়া মানুহে কান্দি কান্দি কৈছিল যে তেওঁ তিনি বছৰত সাত বাৰ বেলেগ বেলেগ ঠাইত ঘৰ স্থানান্তৰিত কৰিবলগীয়া হৈছিল। যিসকল লোকে স্ব-চক্ষুৰে তেওঁলোকৰ এই জীৱন-সংগ্ৰাম প্ৰত্যক্ষ কৰিছিল, তেওঁলোকে জানিব যে এনে প্ৰতিকুল পৰিস্থিতিত তেওঁলোকে কেনেদৰে জীয়াই থাকে। তেওঁলোকে ইমান দিনৰ কষ্ট, ত্যাগ পাহৰি যায় যেতিয়া বানপানী কমাৰ পিছত বানপানীয়ে যি পলস পেলাই থৈ যায়, সেই পলসুৱা মাটিত তেওঁলোকে ৰবি শস্যৰ খেতি কৰিবলৈ আৰম্ভ কৰে। শাক-পাচলি আদিৰ খেতি কৰাৰ পিছত যেতিয়া ফল ধৰে তেতিয়ালৈকে আকৌ প্ৰবল বৃষ্টিপাত হয় হৈ বানপানীৰ সৃষ্টি কৰি তেওঁলোকৰ গোটেই শস্য ধ্বংস কৰি থৈ যায়। তেওঁলোকে বহু জীৱন-সংগ্ৰাম কৰি যি ৰবি শস্য উৎপাদন কৰে সেই ৰবি শস্যই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ চাহিদা পূৰণ কৰে। চৰ-চাপৰিত যদি ৰবি শস্য উৎপাদন নহ'লহেঁতেন তেন্তে গুৱাহাটীৰ নিচিনা ঠাইত প্ৰতি কেজিতে তিনিশ টকাৰে বিলাহী, বন্ধাকবি, বেঙেনা কিনিব লাগিলহেঁতেন। গতিকে এই লোকসকলৰ অধিকাৰ আছে। যিদৰে জীয়াই থকাৰ অধিকাৰ সকলোৰে আছে। তেনেদৰে শিক্ষা গ্ৰহণ কৰা, স্বাস্থ্য সেৱা পোৱা, সংস্থাপন পোৱা সকালোখিনি অধিকাৰ আছে। কিন্তু স্বাধীনতাৰ পৰা বিগত পঁয়সত্তৰ বছৰত অবজ্ঞা কৰা দেখিবলৈ পাইছো। চৰ অঞ্চলত শিক্ষাৰ অধিকাৰ আইনখন কাৰ্য্যকৰী হোৱা নাই। শিক্ষাৰ অধিকাৰ আইন মতে প্ৰত্যেক এক কিলোমিটাৰত এখনকৈ প্ৰাথমিক বিদ্যালয়, তিনি কিলোমিটাৰ

উচ্চ প্ৰাথমিক বিদ্যালয়, চাৰি কিলোমিটাৰত হাইস্কুল আৰু সাত কিলোমিটাৰত এখনকৈ হাইয়াৰ চেকেণ্ডাৰী স্কুল থকাৰ যি নীতি আছে, সেইয়া তাত প্ৰনয়ণ হোৱা নাই। কেইদিনমান আগতে মই চৰ অঞ্চলৰ এটা ঠাইত গৈ এখন স্কুলৰ ওচৰত থিয় হৈ ওচৰ-চুবুৰীয়া লোকসকলক সুধিছিলো যে ইয়াৰ পৰা পৰৱৰ্তী স্কুলখন কিমান দূৰত আছে? তেতিয়া তেওঁলোকে হিচাব কৰি তেৰ কিলোমিটাৰ দূৰত থকাৰ কথা ক'লে। তাৰ মানে এখন প্ৰাথমিক বিদ্যালয়ৰ পৰা আনখন প্ৰাথামিক বিদ্যালয়ৰ দূৰত্ব তেৰ কিলোমিটাৰ আৰু চৰকাৰৰ শিক্ষাৰ অধিকাৰ আইন মতে বাকী বাৰ কিলোমিটাৰৰ ভিতৰত আৰু বাৰখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰিব লাগিছিল। সেই প্ৰাথমিক বিদ্যালয়সমূহ স্থাপন কৰা হোৱা নাই। কলেজতো নাইয়েই। হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ কথা বাদেই দিলো। গতিকে এই চৰ অঞ্চলৰ লোকসকলৰ মূল সুঁতিৰ লগত একেটা পৰ্য্যায়ত আনিবলৈ যিমান শিক্ষানুষ্ঠান আৰু আন্তঃগাঁথনি লাগিছিল বা উন্নতিৰ বাবে চৰকাৰে যিমান চিন্তা-চৰ্চ্চা কৰিব লাগিছিল, সেইবোৰ চৰকাৰে কৰা নাই। আগতে চৰৰ বাহিৰত Reverine PHC কেইখনমান দিছিল। কিন্তু চৰ অঞ্চলত কোনো প্ৰসূতি বা সাংঘাতিক গভীৰ বেমাৰীক Hospital লৈ নিব লগা হয়, তেতিয়া তেওঁলোকক দুই-তিনিটা সুঁতি পাৰ কৰি ঠেলা বা নাওঁত উঠাই আনি Hospital লৈ নিয়াৈলে ছয়-সাত ঘণ্টামান সময় দেৰী হোৱাৰ ফলত বহুতো লোক মৃত্যু মুখত পৰে। মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত আমি দাবী কৰিছিলো যে চৰ-চাপৰিৰ বাবে Reverine Hospital, Boat Clinic দিব লাগে। পূৰ্বৰ চৰকাৰৰ দিনত, অসমত তিনিখনমান Boat Clinic দিয়া হৈছিল। কিন্তু সেইকেইখন বিকল হৈ আছে। ১০৮ ত ফোন কৰি দিলে যিদৰে Ambulance লগে লগে গুছি যায়, ঠিক তেনেদৰে Boat Ambulance ৰ ব্যৱস্থা কৰি বাৰিষা দিনত যাতে বেমাৰী লোকসকলক বামলৈ আনিব পাৰে তাৰ বাবে আমি দাবী কৰিছিলো। আনহাতে জাহাজৰ দৰে ফ্ল'টিং স্কুল কৰাৰ বাবে আমি দাবী কৰিছিলো। এনে স্কুল কৰিলে স্কুল বিল্ডিং কৰাতকৈ কম খৰচ হয়। মই বিভিন্ন অনুষ্ঠানৰ লগত যোগাযোগ কৰি তাত ফ্ল'টিং স্কুল দিব পৰাৰ কথা কৈছিলো। এনেকুৱা স্কুল হ'লে বাৰিষা কালতো ল'ৰা-ছেৱালীয়ে শিক্ষা গ্ৰহণ কৰিব পাৰিব আৰু যেতিয়া শুকান বতৰ হ'ব তেতিয়া জাহজখন ষ্টাৰ্ট দি য'ত স্কুলৰ লোকেশ্যন আছিল, তালৈ গুছি যাব পাৰিব। ল'ৰা-ছোৱালীবোৰ যাতে চাৰি-পাঁচমাহমান শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিব লগীয়া নহয়। এই দাবী আমি আজিও কৰো। চৰ-চাপৰিৰ লোকসকলক সংবাদ মাধ্যম বা বিভিন্ন সংগঠনে বহু সময়ত তেওঁলোকক জেহাদী সন্ত্ৰাসবাদী আদি বিভিন্ন নামেৰে নামাকৰণ কৰি অপমান কৰে। কিন্তু এই লোকসকলেই আজি অসমৰ Agro Economic Development ৰ কাৰণে হাড় ভঙা পৰিশ্ৰম কৰি আহিছে। তেওঁলোকে চাৰি পাঁচমাহ সময় খেতি কৰাৰ পৰা আৰম্ভ কৰি তাক চপাই মেলি বজাৰলৈ আনি বিক্ৰী কৰে। য'ত প্ৰতি কেজিত তেওঁলোকে পঞ্চাশ পইচাৰ পৰা এটকা লাভ পায়। তাৰ বিপৰীতে কিন্তু মধ্যভোগীয়ে তিনি ঘণ্টাৰ ভিতৰতে গুৱাহাটীৰ বজাৰলৈ আনি ত্ৰিশ টকাকৈ প্ৰতি কেজিত লাভ লয়। কিন্তু এই লোকসকলক এনেদৰে অপমান কৰাটো কেতিয়াও উচিত নহয়। উাপধ্যক্ষ মহোদয়, চৰ উন্নয়নৰ বাবে এটা চেপাৰেট বিভাগ হোৱাৰ বাবে আমি দাবী কৰিছিলো। সংখ্যালঘু উন্নয়নৰ বাবে যি কিঞ্চিৎ পুঁজি দিয়া হয়, তাৰ পৰাই চৰ অঞ্চলৰ বাবে চাইকেল, ৰিক্সা আদি দিয়া হয়। গতিকে সংখ্যালঘু সকলৰ উন্নয়নৰ পৰা চৰ অঞ্চলত পুঁজি নিদি চৰ উন্নয়নৰ বাবে Separate Ministry, Separate Secrateriate, Separate Directorate হ'ব লাগে। লগতে Separate বাজেট এলোকেশ্যন লাগে। প্ৰত্যেক জিলাতে চেপাৰেট অফিচ হ'ব লাগে যাতে এই বিভাগে আৰু ইয়াৰ মন্ত্ৰী সকলে চৰ অঞ্চলত Budget

Allocation ৰ কথা চিন্তা কৰিব পাৰে। চৰত কেৱল সংখ্যালঘু লোকেই নাথাকে। কিছুমান চৰ অঞ্চলত যেনে মাজুলীত Non Minority লোকো থাকে। গতিকে চৰ অঞ্চলত Minority Welfare Department, ৰ পৰা পুঁজি দিয়াটো উচিত নহয়। আমাৰ দাবী চৰাঞ্চলৰ বাবে Separate Ministry, Separate Budget Allocation হ'ব লাগে। এই তেত্ৰিশ লাখ মানুহক চৰকাৰে মূল সুঁতিৰ লগত মিলাবলৈ শিক্ষা, স্বাস্থ্য, সংস্থাপন, যোগাযোগ সকলো ধৰণৰ ব্যৱস্থা কৰিব লাগে। এই লোকসকল যদি পিছ পৰি থাকে তেন্তে সামগ্ৰীকভাৱে অসমখনৰ কেতিয়াওঁ উন্নতি নহয়। সকলোকে সমভাৱে আগুৱাই লৈ গ'লেহে ৰাজ্যখনৰ Development index ত আগুৱাই লৈ যাব। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই কথাখিনি চৰকাৰক অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য নুৰুল হুদা।

**মোঃ নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ চৰ অঞ্চল সমূহৰ অৰ্থনৈতিক জৰীপৰ বিষয়ে আলোচনা হৈ আছে। অৰ্থনৈতিক জৰীপ অতি প্ৰয়োজন। আমাৰ ৰাজ্যখনৰ ভিতৰত একেবাৰে অনগ্ৰসৰ আৰু শিক্ষাৰ পিছপৰা মানুহখিনি চৰ অঞ্চলত আছে। গতিকে চৰ অঞ্চলত স্থায়ীভাৱে জৰীপ কৰি তেওঁলোকৰ মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি এই চৰ অঞ্চলবিলাকত যিসকল মানুহ বাস কৰে আৰু উপৰোক্ত দুই এজন বক্তাই কৈ গৈছে যে আচল সমস্যাটো হ'ল আমাৰ শিক্ষাৰ। আজি চৰ অঞ্চলৰ যিসকল ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ যায়, ১৫ কিঃ মিঃ ২০ কিঃমিঃ দূৰত বোকাপানী আৰু নাৱেৰে গৈ পাব লাগে। এনেকুৱা বাৰিষা কালত এই ছাত্ৰ-ছাত্ৰী সকলে লিখা পঢ়াৰ পৰা বঞ্চিত হৈ থাকে। বিদ্যালয়লৈ যাব নোৱাৰে। বিদ্যালয়লৈ যোৱাৰ যিখিনি পৰিৱেশ সেই পৰিৱেশটো নাথাকে। গতিকে চৰকাৰক মই অনুৰোধ জনাব বিচাৰিছো যে প্ৰতিখন চৰত যাতে শৈক্ষিক বাতাবৰণটো সৃষ্টিৰ কাৰণে নতুন চিন্তা-ধাৰাৰে আগবাঢ়ে। আমাৰ প্ৰতিখন চৰত যাতে নিয়মীয়াভাৱে বিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা কৰে আৰু যদি বিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা নকৰে, শৈক্ষিক দিশত যদি আগবঢ়াই নিব পৰা নাযায়, তেতিয়াহ'লে জাতিটোক আগবঢ়াই নিব পৰা নাযাব।

মাননীয় উপাধ্যক্ষ মহোদয়, যাতায়াতৰ এনেকুৱা দুৰৱস্থা যে আমাৰ চৰ অঞ্চলৰ খেতিয়কসকলে বহু কষ্ট কৰি কৃষি কাৰ্য্য কৰে আৰু যিসকলে কৃষি উৎপাদন কৰে, শস্য উৎপাদন কৰে, উৎপাদিত কৃষি সামগ্ৰীখিনিৰ উপযুক্ত মূল্য তেওঁলোকে নাপায়। তাৰ কাৰণ দুটা আছে - এটা হ'ল তেওঁলোকে চৰত এই কৃষি উৎপাদন কৰাৰ পাছত বজাৰলৈ যে নিব তাৰবাবে ৰাস্তা নাই। কিছু ঠাইত ঘোঁৰা গাড়ীৰে লৈ যায়, কিছু ঠাইত নাৱেৰে লৈ যায়। এনেদৰে তিনি চাৰিবাৰ নাও আৰু ঘোঁৰা গাড়ী ব্যৱহাৰ কৰি শাক-পাচলি বিক্ৰী কৰি ভাড়াৰ পইচাখিনি গোটাবলৈও সক্ষম নহয়। গতিকে যাতায়াতৰ বাবে চৰ অঞ্চলৰ কাৰণে সুকীয়া ব্যৱস্থা কৰিব লাগে। চৰ অঞ্চলত পৰ্য্যাপ্ত পৰিমাণে দলং, ৰাস্তা আদি কৰা হয়। বানপানীৰ সময়ত তেওঁলোকে কি অৱস্থাত থাকে সেয়া আমি চহৰত থকা মানুহে অনুভৱ কৰিব নোৱাৰো। যিসকলে সেই অঞ্চলত যায় তেওঁলোকেহে অনুভৱ কৰিব পাৰে। তেওঁলোকে থকাৰ কাৰণে এডোখৰ শুকান ঠাই বিচাৰি নাপায়। পশু আদি ৰাখিবৰ কাৰণেও ওখ ঠাই নাপায় যাৰফলত বহু পশুধনৰ মৃত্যু হয়। গতিকে চৰ অঞ্চল সমূহত ডাঙৰ ডাঙৰ ভেটি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে বানপানীৰ সময়ত গৰু ছাগলীবিলাক তাত ৰাখিব পৰা যায়। মোৰ সমষ্টি সুতিৰ পাৰত ১৬ হাজাৰতকৈও অধিক জনসংখ্যা আছে। বানপানীৰ সময়ত তেওঁলোকৰ যি দুৰৱস্থা হয় তাৰবাবে গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তে

ওখ ঠাই বনাবলৈ permission দিছে কিন্তু এইবাৰ MGNREGA আঁচনিত পইচা নথকা কাৰণে এই ওখ ভেটি সমূহ নির্মাণ কৰিব পৰা নাই। গতিকে এই MGNREGA আঁচনিৰ জৰিয়তে যি job card ৰ কাম দিয়ে সেয়াও বন্ধ হৈ আছে। গতিকে মই উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাব বিচাৰিছো যে এতিয়া মাৰ্চ মাহ শেষ হ'বৰ হৈছে কিন্তু MGNREGA ৰ কাম আৰম্ভ কৰিব পৰা নাই।

ইতিমধ্যে আশ্ৰাফুল ডাঙৰীয়াই কৈ গৈছে যে চৰ অঞ্চলৰ মানুহখিনিৰ উন্নয়ন কেনেকৈ চিন্তা কৰা হয় যে তেওঁলোকক পাৱাৰ টিলাৰ, চিলাই মেচিন, ছাতি দিয়া হয়। এই চিলাই মেচিন , ছাতি দি উন্নয়ন কৰিব বিচৰা হৈছে। বিগত চৰকাৰৰ দিনত আমি দেখিছো যে চৰ অঞ্চলৰ শিক্ষিত ছোৱালী সমূহক GNM, ANM, Air hostess আদিৰ training দি সংস্থাপন দিছে। কিন্তু বৰ্তমান চৰকাৰে সেয়া দিয়া নাই। গতিকে মই উপাধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে চৰ অঞ্চলৰ যি সকল শিক্ষিত যুৱক-যুৱতী আছে তেওঁলোকক UPSC আৰু APSC ৰ training দি IAS, APS বনোৱাৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব লাগে। চৰ অঞ্চলৰ মানুহখিনিক যদি গুৰুত্ব দিয়া নহয়, শিক্ষিত যুৱক-যুৱতীক যদি UPSC আৰু APSC ৰ training দি IAS, APS বনোৱাৰ কাৰণে চৰকাৰে ব্যৱস্থা নলয় তেতিয়াহ'লে ঘঁৰিয়ালৰ চকুলো টুকি লাভ নাই। চৰ অঞ্চলৰ লোক সকলৰ যদি সঁচা অৰ্থত উন্নয়ন বিচাৰে তেতিয়াহ'লে শৈক্ষিক দিশত তেওঁলোকক আগবঢ়াই আনিব লাগিব। সেয়েহে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু শিক্ষিত যুৱক-যুৱতী সকলক প্ৰশাসনিক বিষয়াৰ যাতে course এটা দিয়ে তাৰবাবে মই অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, আন এটা ডাঙৰ সমস্যা হৈছে গৰাখহনীয়াৰ সমস্যা। ১০-১২ বছৰৰ পিছত গৰাখহনীয়াৰ বাবে চৰ অঞ্চলৰ লোক সকলৰ মাটিখিনি লৈ যায়। মই এই প্ৰশ্নটো বহুবাৰ উত্থাপন কৰিছো যে বুঢ়ীগাওঁ আৰু নগাওঁৰ ধিং সমষ্টি, লাহৰীঘাট সমষ্টিৰ প্ৰায় ৩.৫ কিঃ মিঃ ৪ টা মথাউৰি ভাঙি গৈছে আৰু এই ভগ্ন মথাউৰিৰ ওপৰত হাজাৰ হাজাৰ মানুহ পশুতুল্যৰ দৰে বসবাস কৰি আছে। যেতিয়া গড়াখহনীয়াত এই লোক সকল ক্ষতিগ্ৰস্ত হয়, চৰকাৰে এই লোক সকলক প্ৰমান পত্ৰ দিব লাগে। কিন্তু সেয়া নিদিয়ে। গড়াখহনীয়াত সৰ্ব্বহাৰা হৈ, গৃহহাৰা হৈ তেওঁলোক যেতিয়া য'ত তত যায়, তেতিয়া তেওঁলোকক বাংলাদেশী বুলি সন্দেহ কৰা হয়। আচলতে তেওঁলোক বাংলাদেশ বা বিদেশৰ পৰা অহা নাই, তেওঁলোক ভাৰতীয় নাগৰিক। তেওঁলোকে বাসস্থান আৰু খাদ্যৰ সন্ধানত য'তেই চৰকাৰী মাটি পায়,তাতে বহি যায়। গতিকে এই ক্ষেত্ৰত চৰকাৰে তেওঁলোকৰ ওপৰত নজৰ দিব লাগে। অসমত প্ৰায় ৩ লাখতকৈও অধিক গৰাখহনীয়াগ্ৰস্ত পৰিয়াল আছে। এই সকলো পৰিয়ালকে চৰকাৰে ভেটি মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি বহু গৰাখহনীয়াগ্ৰস্ত লোকৰ নাম PMAY ৰ ঘৰৰ হিতাধিকাৰী হিচাপে selection হৈ আছে। কিন্তু মাটি নথকাৰ কাৰণে তেওঁলোকে ঘৰটো নাপায়। চৰকাৰে কৈছে যে তেওঁলোকক ভূমি দিব, কিন্তু এতিয়ালৈ দিয়া হোৱা নাই। গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যিসকল গৰাখহনীয়াগ্ৰস্ত লোক আছে, তেওঁলোকৰ প্ৰতিজন ব্যক্তিকে ভূমি আৰু গৃহদান কৰি পুনৰ সংস্থাপন দিব লাগে।

**(Hon'ble Speaker on the chair)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমাৰ সময় নাই। এইটো private resolution. এতিয়া আমি বস্তুবোৰ আধা কৰি থওঁ নে resolution টো move কৰো। আমাৰ ইতিমধ্যে বহু matter

pending হৈ আছে। তেনেকুৱা হ'লে private resolution কেতিয়াও নহবগৈ।

**শ্ৰী ৰফিকুল হুছেইন (চামগুৰি) ঃ** Private resolution আকৌ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। তেতিয়াহ'লে মোৰ আপত্তি নাই।

**মোঃ নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যিটো শ্লোগান দিছে 'সবকা সাথ সবকা বিকাশ,সবকা বিশ্বাস', কিন্তু তেওঁলোকে চৰ অঞ্চলৰ মানুহখিনিক বিশ্বাসত লোৱা নাই। চৰ অঞ্চলৰ যিসকল মানুহে ইমান কষ্ট কৰি শাক-পাচলি উৎপাদন কৰে আৰু আমি চহৰ অঞ্চলত সেয়া কিনি খাওঁ আৰু তেওঁলোকৰেই সমালোচনা কৰো। অধ্যক্ষ মহোদয়, এই লোকসকলে বহুত কষ্ট কৰে। গতিকে তেওঁলোকৰ উন্নয়ন আমাৰ বহুত প্ৰয়োজন। যদি এই সমাজৰ এই শ্ৰেণীটোক আমি আগবঢ়াই আনিব নোৱাৰো তেনেহ'লে বৃহত্তৰ অসমীয়া সমাজ গঠন নহ'ব। বৃহত্তৰ অসমীয়া সমাজ গঠনৰ কাৰণে আমাৰ অসমৰ প্ৰতিটো জাতি জনগোষ্ঠী আৰু পিছপৰা সম্প্ৰদায়ৰ মানুহখিনিক আগবঢ়াই আনিব লাগিব। আজি যেনেকৈ এচ টি সকলৰ উন্নয়নৰ কাৰণে সুকীয়াকৈ চিন্তাচৰ্চা কৰা হৈছে ,ঠিক তেনেকৈ আমাৰ চৰ অঞ্চলৰ মানুহখিনিৰ বাবেও সুকীয়াকৈ চিন্তা কৰিব লাগে। তেওঁলোকক শৈক্ষিক, অৰ্থনৈতিক দিশত, ৰাজনৈতিক দিশত আগবঢ়াই অনাৰ বাবে তেওঁলোকৰ বাবে এটা পেকেজ ঘোষণা কৰিব লাগে। যিটো পেকেজৰ দ্বাৰা এই অনগ্ৰসৰ মানুহখিনিক উঠাই আনিব পৰা যাব। এই শংকৰ- আজানৰ দেশত বৃহত্তৰ অসমীয়া জাতিটো যাতে আমি গঢ়ি তুলিব পাৰে, তাৰ বাবে এই চৰ অঞ্চলৰ এই সম্প্ৰদায়ৰ মানুহখিনিৰ বাবে মই এটা পেকেজ ঘোষণা কৰিবৰ বাবে আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।এতিয়া আমিনুল ইছলাম (কনিষ্ঠ )

**শ্ৰীআমিনুল ইছলাম (মানকাচাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে অৱগত যে আমাৰ চৰ অঞ্চলৰ প্ৰায় ৩৩ লাখ জনসংখ্যা। এই ৩৩ লাখ জনসংখ্যা ইৰোচন এফেক্টেড। আমি যদি লক্ষ্য কৰো দেখা যায় আমাৰ ভাৰতবৰ্ষৰ বহু ষ্টেটৰ পপুলেশ্যন ৩৩ লাখ নহয়। নাগালেণ্ড- মেঘালয় ইত্যাদি ৰাজ্যৰ পপুলেশ্যন ইমান নহয়। ইমান বৃহৎ জনসংখ্যা, এটা মানৰ সম্পদ যাক আমি সম্পদ হিচাপে ব্যৱহাৰ কৰিব পৰা নাই। এইটো এটা তাৎপৰ্যপূৰ্ণ ৰিজোলুশ্যন আহিছে মই ভাবো এইটো বিশেষভাবে তথা বিস্তাৰিতভাবে আলোচনাৰ প্ৰয়োজন আছে। পূৰ্বৰ বক্তাগৰাকী যদিও 'আই ডি ' সম্পৰ্কে কৈ গৈছে- আজি অসমৰ সমস্যাবিলাকৰ এটা মূল সমস্যা হ'ল বিদেশী সমস্যা। ইয়াৰ লগত কানেক্টেড ' ডি ' ভোটাৰ, বিদেশী সমস্যাক লৈ এন আৰ চি, বিদেশী সমস্যাক লৈ অসম আন্দোলন। এই সমস্যাবোৰ কেতিয়া সৃষ্টি হয়, আমি জানো যে আমাৰ এই নদীখন পৃথিৱীৰ ভিতৰতে বালি কঢ়িওৱা নদী। যিটো নদীত সৰ্বোচ্চ খহনীয়া ইৰোচন হয়। আমি দেখিছো এই নদীৰ জৰিয়তে লাখ লাখ মানুহে ঘৰ বাৰী হেৰুৱায়, সকলোখিনি হেৰুৱাই আল্টিমেটলী ক'ৰবাত আশ্ৰয় ল'ব লগা হয়। তেখেতসকলে ফৰেষ্ট এৰিয়াত, গৰ্ভনমেন্ট লেণ্ড, ৰাস্তাৰ কাষত, মথাউৰিত আশ্ৰয় ল'ব লগা হয়। ৱেলফেয়াৰ ষ্টেট হিচাপে এই মানুহবিলাকক ফাষ্ট এণ্ড ফৰমোষ্ট আমি কেনেকৈ পুনঃ সংস্থাপনৰ ব্যৱস্থা কৰিম। তেখেতসকলৰ লাইভলীহুড আমি কেনেকৈ ৰক্ষা কৰিম, তেখেতসকলক ক'ত আমি মাটি দিম, স্বাস্থ্য সেৱা দিম, ক'ত শিক্ষাৰ ব্যৱস্থা কৰিম- এই যিটো ব্যৱস্থা তাৰ ক্ষেত্ৰত কিন্তু আমি মাৰাত্মকভাৱে মাহী আইৰ দৃষ্টিৰে চাই আহিছো। এই মানুহখিনিক আমি পুন সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা নাই কিন্তু আজি আমি দেখিছো য'ত আমি নিজকে কল্যাণকামী ৰাষ্ট্ৰ হিচাপে দাবী কৰো বা ডেভল'প হৈ আছো কিন্তু তেওঁলোকক পুনঃসংস্থাপন দিয়াৰ সলনি

আমি তেওঁলোকক এভিকশ্যনহে কৰি আছো। মই বিতৰ্কত যাব বিচৰা নাই কেৱল এটা উদাহৰণ দিব বিচাৰিছো - আজি গৰুখুঁটিত প্ৰকল্প কৰিব- এগ্ৰিকালচাৰ কৰিব তাৰ বাবে মানুহখিনিক এভিকশ্যন কৰা হ'ল । আমাৰ দায়িত্ব হ'ল ৰিহেবিলেট কৰা কিন্তু আমি দেখিছো তাত যিসকলে কৃষি কৰ্ম কৰি আছিল তেওলোকক এভিকশ্যন কৰা হ'ল। তেওঁলোকক সন্দেহ যুক্ত বাংলাদেশী বুলি এভিকশ্যন কৰা হ'ল । A new concept. চৰকাৰে যদি কয় suspected Foreigners - তেনেহ'লে who will establish it that they are Indian Citizen এইটো কোনে কৰিব? তেখেতসকলৰ এন আৰ চি আছে, ভোটাৰ লিষ্ট আছে, সকলো ডকুমেন্ট আছে তাৰ পিছতো অকল বাংলাদেশী নাম দি তেখেতসকলক এভিকশ্যন কৰি থকা হৈছে। এই মানুহখিনিক বিদেশী বুলি চিনাক্তকৰণ কৰিব নোৱাৰিলে- তেওঁলোকক ডিপোৰ্ট কৰিব নোৱাৰিলে বা ডিটেক্ট কৰিব নোৱাৰিলে । কি কৰিলে - They were shifted to another Place. যদি তেখেতসকলক অন্য ঠাইত শ্বিফট্ কৰা হৈছে তেনেহ'লে এভিকশ্যনৰ ইনটেনশ্যনটো কি আছিল। মই ক'ব বিচাৰিছো - যে কল্যাণকামী ৰাষ্ট্ৰ হোৱা সত্বেও এই উচ্ছেদ কৰাৰ যিটো পৰিকল্পনা ক'ৰবাত ৰাজনৈতিক অভিসন্ধি লুকাই থকাৰ কাৰণে আমাৰ অসমৰ ৩৩ লাখ জনসংখ্যাৰওপৰত টাৰ্গেট কৰা হৈছে নেকি? এই কথাটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মই বিবেচনা কৰিছো। এই মানুহবিলাক যেতিয়া উচ্ছেদ হৈ যায় - IDP- Internally Displace Person হিচাপে চাৰ্টিফিকেট ইছ্যু কৰিব পাৰো - আই কাৰ্ড ইছ্যু কৰিব পাৰো । কিন্তু এই মানুহ খিনিক আই কাৰ্ড ইছ্যু কৰা নহয়।

আজি যদি তেখেতসকলক আই ডি কাৰ্ড চাৰ্টিফিকেট ইছ্যু কৰা হয় আৰু তাৰ দ্বাৰা চিনাক্তকৰণ কৰা হয় তেতিয়াহ'লে অন্তত এই বিদেশীৰ নামত হোৱা হাৰাশাস্তিৰ পৰা ৰেহাই পাব। উজনি অসমত কাণত ধৰি থিয় কৰাই থোৱা, ক'ৰবাত বহু কি.মি ৰাস্তা খোজকঢ়াই লৈ যোৱা, বিদেশী বুলি পুলিছৰ দ্বাৰা মাৰপিট কৰা ইত্যাদি এইবোৰে অসমত এটা সামাজিক ব্যাধিৰ সৃষ্টি কৰিছে। এই আই ডি পি চাৰ্টিফিকেট ইছ্যু কৰিলে কিন্তু এই সামাজিক ব্যাধি নোহোৱা হ'ব অসমত অধ্যক্ষ মহোদয়। মই আজি হাউচত এই আই ডি পি চাৰ্টিফিকেট ইছ্যু কৰাৰ বাবে ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছো।

ইৰোচন প্ৰটেকশ্যনৰ বাবে কোনো পাৰ্মানেন্ট মেজাৰ লোৱা হোৱা নাই। মই জাপানত দেখিছো- তেওলোকে ইৰোচন প্ৰটেকশ্যনৰ বাবে এটা বিশেষ প্ৰজাতিৰ ঘাঁহ ৰুইছে। এই ঘাঁহৰ শিপাবিলাক বহু তললৈ যায় যাৰ বাবে ইৰোচন নোহোৱাকৈ মাটিটো ধৰি ৰাখে। আমাৰ চিল্ট কেৰিঙ ৰিভাৰৰ মাটি- বালিখিনি ক'ত যায়- নিশ্চয় বাংলাদেশত যায়। আমাৰ মাটিখিনি বাংলাদেশত গৈ আছে এইটো কিয় প্ৰটেকশ্যন কৰা নহয়। বাংলাদেশ আমাৰ নেইবাৰিং কান্ট্ৰি, আমাৰ বাবে বাংলাদেশ এলাৰ্জী কিন্তু আমাৰ মাটিখিনি ৰক্ষা কিয় কৰা নাই। আজি বিভিন্ন সময়ত নানা কথা আহিছে যে কেনেল কৰা হ'ব, ব্ৰহ্মপুত্ৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে কৰা হ'ব। নতুন জাহাজ ঘাট, নদী পৰিবহন গতিকে কেনেলবিলাক যদি পাৰ্মানেন্ট কৰিব পাৰো তেতিয়া হ'লে আমাৰ ইৰোচনকে ধৰি বহু সমস্যা সমাধান হ'ব। শিক্ষাৰ ক্ষেত্ৰত দেখিছো চৰ অঞ্চলত যদি ২০০১ চনৰ চেনচাচ চাওঁ ১৪- ১৫ -১৬ শতাংশৰ ওপৰত এডুকেশ্যন ৰেট নাই। কিন্তু আজিৰ দিনত আমাৰ এডুকেশ্যনৰ পাৰ্চেন্ট হ'ল ৭৬- ৭৮ পাৰ্চেন্ট ইয়াৰ তুলনাত আমাৰ চৰ অঞ্চল কিমান তলত আছে। এইখিনি মানুহক শিক্ষাৰ ক্ষেত্ৰত মুল সুঁতিলৈ ঘুৰাই আনিবলৈ আমি কিবা এডুকেশ্যনেল পেকেজৰ ব্যৱস্থা কৰিছোনেকি । মোৰ সমষ্টিৰ কথা কৈছো য'ত চৰ অঞ্চল আছে- বৰেৰ আলগা, শিশুমাৰা, জানেৰ আলগা, সুখ চৰ , হাজীৰ হাট, গুটামাৰী ইত্যাদি যথেষ্ট চৰ আছে। এই চৰ অঞ্চলবিলাক বাংলাদেশৰ বৰ্ডাৰৰ

ওচৰত। তাত ৪৮ কি.মি এৰিয়াত ফেন্সিং নাই। তাত চৰ অঞ্চলৰ মানুহখিনি অহা যোৱা কৰোতে ভোটৰ আই কাৰ্ডটো পকেটত লৈ আহিব লাগে। তাত যিটো খেতি কৰে বজাৰত আনিলে সদায় ধৰে । বজাৰৰ পৰা পাঁচ কেজিতকৈ অধিক বস্তু ঘৰলৈ লৈ গ'লেও ধৰে । এই মানুহখিনি যুগে যুগে হাৰাশাস্তি ভোগ কৰি আছে। মোটা কাটা - পাঠাকাটা ইত্যাদি বহু অঞ্চল আছে য'ত সদায় মানুহখিনি বি এচ এফৰ হাৰাশাস্তি ভোগ কৰি থাকিব লগা হৈছে। এই চৰৰ মানুহখিনি ৩-৪ মাহ যিহেতু পানীত থাকে তেওলোকৰ শিক্ষাৰ ক্ষেত্ৰত- বা চাকৰি বাকৰিৰ ক্ষেত্ৰত এচ চি - এচ টি সকলৰ দৰে বিশেষ সুবিধা দিব পাৰি নেকি ,কিবা এটা সুকীয়া চিন্তা কৰিব পাৰি নেকি , মেডিকেল কলেজ হওঁক, ইঞ্জিনিয়াৰিং কলেজ হওঁক সকলো কলেজত তেখেতসকলৰ কাৰণে স্পিচিয়েল পেকেজ এটা কৰিব লাগে । এই ৩৩ লাখ জনসংখ্যাৰ কথাটো চৰকাৰে চিন্তা কৰিব লাগে , এটা স্পেচিয়েল পেকেজ দিব লাগে আৰু কথা অধ্যক্ষ মহোদয় মাইনোৰিটি স্ক'লাৰশ্বিপ প্ৰি মেট্ৰিকৰ বাবে প্ৰায় ১০ হাজাৰ কোটি টকা দিয়া হৈছে- এই কথাখিনি চৰ অঞ্চলৰ মানুহ টোটেল ডাৰ্কত আছে। আজি চাউথ শালমাৰাত প্ৰায় ১১ হাজাৰ মানুহ মেঘালয়ত আছে । এই মানুহখিনিৰ কোনো সা সুবিধা নাপায় সেই কাৰণে মই এটা স্পেচিয়েল পেকেজ দিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ৬ মিনিট ল'ব, ২ টা বজাত শেষ হ'ব তাৰ আগতে বিল এখনৰ introduction আছে।

**শ্ৰীআফটাৰ উদ্দিন মোল্লা (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ ওপৰত চৰকাৰক অৱগত কৰিব খুজিছোঁ, অসমৰ ধেমাজিৰ পৰা আৰম্ভ কৰি ধুবুৰীলৈকে ব্ৰহ্মপুত্ৰৰ মাজত যি চৰ আছে, এই চৰত প্ৰায় ৩৫ লাখ মানুহ বসবাস কৰি আছে আৰু এই মানুহসকলৰ দৈনন্দিন অৱস্থা কেনে চলি আছে এই কথা আমি হয়তো বহুতে নাজানোঁ। কিন্তু মই বিশেষকৈ যিটো সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰো জলেশ্বৰ সমষ্টি, সেই সমষ্টিত ভালেখিনি চৰ আছে। মনকোলা চৰ, শালধৰা, পঞ্চবাংগা, ঘুলিমাৰী, দলানি, দামবাৰী, জাউখুৰা, দিগিৰপাৰ, সুন্দৰপাৰা, বেৰকাথালি, পৰাভূতা, নাৰামাৰী, তেঙৰমাৰী, চিলাইপিঠা, কাঠুৰী ইয়াৰ উপৰিও আৰু বহুত চৰ আছে। এই চৰৰ মানুহসকলৰ যিটো অসুবিধা সেই অসুবিধাটোৰ কথা মানে প্ৰত্যেক বছৰে চৰটো আছেই, তাৰোপৰিও প্ৰত্যেক বছৰে নদীৰ যিটো গৰাখহনীয়া এই গৰাখহনীয়াৰ ফলত প্ৰত্যেক বছৰে কমচে কম এশ দুশ হাউচ, স্থায়ী ভাৱে নদীৰ পাৰত থকা মানুহ ১০০ ৰ পৰা ২০০ ঘৰ পৰিয়ালক প্ৰত্যেক বছৰে নদীয়ে লৈ যায়। এই পৰিয়াল সকলৰ মানুহখিনি তেওঁলোকৰ যেতিয়া ঘৰবাৰী নোহোৱা হৈ যায় তেওঁলোকে ক'ত থাকিব, তেওঁলোকৰ থকাৰ কোনো ঠাই নাই। তেওঁলোকে কি কৰে মথাউৰিৰ ওপৰত ঘৰ বনাই, যিটো মঠাউৰি আমাৰ চৰকাৰে দিছে নদীৰ বানপানী ৰক্ষা কৰিবলৈ। কাৰণ তেঁওলোকৰ ঠাই নাই। ক'ৰবাত চৰকাৰী মাটি আছে তাত থাকে। নহ'লে ক'ৰবাত ফৰেষ্টৰ মাটিত গৈ থাকে। এই মানুহখিনিৰ দৈনন্দিন যিটো জীৱিকাৰ উপায় সেইটো একমাত্ৰ লেৱাৰ কৰা। তাৰবাহিৰে তেওঁলোকৰ গতান্তৰ নাই। তেওঁলোকে তেতিয়া অসমৰ বিভিন্ন ঠাইত কাম কৰিবলৈ আহে। এই গুৱাহাটী চহৰত এম এ পাছ কৰি বহু ল'ৰাই ৰিক্সা চলাই খাই আছে। তেওঁলোকৰ দূখ দেখিলে ভাবিব নোৱাৰে ইমান কষ্ট হৈছে। তেওঁলোকে যেতিয়া তেওঁলোকৰ ঘৰ-বাৰী আছিল তেতিয়া বহুত ধনী মানুহ আছিল আমি দেখিছো, সেই সমূহ মানুহক। আজি সেই সমূহ মানুহ অসমৰ বিভিন্ন ঠাইত কাম কৰিবলৈ যায়, তেতিয়া আমাৰ অসমৰে এক শ্ৰেণীৰ মানুহে মই সকলোকে নকওঁ, এক শ্ৰেণীৰ মানুহে এই মানুহসকলক ইমান ইতিকিং কৰে, ইমান তেওঁলোকক বাংলাদেশী

বুলি, বহিৰাগত বুলি বিভিন্ন ধৰণৰ অত্যাচাৰ তেওঁলোকৰ ওপৰত হয়। কিন্তু মই এই ক্ষেত্ৰত চৰকাৰক আহ্বান জনাওঁ যে এই মানুহ খিনিৰ কাৰণে কমচে কম নদী ভংগৰ যিটো প্ৰমাণ পত্ৰ সেই প্ৰমাণ পত্ৰটো ইচ্ছু কৰিব লাগে। নদী ভংগ হিচাপে এখন প্ৰমাণ পত্ৰ দিব লাগে। চৰত বসবাস কৰা যিখিনি মানুহ বহুত সময়ত দেখা যায় বাৰিষা কালত তেওঁলোকৰ ঘৰ-বাৰী যেতিয়া গুচি যায় লগত তেওঁলোকৰ খেতিমাটিৰ যিটো প্ৰমাণ পত্ৰ দলিল সেইবোৰো কেতিয়াবা পানীত ভাহি উটি যায়। তেওঁলোকৰ বহুত কষ্ট হয় আৰু তেতিয়া বাৰিষা কালত এই মানুহ খিনি ক'ত থাকিব, ক'ত নাথাকিব এনেকুৱা অৱস্থা হয়। এই মানুহখিনিৰ কাৰণে বাৰিষা সময়ৰ কাৰণে high platform বনাব লাগে। ডি আৰ ডি ৰ পৰা দিছে, নিদিয়া নহয়, কিন্তু সেইটো পৰ্যাপ্ত নহয়। আমি বানপানীৰ সময়ত চেলো নাওঁ লৈ প্ৰত্যেকটো চৰে চৰে যে দৌৰি ফুৰো, দুখীয়া মানুহৰ ওচৰত যাওঁ তেওঁলোকৰ খোৱাপানীৰ অভাৱ, তেওঁলোকৰ থকাৰ অভাৱ, এটা ঘৰত চাং বান্ধি মানুহ সকল কেনেকুৱা অৱস্থাত থাকে, তেওঁলোকৰ গৰু-ছাগলী ক'ত থাকে, তেওঁলোকে ক'ত থাকে এনেকুৱা এটা পৰিস্থিতি। কিন্তু ইয়াৰ কাৰণে চৰকাৰে কোনো স্থায়ী ব্যৱস্থা লোৱা নাই । চৰকাৰে এই বিলাকৰ কাৰণে এটা স্থায়ী ব্যৱস্থা কৰিব লাগে। যিবিলাক চাপৰি এটাৰ পৰা এটা ভাঙি যায়, সেই চৰ বিলাকক ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাত যিবিলাক স্কুল আছে, সেই স্কুল বোৰ ভাঙি যায়। আজি বিশেষকৈ মোৰ সমষ্টিত এখন স্কুল এবাৰ ফুলকাঘাটৰ চৰত আছিল, সেই স্কুলখন ভাঙি গোৱালপাৰা জিলাৰ পৰা সেইটো ধুবুৰী জিলাত উঠালে। আকৌ ধুবুৰী জিলাৰ সীমামূৰীয়া ঠাই। তেতিয়া চৰটো উঠি গ'ল যেতিয়া ধুবুৰীৰ পৰা স্কুলখন আহিব নিদিয়ে। কেনেকুৱা অৱস্থাত আছে। আমাৰ যিটো অঞ্চল যিমান খিনি চৰৰ কথা কলো, এই চৰত এখনো এল পি স্কুল নাই। এখন আছিল, তাৰ লগত হাইস্কুল আছিল, সেইখন ভাঙি গ'ল। এতিয়া গোটেইখিনি চৰত এখনো এল পি স্কুল নাই। আমাৰ এজন সদস্যই কৈছে যে ১৩ কি.মিটাৰ দূৰত স্কুল নাই, মই ভাৱো কিজানি ২০ কি. মিটাৰ দূৰতো স্কুল নাই মোৰ সমষ্টিত। গতিকে চৰকাৰক আহ্বান জনাও যি সমূহ চৰত এল পি স্কুলৰ ব্যৱস্থা নাই সেইবোৰত এল পি স্কুলৰ ব্যৱস্থাটো কৰি দিব লাগে। কাৰণ এল পি স্কুল বিলাক হলে তেওঁলোকে অন্ততঃ অলপ হ'লেও পঢ়াশুনা কৰি লিখা মিলা কৰি তেওঁলোক মানুহৰ মাজত আহিব পাৰিব। এই সমূহ কথা আছে। এই গৰাখহনীয়াৰ ফলত মানুহ খিনিৰ যি অৱস্থা সেই অৱস্থাৰ পিনে চাই চৰকাৰে এইখিনি ব্যৱস্থা কৰিব লাগে। এই মানুহ খিনি যিখিনি চৰত বসবাস কৰে, এই মানুহ খিনিয়ে চৰ অঞ্চলত বিভিন্ন ফচল উৎপাদন কৰিব পাৰে, বাৰিষা যোৱাৰ পিছত মাটিত যেতিয়া পলস পৰে। কিন্তু সেই ফচল খিনিৰ কাৰণে বজাৰ নাপায়। কাৰণ সেই চৰৰ পৰা লৈ যাওঁতে তেওঁলোকৰ যিটো transportation বহুত ধৰণৰ, নাৱত উঠাব লাগে, আকৌ বহুত কষ্ট হয়। গতিকে এই সমূহ কথা চিন্তা কৰিব লাগে আৰু চৰৰ মানুহখিনিক তাত বহুত ঠাই আছে, নাঁৱৰ পাৰাপাৰ যদি কৰি দিব পাৰে, মানুহখিনি পাৰত আহি শিক্ষানুস্থানত যাতে পঢ়া শুনা কৰিব পাৰে, এই চৰৰ ল'ৰা-ছোৱালীখিনিৰ কাৰণে চৰকাৰৰ ফালৰ পৰা তেনেকুৱা ধৰণৰ ব্যৱস্থা কৰি দিলে ভাল হয়। ধন্যবাদ.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সংকল্প প্ৰস্তাৱ আৰু পৰৱৰ্তীৰ কাৰণে ৰাখি থৈ দিছোঁ বাকী স্পিকাৰ খিনি পৰৱৰ্তীত ৰাখিব পাৰিব।

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীক 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022' উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Contin-

gency Fund (Augmentation of Corpus) Bill, 2022' বিধেয়ক খন মই সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি আছে নে? অনুমতি দিয়া হ'ল।

ৰাজভৱনৰ পৰা বিধেয়ক খন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০২২ চনৰ ১৪ মাৰ্চ তাৰিখত এটা বাণী পঠিয়াইছে।

বাণীটো হ'ল -

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommended the introduction of 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022' in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্তমন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022' বিধেয়ক খন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022' .

**মাননীয় অধ্যক্ষ ঃ** সদন অহা ২৮ মাৰ্চ, ২০২২ তাৰিখৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।